# নাহৰ

প্ৰথম বছৰ । দ্বিতীয় সংখ্যা



প্ৰবন্ধ

বিদেশৰ চিঠি

-ফটোগ্ৰাফী-
"ছবিকথা"

কবিতা-কানন

গল্প

চিনেমা সমালোচনা

সম্পাদক
সপোন বড়া

সহঃ সম্পাদক
প্ৰসেনজিৎ সোনোৱাল

আগষ্ট
সংখ্যা

# নাহৰ




## প্ৰথম অসমীয়া বহুভাষিক মাহেকীয়া ই-আলোচনী, ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা(২০২০-২১)ৰ দ্বাৰা প্ৰকাশিত

### সম্পাদনা সমিতি

উপদেষ্টা মণ্ডলী



ড° প্ৰাঞ্জল বুঢ়াগোঁহাই



ড° স্বাতী কিৰণ

সম্পাদক



সপোন বড়া

সহযোগী সম্পাদক



প্ৰসেনজিৎ সোণোৱাল

### সদস্য/সদস্যা



পৱন গগৈ



হিমালয় বাৰিক



ভৰত দাস



হিৰণ্যপ্ৰভা দিহিঙ্গীয়া



বঞ্জিতা ভট্টাচাৰ্য্য



ইউৰেকা কাকতি



অভিজিত চক্ৰৱৰ্তী



দীপজ্যোতি গোৱালা

### অংগসজ্জা

NEXT

# শুভেচ্ছাবাণী

**Prof. L.K. Nath**, M. Pharm., Ph.D.
**Vice - chancellor i/c,**

**DIBRUGARH UNIVERSITY**
DIBRUGARH ◆ PIN - 786 004 ◆ ASSAM
Phone 0373 - 2370239 (Off)
Mobile 9435476382
Fax 0373-2370323
E-mail : vc@dibru.ac.in

Ref. No: DU/VC/GWM/21/217

Date: 29.06.2021.

## শুভেচ্ছা বাণী

উজনি অসমৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ উদ্যোগত 'নাহৰ' শীৰ্ষক এখনি ই-আলোচনী প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ পাই সঁচাকৈয়ে আনন্দিত হৈছো। বিশ্ববিদ্যালয় এখনৰ ই-আলোচনী একোখনৰ যোগেদি বিশ্ববিদ্যালয়খনিৰ বিষয়ে বহু নজনা কথা জানিব পাৰি। তাৰোপৰি এনে ই-আলোচনীয়ে নতুন নতুন প্ৰতিভা সৃষ্টিত প্ৰভূত অৰিহণা যোগোৱাটো সততে পৰিলক্ষিত হয়। সৰ্বোপৰি, স্মৃতিক যুগমীয়া কৰাতো এনে আলোচনীয়ে ঘাই ভূমিকা লয়। সেয়েহে এনে আলোচনীৰ প্ৰয়োজনীয়তা অ নস্বীকাৰ্য্য।

'নাহৰ' বিশেষ মানদণ্ডৰে সুন্দৰ ৰূপত প্ৰকাশ পাওক। তদ্ৰুপ, নতুন নতুন প্ৰতিভাই বিকাশ লাভ কৰক তাৰ বাবে আমাৰ শুভ কামনা থাকিল।

সংস্কৰণটিৰ প্ৰকাশৰ সৈতে জড়িত সমূহ ব্যক্তি আৰু পাঠকবৃন্দলৈ আমাৰ শুভেচ্ছা থাকিল।

নীলাকান্ত নাথ
(ডঃ নীলাকান্ত নাথ)
উপাচাৰ্য **(ভাৰপ্ৰাপ্ত)**
ডিব্ৰুগড বিশ্ববিদ্যালয়
ডিব্ৰুগড

# শুভেচ্ছাবাণী

***Prof. Jiten Hazarika,*** M.Sc., Ph.D., PGDOR
Registrar

**DIBRUGARH UNIVERSITY**
DIBRUGARH • PIN – 786 004 • ASSAM
Phone : 0373-2370231 (O)
Mobile : 09435657101 / 918135045239
Fax : 0373-2370768
E-mail : registrar@dibru.ac.in
jiten_stats@dibru.ac.in

দিনাংক : ৩০/০৬/২০২১

প্ৰতি,

**শ্ৰী সপোন বড়া,**
আলোচনী সম্পাদক,
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা,
ডিব্ৰুগড়।

প্ৰিয় শ্ৰী বড়া,

সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত 'নাহৰ' শীৰ্ষক আলোচনীখনি ই-আলোচনীৰূপে প্ৰকাশ কৰাৰ দিহা কৰা হৈছে বুলি জানিবলৈ পাই আমি নথৈ আনন্দিত হৈছোঁ। এখনি ই-আলোচনী প্ৰকাশৰ প্ৰক্ৰিয়া তুলনামূলকভাৱে যথেষ্ট কঠিন যদিও প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰ, বিকাশ, জনপ্ৰিয়তা বৃদ্ধিৰ লগতে সৰ্বোপৰি আমাৰ সমাজখনৰ অধিকাংশৰ বাবে এই বিশেষ বিদ্যা ক্ৰমাৎ গ্ৰহণযোগ্য হৈ উঠাৰ লগে লগে আজিৰ তাৰিখত প্ৰযুক্তিবিদ্যাৰ সৈতে জড়িত এনে উদ্যমসমূহ পূৰ্বৰ তুলনাত যথেষ্ট সহজসাধ্য হৈ পৰিবলৈ ধৰিছে। গোলকীকৃত বিশ্বখনৰ পৰিবৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ইয়াক এক শুভ লক্ষণৰূপেই চিহ্নিত কৰা হৈছে।

পাঠক সমাজৰ বাবে ই এক স্বীকৃত সত্য যে আমাৰ বিশ্ববিদ্যালয়ৰ পৰা উলিওৱা প্ৰতিখন আলোচনীয়েই এক বিশেষ মানদণ্ড বহন কৰি আহিছে। 'নাহৰ'ৰ ক্ষেত্ৰতো নিশ্চয় এই পৰম্পৰাৰ ব্যতিক্ৰম নঘটিব। আমাৰ একান্ত বিশ্বাস—নাহৰৰ দেশৰ শিক্ষাৰ্থীসকলে 'নাহৰ'ক নিশ্চয়কৈ আদৰি ল'ব।

শেষত সম্পাদনা সমিতি, লেখকবৃন্দ, পঢ়ুৱৈৰ বৃহৎ সমাজখনকে আদি কৰি প্ৰচেষ্টাটিৰ সৈতে জড়িত সদৌটিলৈকে আমাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা থাকিল।

নিষ্ঠা সহকাৰে—

(ড° জিতেন হাজৰিকা)
পঞ্জীয়ক
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়

# শুভেচ্ছাবাণী

# OFFICE OF THE POST GRADUATE STUDENTS' UNION
## DIBRUGARH UNIVERSITY
## DIBRUGARH-04

EMAIL: dupgsu2021@gmail.com

Ref.no:

Date: **29/6/2021**



**শুভেচ্ছা বাণী**

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক ভাতৃপ্ৰতিম শ্ৰী সপোন বড়াৰ উদ্যোগত প্ৰকাশ পাবলগীয়া 'নাহৰ' আলোচনীৰ বাবে আমাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা প্ৰকাশ পাবলগীয়া এই আলোচনীখনে কেৱলমাত্ৰ নাহৰৰ দেশৰ বৃহত্তৰ ছাত্ৰ সমাজকে নহয়, বৰং সমগ্ৰ অসমৰ লেখক আৰু পাঠক সমাজক উপকৃত কৰিব বুলি আমি আশাবাদী । আশা কৰোঁ এই 'নাহৰ' আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধন হ'ব আৰু লগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃতপক্ষে নিজৰ প্ৰতিভাসমূহ বিকাশৰ বাবে এখন মঞ্চ পাব ।

Poban Gogoi
President
D.U.P.G.S.U. 2020-21

পৱন গগৈ
সভাপতি
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২০-২১

**OFFICE OF THE POST GRADUATE STUDENTS' UNION**
**DIBRUGARH UNIVERSITY**
**DIBRUGARH-04**
EMAIL: dupgsu2021@gmail.com

Ref.no:                                                                 Date: **29/6/2021**



**শুভেচ্ছা বাণী**

মহৎ কাৰ্য সিদ্ধিৰ বাবে অকল কাম কৰাই নহয় স্বপ্নও দেখিব লাগিব ----- তেনে এক স্বপ্নৰ পূৰ্ণাঙ্গ ৰূপেই হৈছে "নাহৰ" ।

এখন দৌৰ আৰম্ভ হৈছে ---- পৰিৱৰ্তনৰ দৌৰ ,জ্ঞানৰ দৌৰ । হয়তো তুমি আগুৱাই যোৱা, নহ'লে ৰৈ দিয়া । পৰিৱৰ্তনেই যেন কেৱল পৃথিৱীত একমাত্ৰ স্থিৰ বস্তু ।

এই পৰিৱৰ্তনৰ দৌৰত এক নতুন যুগৰ সূচনা কৰিছে---- ডিজিটেল যুগ বা কম্পিউটাৰ যুগ । এই যুগৰ আন এক অৱদান হৈছে --- ইণ্টাৰনেটত প্ৰকাশিত সাহিত্যৰাজি 'ইলেক্ট্ৰনিক সাহিত্য' বা 'বৈদ্যুতিন সাহিত্য' । এই সাহিত্য কোনো ভৌগোলিক পৰিসীমাৰ মাজত সীমাৱদ্ধ নহয়, ই মুক্ত । এনেদৰেই পৰিসীমাক নেওচি বহু দূৰ দিগন্তলৈ প্ৰসাৰিত কৰাৰ উদ্দেশ্যে সংস্কৃতিবান মানুহেৰে ভৰি থকা , সৃষ্টিশীল মনৰ আকৰস্বৰূপ এই নাহৰৰ দেশত নতুন এক খোজ দিবলৈ আৰম্ভ কৰিছে "নাহৰ" নামৰ আলোচনী খনে । আমি আশাবাদী আলোচনী খনে সোণালী অতীতক সুঁৱৰি , বৰ্তমানক সুন্দৰ কৰি নাহৰৰ দেশত সুদীৰ্ঘ ভৱিষ্যতৰ ভেঁটি গঢ়িব ।

জীৱনৰ সুদীৰ্ঘ কালৰ অভিজ্ঞতাৰ পৰা এই কথা ন-দি ক'ব পাৰি সম্পাদক আৰু প্ৰকাশকৰ দূৰদৰ্শিতাই আলোচনী এখনক যুগে যুগে অমৰ কৰি ৰাখে । গাতে লাগি থকা চিনাকি পৃথিৱীখনক শান্তি আৰু বৌদ্ধিক- নান্দনিক চেতনাৰে জীয়াই ৰাখিব পৰা গুৰু হ'ল গ্ৰন্থ আৰু আলোচনী । গতিকে এই মহৎ কামৰ জৰিয়তে নাহৰৰ দেশক নতুন এক চিনাকি কৰাই দিব লোৱা "নাহৰ" আলোচনীৰ সমূহ কৰ্মকৰ্তাক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো । নাহৰৰ দেশৰ দাপোণ হৈ উঠিব বিচৰা এই নাহৰ আলোচনীয়ে নাহৰৰ দেশৰ বিচিত্ৰতাৰ বিভিন্ন ৰঙবোৰ একত্ৰিত কৰি এক সুকীয়া আমেজ প্ৰদান কৰিব ।

আলোচনী খন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশিত হৈ বিশ্ববিদ্যালয় তথা সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে এক উদাহৰণস্বৰূপ হ'ব বুলি আশা কৰিছোঁ । নাহৰৰ দেশত সাহিত্য চৰ্চাৰ এক নতুন ধাৰা সৃষ্টি হওক এই "নাহৰ" আলোচনী খনৰ পৰাই ।

আলোচনীখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ক উপহাৰ দিবলৈ আগবাঢ়ি অহা ভাতৃপ্ৰতিম শ্ৰী সপোন বড়ালৈ আমাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ । আশা কৰোঁ নাহৰৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ প্ৰতিগৰাকী সৃষ্টিশীল লেখকবন্ধু উপকৃত হ'ব ।

Himalloy Barik
General Secretary
D.U.P.G.S.U. 2020-21

হিমালয় বাৰিক
সাধাৰণ সম্পাদক
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা
২০২০-২১



# সম্পাদকীয়

স ম্পা দ কী য়

নানা জাতি-উপজাতিৰ ৰহনীয়া কৃষ্টিক আঁকোৱালি লৈ ভাৰতীয় সভ্যতাৰ সৃষ্টি হৈছে, সভ্যতাৰ গাত ভেঁজা দি সৃষ্টি হৈছে নৱ-নৱ সংস্কৃতিৰ। ধৰ্মীয় বিশ্বাস, আস্থা এই উপমহাদেশৰ আত্মা সদৃশ বুলি ক'লেও অত্যুক্তি হ'ব বুলি আমি নাভাবোঁ।এই ভাৰত উপমহাদেশত বিভিন্ন ধৰণৰ অন্ধ বিশ্বাসে গা কৰি আহিছে। এই বিশাল দেশখনত এসময়ত সতীদাহ প্ৰথাৰ দৰে ভয়ঙ্কৰ পাশৱিক আৰু অমানৱীয় পৰম্পৰাৰ অনুশীলন মুকলিকৈয়ে হৈছিল।। এই প্ৰথা ইমানেই ভয়ঙ্কৰ আছিল যে তাক প্ৰত্যক্ষ কৰি স্বয়ং ব্ৰিটিছ বিষয়া সকলৰো অন্তৰাত্মা কঁপি উঠিছিল। এই লিখনিৰ জৰিয়তে আমি কোচ সাম্ৰাজ্যত এসময়ত প্ৰচলিত সতীদাহ প্ৰথাৰ প্ৰামাণিক তথ্যৰ বিষয়ে আলোচনা কৰিবলৈ চেষ্টা কৰিম। তাৰ আগতে সতীদাহ প্ৰথাৰ বিষয়ে কিছু কথা জানি লওঁ আহক।

সতীদাহ প্ৰথা আছিল মূলতঃ আৰ্য সংস্কৃতিৰ দান। অৱশ্যে ইয়াক সংস্কৃতি নুবুলি একে আষাৰে কুঃসংস্কাৰ বুলি কোৱাই শ্ৰেয়। কিন্তু প্ৰশ্ন উত্থাপিত হয় যে যদিও এই প্ৰথা আৰ্য সংস্কৃতিত প্ৰচলিত এটি কুঃসংস্কাৰ,তেন্তে ই কি সঁচাকৈয়ে বৈদিক সংস্কৃতিৰেই প্ৰতিফলন? আৰু এই প্ৰশ্নৰ উত্তৰত আমি তথ্য প্ৰমাণ সহকাৰে কব পাৰিম ই বৈদিক সংস্কৃতি নহয়। যদিও, প্ৰায় দুহেজাৰ বছৰ কাল পুৰুষতান্ত্ৰিক ভাৰতীয় সমাজে ইয়াক বৈদিক সংস্কৃতি বুলি ঢাক-ঢোল বজাই ইয়াৰ সপক্ষে মত-পোষণ কৰি আহিছিল। বেদ সমূহত কি সঁচাকৈয়ে আছিল সতীদাহ প্ৰথাৰ বিষয়ে উল্লেখ? পাশ্চাত্যৰ গৱেষকসকলৰ অনেকৰে মাজত দ্বণ্ড থাকিলেও ভাৰতীয় বেদ টীকা-ভাষ্যকাৰ সকলৰ মতে, বেদত সতীদাহৰ উল্লেখ নাই। বৰং স্বামীৰ মৃত্যুৰ পিছত পুণৰ্বিবাহৰ বিষয়েই বেদে মত-পোষণ কৰিছে। এই বিষয়ে অথৰ্ববেদৰ দুটি মন্ত্ৰ প্ৰণিধানযোগ্য:

ইয়ং নাৰী পতি লোকং বৃণানা নিপদ্যত  
উপত্ব্য মৰ্ত্ত্য প্ৰেতম্ । ধৰ্মং পুৰাণমনু  
পালয়ন্তী তস্মৈ প্ৰজাং দ্ৰবিণং চেহ ধেহী।।

(অথৰ্ববেদ- ১৮.৩.১)

অৰ্থাৎ- হে মনুষ্য এই স্ত্ৰী পুণৰ্বিবাহৰ আকাঙ্খা কৰি মৃত পতিৰ পিছত তোমাৰ নিকট আহিছে। সেই সনাতন ধৰ্মক পালন কৰি যাতে সন্তানাদি আৰু সুখভোগ কৰিব পাৰে।

অথৰ্ববেদৰ আন এটি মন্ত্ৰত আছে-  
উদীষৰ্ব নাৰ্য্যভি জীৱলোকং  
গতাসুমেতমুপশেষ এহি। হস্তাগ্ৰাভস্য  
দিধিষোস্তবেদং পত্যুৰ্জনিত্বমভি সংবভূব।।

(অথৰ্ববেদ- ১৮.৩.২)

অৰ্থাৎ- হে নাৰী, মৃত পতিৰ বিয়োগত শোকাকুল হৈ লাভ কি? বাস্তৱ জীৱনলৈ উভতি আহা। পুনৰায় তোমাৰ পাণিগ্ৰহণকাৰী পতিৰ লগত তোমাৰ আকৌ পত্নীত্ব তৈৰী হব।

বেদৰ অন্যতম ভাষ্যকাৰ সায়নাচাৰ্যয় তেওঁৰ তৈত্তিৰীয় আৰণ্যক ভাষ্যত এই মতকেই প্ৰদান কৰিছে। উল্লেখ্য যে বেদ সমূহ যেতিয়া লিখিত ৰূপ লাভ কৰে তেতিয়া ইয়াক চাৰিটা ভাগত বিভক্ত কৰা হৈছিল। যথা- সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। আৰণ্যক হল অৰণ্যত ৰচিত এক জাতীয় সাহিত্য। বিশ্ব ৰহস্যৰ সমাধান অন্বেষাই তাৰ প্ৰধান উদ্দেশ্য যদিও সমাজ জীৱনৰ বিষয়েও বহু গুৰুত্বপুৰ্ণ কথা এইবোৰত লিপিবদ্ধ কৰা হৈছিল।

গতিকে দেখা গল যে বৈদিক যুগ বা বৈদিক সংস্কৃতিয়ে কেতিয়াও সতীদাহ প্ৰথাৰ কথা কোৱা নাই- বৰং নাৰীক স্বাধীনচেতিয়া, যোদ্ধা, বিদ্যা-শিক্ষাত আগৰণুৱা হিচাপেহে দেখুওৱা হৈছে।

নাৰীৰ সামাজিক প্ৰস্থিতি নিম্নগামী হ'বলৈ ধৰে বেদৰ পৰবৰ্তী যুগত। বৌধায়ণৰ 'ধৰ্মশাস্ত্ৰ', মনু প্ৰভৃতি স্মৃতিশাস্ত্ৰকাৰসকলৰ ৰচনা, কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ', বাৎসায়ণৰ 'কামসূত্ৰ', কালিদাসৰ বিভিন্ন নাটক, বাণভট্টৰ 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত', হৰ্ষবৰ্ধনৰ নাটক 'ৰত্নাৱলী', মাঘৰ 'শিশুপালবধ', দণ্ডিৰ 'দশকুমাৰচৰিত', শূদ্ৰকৰ 'মৃচ্ছকটিক', কলহনৰ 'ৰাজতৰংগিনী' প্ৰভৃতি গ্ৰন্থৰ পৰা নাৰীৰ দুৰবস্থাৰ কথা জানিব পৰা যায়।

উইলিয়াম কেৰী আৰু ৰামমোহন ৰায়ৰ দৰে ব্যক্তি নাথাকিলে এই ভয়ংকৰ সতী দাহ প্ৰথা হয়তো আৰু অনেক দশক চলিলহেঁতেন। উইলিয়াম কেৰী আছিল এগৰাকী ব্যাপ্টিষ্ট মিছনেৰী, তেওঁ আহিছিল ইংলেণ্ডৰ পৰা। ১৮১২ চনত ৰামমোহন ৰায়ে সতীদাহবিৰোধী আন্দোলন আৰম্ভ কৰে। তেওঁৰ আপোন নবৌক জোৰ কৰি চিতাত তুলি আত্মজাহ দিবলৈ বাধ্য কৰা হৈছিল। শ্মশানে শ্মশানে ঘুৰি তেওঁ মৃতকৰ ঘৰৰ লোকজনক বুজাবলৈ চেষ্টা চলাই যায়। ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাতা হিচাবে এই কাম কৰা আৰু অনেক অনুগামী গোটাই লোৱা তেওঁৰ পক্ষে কষ্টকৰ নাছিল। এওঁলোকৰ মাজত দল তৈয়াৰ কৰি দিয়ে, যাতে তেওঁলোকেও বিভিন্ন শ্মশানলৈ যাব পাৰে। তেখেতে নিজৰ লিখনীত প্ৰমাণ কৰে, হিন্দুশাস্ত্ৰই সতীদাহৰ কথা নকয়। ১৮১৫-১৮ চনত সতীদাহ প্ৰথা বিকট আকাৰ ধাৰণ কৰাত ৰামমোহন ৰায়ে ১৮২১ চনত এখনি পুস্তিকা আৰু উইলিয়াম কেৰীয়ে ১৮২৩ চনত এখনি গ্ৰন্থ প্ৰকাশ কৰে।

১৮২৮ চনত লৰ্ড উইলিয়াম বেন্টিঙ্ক ভাৰতৰ গভৰ্নৰ হৈ আহে। বেন্টিঙ্কে এই প্ৰথা বন্ধ কৰিবলৈ আৰু এক মুহূৰ্তও যেন দেৰি কৰিব খোজা নাছিল। চাৰ্লছ্ মেটকাফে বেন্টিঙ্কক কৈছিল, ভাৰতত ইংৰাজৰ ৰাজত্বৰ অৱস্থা বিশেষ ভাল নহয়। সতীদাহ বন্ধ কৰিলে বিদ্ৰোহীসকলে বিপ্লৱৰ সুযোগ পাব পাৰে। বেন্টিঙ্কৰ ওচৰত বিপ্লৱৰ ভয়তকৈ ডাঙৰ হৈ দেখা দিছিল বিধবাসকলৰ দুৰ্বিষহ জীৱন।

এতিয়া আহো কোচ সাম্ৰাজ্যত প্ৰচলিত প্ৰথাৰ মাজলৈ। কাহিনী অনুসৰি ভবানন্দ নামৰ জনৈক বিশিষ্ট ব্ৰাহ্মণে এবাৰ মহাৰাজ বিশ্বসিংহৰ ওচৰ চপাত ৰজাই তেওঁক ব্ৰাহ্মণৰ পাদোদকৰ মাহাত্ম্যৰ কাৰণ সোধাত ভবানন্দ ঠাকুৰে কৈছিল যে, ব্ৰাহ্মণৰ পাদাঙ্গুষ্ঠেৰে শুক্লবৰ্ণ ব্ৰহ্মতেজ বৈ থাকে বাবে তেওঁলোকৰ 'পাদোদক' তীৰ্থজল সদৃশ পবিত্ৰ বুলি হিন্দু সমাজে গণ্য কৰে। সেই সময়তে মহাৰাজ বিশ্বসিংহই আকৌ নতুনকৈ কিৰাত ধৰ্মৰ পৰা

হিন্দুধৰ্ম গ্ৰহন কৰিছে। গতিকে সহজেই অনুমেয় তেওঁ ব্ৰাহ্মণৰ ভৰিৰ আঙুলিত বগা ৰঙৰ ব্ৰহ্মতেজ প্ৰবাহিত হয় বুলি ধৰি লৈছে। সঁচাকৈ ব্ৰাহ্মণৰ ভৰিত বগা তেজ বয় নে নবয় চাবলৈ কৌতুহলবশত মহাৰাজ বিশ্বসিংহই বটালি এখন আনিবলৈ সৈন্যক আদেশ দিয়ে। বটালী আহি পোৱাত দ্বিতীয় আদেশ- এই ব্ৰাহ্মণৰ ভৰিৰ আঙুলি বটালিৰে ক্ষত কৰা হওঁক, মই শুক্লবৰ্ণৰ ব্ৰহ্মতেজ পৰিদৰ্শন কৰিমহঁক। মহাৰাজৰ আদেশ পাই সেনাই ব্ৰহ্মানন্দ ঠাকুৰৰ ভৰিৰ আঙুলিত বটালীৰে কোব এটা মাৰে। ফলত আঙুলি ফাটি থেতেলা হয় আৰু প্ৰচুৰ পৰিমাণে ৰক্তক্ষৰণ হবলৈ ধৰে। মহাৰাজ বিশ্বসিংহ ৰঙা তেজ দেখি হতাশ হয়। ইফালে আকৌ ৰক্তক্ষৰণ হৈ ভৱানন্দ ঠাকুৰৰ মৃত্যু হয়। মৃত্যুৰ আগে আগে ভৱানন্দ ঠাকুৰে খং আৰু অপমানে বিশ্বসিংহক অভিশাপ দিয়ে- "তোমাৰ ক্ষতৰোগে মৃত্যু হৈবো"।

সেই ঘটনাৰ এক পক্ষকাল পিছতেই মহাৰাজ বিশ্বসিংহৰ গাত বসন্ত ৰোগ দেখা দিয়ে। আৰু সেই ৰোগতে কিছুদিন ভূঞ্জি মহাৰাজ বিশ্বসিংহৰ মৃত্যু হয়। ১৫৩৩ খৃষ্টাব্দত মহাৰাজ বিশ্বসিংহই পৰলোক গমণ কৰে। তেওঁৰ এগৰাকী ৰাণী সুদাম্নী দেৱীয়ে স্বামীৰ বিয়োগত শোকাবিহ্বল হৈ সহমৰণক আকোৱালী লয়। অৰ্থাৎ মহাৰাজ বিশ্বসিংহৰ চিতাত আৰোহন কৰি আত্মজাহ দিয়ে। গন্ধৰ্বনাৰায়ণৰ 'বংশাবলী' গ্ৰন্থত লিখা আছে যে বিশ্বসিংহৰ মৃত্যুৰ বাতৰি পাই বৃদ্ধপিতৃ হৰিদাস মণ্ডল বা হাৰিয়া মণ্ডলে শোকাকুল হৈ প্ৰাণত্যাগ কৰে। বিশ্বসিংহৰ মাতৃ হীৰা দেৱীয়ো স্বামী হাৰিয়া মণ্ডলৰ চিতাত আৰোহন কৰি আত্মজাহ দিয়ে। দুই পিতা-পুত্ৰৰ আৰু তেওঁলোক দুয়োৰ পত্নীসকলৰ অন্তেষ্টিক্ৰিয়া একেলগে ওচৰা-ওচৰিকৈ সম্পন্ন কৰা হয়। সেই দৃশ্য কিমান দুখজনক, কিমান নোম থিয় হোৱা বিধৰ আছিল ভাৱক, দুগৰাকী কৈ ৰাণী ওচৰা-ওচৰিকৈ চিতাত আত্মজাহ দিছে!!

প্ৰাচীন অসমত সতী দাহ প্ৰথাৰ প্ৰচলন আৰু ইয়াৰ অনুশীলনৰ উদাহৰণ পোৱা যায় বিজনীৰ ৰজা মুকুন্দ নাৰায়ণৰ সময়ছোৱাত। উল্লেখযোগ্য যে ১৭৮৮ চনত বিজনীৰ ৰজা মুকুন্দ নাৰায়ণৰ মৃত্যু হয়। তেওঁৰ মৃত্যুত তেওঁৰ চাৰিগৰাকী ধৰ্মপত্নী আৰু এগৰাকী উপপত্নীয়ে স্বামীৰ চিতাত আত্মজাহ দিয়ে। সেই হৃদয়বিদাৰক দৃশ্যৰ কথা পঢ়িলে সকলো আচৰিত হব।

'বিজনী ৰাজবংশ' গ্ৰন্থত আমি পাও-

"ৰজা মুকুন্দ নাৰায়ণৰ শ দিব্য পালেঙৰ ওপৰত, দিব্য শয্যাত সংস্থাপন কৰি সবান্ধৱসকলে কান্ধত লৈ হৰিধ্বনি কৰি যাত্ৰা কৰিলে। ৰজাৰ ধৰ্মপত্নী চাৰিগৰাকী আৰু এগৰাকী উপপত্নী, এই পাঁচ গৰাকীয়ে নানা প্ৰকাৰৰ সুবৰ্ণ অলংকাৰ পৰিধান কৰি, কেশসজ্জা কৰি দোলাত উঠি পিছে পিছে গমন কৰিলে। তেওঁলোক শ্মশানভূমিত উপস্থিত হল। ৰাজ্যৰ প্ৰজাই সকলো কাম পিছ পেলাই শ্মশান ভূমিলৈ গমন কৰিলে।এই দৃশ্য দেখি এনে ভাৱ হল যেন ৰাজপৰিবাৰে বিহাৰবিলাস সম্পন্ন কৰিবৰ বাবেহে নাইবা জলক্ৰীড়া কৰিবৰ বাবেহে নদীলৈ যাত্ৰা কৰিছে। বৃদ্ধ-বনিতা সকলোৱে শ্মশানলৈ ঢাপলি মেলিছে। চিতা প্ৰস্তুত কৰা হ'ল। চাৰিওফালে ধন্য ধন্য ধ্বনি শুনা গ'ল। নানা প্ৰকাৰৰ সুগন্ধি কাঠ অনা হ'ল। ধূপ-ধুনা গৰু ঘিউ আদি অনা হ'ল। ৰাণীসকলৰ সহমৰণৰ কথা শুনি অনেকেই উচ্চস্বৰে কান্দিবলৈ ধৰিলে। চন্দন কাঠ বিৰচিত চিতাত নৃপদেহ সংস্থাপিত কৰা হ'ল। ৰাণীসকলে উপাস্য দেৱতাৰ নাম উচ্চাৰণ কৰি হাস্য বদনেৰে ৰজাৰ বামপাশে শয়ন কৰিলে।

চিতাত নানাপ্ৰকাৰৰ সুগন্ধিদ্ৰব্য ৰখা হ'ল। কলহে কলহে ঘিউ ঢলা হ'ল। চিতাৰ অগ্নি ভয়ানকভাৱে জ্বলি উঠিল। চকুৰ পচাৰতে ৰাণী সকলৰ আৰু ৰজাৰ দেহ অগ্নীয়ে ভস্মীভূত কৰি পেলালে।"

যদিও বৰ্তমান সময়ত এই প্ৰথাৰ প্ৰচলন নাই, কিন্তু ইতিহাসৰ কোনোবা অন্ধকাৰ সময়ত এনে অপ-প্ৰথাই ভাৰতীয় নাৰী সকলৰ সামাজিক স্থিতি তথা জীৱন নিৰ্বাহৰ অধিকাৰত ব্যাঘাত জন্মাইছিল। এই কু-সংস্কাৰে যিহেতু অসমকো চুই গৈছিল, সেয়ে আমি ভাবিলোঁ এই বিষয়ে নাহৰৰ পাঠক সমাজে এই কথা জনাৰ প্ৰয়োজনীয়তা আছে।

নাহৰৰ প্ৰথম সংখ্যাটোক যিদৰে পাঠক সমাজে আদৰি ল'লে আমি আশাবাদী যে আহিবলগীয়া প্ৰতিটো খণ্ডকেই সমানেই মৰম দিব।

জয়তু ডিব্ৰুগড় বিশ্ববিদ্যালয় ।
জয়তু ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা।

**সপোন বড়া**
সম্পাদক

**নাহৰ ই-আলোচনীৰ মাননীয় লেখক-লেখিকাসকলৰ লেখনিৰ মৌলিকতা সম্পৰ্কত সম্পাদনা সমিতি দায়বদ্ধ নহয় ।**

**সম্পাদনা সমিতি**
**নাহৰ ই-আলোচনী**

# সূচীপত্ৰ


বিদেশৰ চিঠি

দেৱাঞ্জন বৰঠাকুৰ

প্ৰবন্ধ শিতান

- অসমত ভাষা অধ্যয়নৰ প্ৰাসংগিকতা
  ভৰত দাস
- সংগ্ৰামী সত্তা অম্বিকাগিৰি ৰায়চৌধুৰী ঃ এটি চমু আলোকপাত
  অৰ্চনা কলিতা
- সাম্প্ৰতিক শিক্ষা ব্যৱস্থা আৰু ক'ভিড-১৯
  ৰঞ্জিতা ভট্টাচাৰ্য্য
- মটক জনগোষ্ঠীৰ পূৰ্বধৰ্মৰ ইতিহাস, তাওবাদ আৰু প্ৰকৃতিৰ বিবিধ উপাদানৰ সম্পৰ্কীয় ধৰ্মীয় বিশ্বাস
  নিত্যৰাজ চেতিয়া
- **Religious Practices and Festivals of Sonowal Kachari**
  **Bikash Sonowal**
- **Armed Forces Special Power Act**
  **Bitupan Dehingia**
- **Operation Flood and Impact on Assam**
  **Kaustabh Dehingia**

গল্প

- প্ৰেম নদীৰ নাৱৰীয়া
  অম্লানদ্বীপ শইকীয়া
- অভিৰুচি
  আৰতি ফুকন
- অস্তাচল ( প্ৰথম খণ্ড)
  মহিতোষ গোৱালা




# সূচীপত্ৰ


অণুগল্প

- চৰকাৰী চাকৰি
  পল্লৱী গগৈ
- স্নেপশ্বট
  কুমুদ কোঁৱৰ

উপন্যাস

- সপোনে গোপনে হেৰুৱালে বাট
  জ্যোতিপ্ৰিয়া কলিতা

চিনেমা আৰু ৱেবচিৰিজৰ সমালোচনা

- শ্লামড'গ মিলেনিয়াৰ (বস্তিৰ লক্ষপতি)
  ইফতিকাৰ আলম
- **It's okay not to be okay**
  প্ৰতিস্থিতা বৰুৱা

কবিতা

- মানৱ এক ইতিহাস হ'ব
  শৰ্মিষ্ঠা ৰাজগুৰু
- নাৰী তুমি সৰ্বশক্তি
  জয়া মেছ
- আইৰ আশাভুন
  অনিমা মৰাণ
- **I am the wild floret**
  **Sudaxina Das**
- **Your Eyes**
  **Amlan Kr. Das**
- **You will be always remembered**
  **Anwesha Chutia**
- **Pedong**
  **Chirajit Pegu**







# সূচীপত্ৰ


অনুভৱ

- স্বপ্নৰ আৱেশত নাহৰৰ দেশ
  অৰুণবাণী বৰদলৈ
- তৃণভোজী হ'বৰ হ'ল
  আকাংক্ষা বৰা
- After the Gone
  Shrestha Sharma

ক্ৰীড়াংগন

- বিশ্ব ক্ৰীড়াৰ প্ৰাচীন আৰু শ্ৰেষ্ঠ সমাৰোহ অলিম্পিক
  দ্বীপজ্যোতি গোৱালা

কলাৰ সমাহাৰ

Doodle Art প্ৰতিযোগিতাৰ পৰা নিৰ্বাচিত

Photography - “ছবি কথা”
  পাৰ্থ সাৰথি বৰদলৈ
  বিউটি পায়েং


মাহটোৰ বিশেষ Current Updates





বেটুপাতৰ শিল্পী

Taki Tayaba Hussain
3rd semester ,Centre for women's studies
Dibrugarh University




বিদেশৰ চিঠি

# বিদেশৰ চিঠি ১

দেৱাঞ্জন বৰঠাকুৰ

আমেৰিকা আৰু কানাডাত থকা প্ৰায় পাঁচ বছৰেই হ'বৰ হ'ল । তিতা , মিঠা নানান অভিজ্ঞতা বুটলিছোঁ । ক্ৰনলজিকেল ক্ৰমত ন'হলেও অ'ত ত'ত সিঁচৰতি হৈ থকা স্মৃতিৰ পৰা কিছু কথা উলিয়াই আনি এইলানি প্ৰৱন্ধত লিখিম । মেকমাষ্টাৰ বিশ্ববিদ্যালয়ৰ কিছু অভিজ্ঞতা এই খণ্ডত উল্লেখ কৰিম । লেবৰ প্ৰথমটো ক্লাছ লোৱাৰ সময়ৰ কথা , ইনফাৰেন্সিএল পৰিসংখ্যা বিজ্ঞান পঢ়াব লাগে । আন গৰাকী টিচিং এচিচটেণ্ট এ অৱশ্যে বহুত সহায় কৰি দিছিল । ল'ৰা ছোৱালীবোৰে একান্ত বাধ্য ছাত্ৰ ছাত্ৰীৰ দৰে আচৰণ কৰিছিল । তাতে অৱশ্যে CBCD অৰ্থাৎ ABCD ( American Born Confused Desi ) ৰ দৰেই ' কানাডিয়ান বৰ্ণ'দেশী নাম দিছোঁ, লৰা ছোৱালী ও আছিল । এই নামবোৰ মই দিয়া নাই, এই নামটো পপুলাৰ বিশেষকৈ আমেৰিকাত জন্ম হোৱা ভাৰতীয় সকলৰ । তাহাতি এইপাৰ সেইপাৰ কোন পাৰৰ ধৰিব নোৱাৰে বাবে চাগে কনফিউজদ নামটো পালে ! যি কি নহওঁক জীৱনত প্ৰথম বাৰৰ বাবে ক্লাছটো লৈ ভালেই লাগিল । দুগৰাকী মানে সুধিছে এনেকৈ উত্তৰ কৰিলে নম্বৰ কম দিব নেকি আপুনি ? এগৰাকীয়ে বাকীবোৰৰ হৈ যোৱাৰ পাছতো নোলোৱা দেখি মই নিজেই ওলাই আহিলোঁ , ক'লো মই যাও তুমি হৈ গ'লে জমা কৰি দিবা অনলাইনত ।ABCD ৰ কথা ওলালে যেতিয়া এখন চিনেমাৰ কথা মনলৈ আহিছে । নাম For Here or to Go ! আমেৰিকাত কিবা খাদ্য কিনিলে এই প্ৰশ্নটো কৰে, নতুন সকলে বুজি নাপায় কেতিয়াবা । চিনেমাখনত কেইজনমান বন্ধুৱে কথা পাতিছে এনেদৰে ,

বন্ধু ১: " তোৰ কম্পেনীৰ কণ্ট্ৰেক্ট শেষ যদি তোৰ আমেৰিকান সপোন ও ইমানতেই শেষ ।"

বন্ধু ২: "এনেকৈ নকৰি ভাই , মোৰ কাপোৰৰ পৰা টেগ এই আঁতৰোৱা নাই মই । "

বন্ধু ৩ : " আমি সকলো কম্পেনীৰ আশ্ৰয়ীত 'Bonded Labor' হয় ইয়াত । তই কানাডা গুচি যা তাত ভিজা ৰ প্ৰব্লেম নাই , ঠাণ্ডাত মৰিব পাৰ কিন্তু ইজ্জত কি মৌত পাবি ।"

বেচেৰা বন্ধুৱে তেওঁলোকৰ পৰামৰ্শ শুনি মন মাৰি বহিল । এইয়া চিনেমাখনৰ এটা অংশৰ কাহিনী ।

পৰিসংখ্যা বিজ্ঞানৰ ক্লাছটোৰ টিউটৰিয়েলবোৰ এচ পি এচ এচ নামৰ চফ্টৱেৰ এটাত কৰাব লাগে । 'R' নামৰ ওপেন চৰ্চ্ প্ৰগ্ৰেমিং লেংগুৱেজটোতো পৰিসংখ্যা বিজ্ঞানৰ এনালাইছিছ বোৰ কৰিব পাৰি । ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আগদিনা টিউটৰিয়েল তৈয়াৰ কৰোঁ আৰু পাছদিনা ক্লাছত সিঁহতক বুজাই দিব লাগে । ডাটাবোৰ ডাউনলোড কৰি তাত পৰিসংখ্যা বিজ্ঞানৰ সিদ্ধান্তবোৰ প্ৰয়োগ কৰিব লাগে ।

ছাত্ৰ ছাত্ৰী সকল বিষয়টো শিকাৰ প্ৰতি যথেষ্ট আগ্ৰহী আছিল । সেইটো বিষয় প্ৰায় এটা চেমিষ্টাৰ পঢ়ালোঁ । এইখিনি ক'ভিডৰ আগৰ কথা । তেতিয়া ক্লাছৰুমত পঢ়াব লাগিছিল । এতিয়া হয়তো ক্লাছবোৰ ভিডিঅ' কলৰ যোগেদি হৈছে । মেকমাষ্টাৰত চাৰিশৰো অধিক ছাত্ৰ ছাত্ৰীৰ কৰ্ছত 'টিচিং এচিষ্টেণ্ট' হোৱাৰ সৌভাগ্যও হৈছিল । সেই বিষয়ে পাছৰ অধ্যায়ত বৰ্ণনা কৰিম । পৰীক্ষাবোৰ সাধাৰণতে ক্লাছৰুমতেই হৈছিল । মাল্টিপল চইছ প্ৰশ্নবোৰৰ উত্তৰবোৰ 'Optical Mark reading ' কাগজত ছাত্ৰ ছাত্ৰী সকলে লিখি দিয়ে আৰু আমি পাছত সেইবোৰ স্কেন কৰি ৱেবচাইটত আপল'ড কৰিব লাগে । 'বিষয়ভিত্তিক প্ৰশ্ন' বা 'subjective' প্ৰশ্নও কোনো কোনো পৰীক্ষাত থাকে । তেতিয়া সেই প্ৰশ্নবোৰৰ বেলেগকৈ গ্ৰেডিং কৰিব লাগে । এই ওপৰত উল্লেখ কৰা 'CBCD' কিছুৱে অলপ অচৰপ আমনি নিদিছিল এনে নহয় , কিন্তু পঢ়াৰ প্ৰতি আগ্ৰহ সকলোৰে আছিল । নম্বৰৰ প্ৰতি মোহো আছিল, যি কি নহওঁক কানাডাৰ এখন বিশ্ববিদ্যালয়ত প্ৰথমটো ক্লাছ পঢ়োৱাৰ এই অভিজ্ঞতা অবিস্মৰণীয় হৈ ৰ'ল ।

********

# প্ৰবন্ধ



# অসমত ভাষা অধ্যয়নৰ প্ৰাসংগিকতা

ভৰত দাস
অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ভাষা হ'ল মানৱ মনৰ ভাব প্ৰকাশৰ এক মাধ্যম। ভাষাৰ অবিহনে কোনো এটা জাতিৰ নিজস্বতা ধৰি ৰাখাটো অসম্ভৱ হৈ পৰে । ভাষা এটাই সংশ্লিষ্ট জনগোষ্ঠীটোকে প্ৰতিনিধিত্ব কৰে এনে নহয় , ভাষাটোৰ প্ৰচলন হৈ থকা ৰাজ্য অথবা ৰাষ্ট্ৰখনকো ক্ষমতাশালী কৰে ।অধ্যয়ন,চৰ্চা, সম্প্ৰসাৰণ আৰু সংবৰ্ধন অবিহনে কোনো এটা ভাষা চিৰদিন জীয়াই থাকাটো সম্ভৱ নহয়।অধ্যয়ণ আৰু চৰ্চা অভাৱত পৃথিৱীৰ বুকুৰ পৰা বহুতো ভাষা হেৰাই যোৱাৰ উপক্ৰম হৈছে।বিভিন্ন সময়ত ভাৰতৰ উত্তৰ-পূৱাঞ্চলৰ অৱস্থিত অসম ভুমিলৈ বিভিন্ন আৰ্য আৰু আৰ্যভিন্ন ভাষীলোকৰ প্ৰবজন ঘটি আছে। এনেদৰে বিভিন্ন ঠাইৰ পৰা অহা আৰ্য, অষ্ট্ৰিক, চীন-তিব্বৰ্তীয় আৰু দ্ৰাবিড় এই চাৰিটা ভাষা পৰিয়ালৰ লোক অসম তথা উত্তৰ-পূৱ বিভিন্ন অঞ্চলত বসবাস কৰি আছে।এনেদৰে বিভিন্ন সময়ত অহা নানা প্ৰজাতিৰ লোকসকলে অসম ভুমিত বসতি স্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত এই জনগোষ্ঠীবোৰৰ মাজত বৈচিত্ৰ্য মাজত ঐক্য ভাব বিৰাজ কৰা পৰিলক্ষিত হয়।বিভিন্ন সময়ত অসমলৈ অহা অনান্য ভাষাগোষ্ঠী সমূহৰ সমপৰিমাণে চীন- তিব্বৰ্তীয় ভাষাসমূহৰ অধ্যয়নৰ অতিকে প্ৰয়োজন।বতৰ্মান সময়ত অসমত প্ৰচলিত এই ভাষা সমূহ অনান্য ভাষাৰ তুলনাত বিপন্ন দিশে গতি কৰিছে।এনেক্ষেত্ৰ এই ভাষা সমূহৰ অধ্যয়ন প্ৰয়োজনীয়তা অতিকে বেছি।

পৃথিৱীৰ দ্বিতীয় বৃহৎ ভাষা পৰিয়াল হৈছে চীন- তিব্বতীয় ভাষা পৰিয়ালৰ এই ভাষা পৰিয়াল অন্তৰ্গত ভাষাসমূহ এচিয়াৰ পূৱ আৰু দক্ষিণ-পূৱ অঞ্চলৰ বিশাল ভূ- খনডত প্ৰচলন হৈ আছে।নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা এই চীন-তিব্বতীয় ভাষা পৰিয়াল লোক সকল ইন্দো - মংগেলীয় বা মঙ্গলয়ড গোষ্ঠীৰ অন্তৰ্ভুক্ত। এই ভাষা পৰিয়ালৰ পৰা চীন, তিব্বত, শ্যাম দেশ' ব্ৰহ্মদেশ আৰু উত্তৰ- পূৱ ভাৰতত প্ৰচলিত প্ৰধান ভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ ঘটিছে।ভৌগোলিক অৱস্থান আৰু ভাষাৰ আকৃতিগত বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি চীন তিব্বতীয় ভাষা পৰিয়ালক প্ৰধানকৈ দুটা শাখাত ভাগ কৰিব পাৰি। এই ভাগ কেইটা হৈছে-

.তিব্বতবৰ্মী

.থাই-চীন বা শ্যাম- চীনীয়

গ্ৰীয়াৰ্ছনে তিব্বতবৰ্মী শখাৰ ভাষা সমূহক প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিছে ।যেনে তিব্বৰ্তীয়, হিমালয়ী, উত্তৰ -অসম আৰু অসম-বৰ্মী ।ইয়াৰে উত্তৰ অসম আৰু অসমবৰ্মী ভাষা সমূহে অসম তথা অৰুনাচল নাগালেন্ড, ত্ৰিপুৰা, মণিপুৰত প্ৰচলন আছে। উত্তৰ অসম ভাষা সমূহ হ'ল অকা, ডফলা, মিচিং, আদী, মিচিমি, মনপা, আপাতানি, ছেৰদুকপেন , ৰাংছু, চিংফৌ আদি। অসম-বৰ্মী ভাষা সমূহক বড়ো - নগা, কুকিচীন আৰু বৰ্মী এই তিনিটা উপশাখাত ভাগ কৰিব পাৰি। বড়ো উপশাখা ভাষাবোৰ হ'ল বড়ো,গাৰো , ৰাভা, তিৱা, ডিমাছা, কাৰবি, হাজং আৰু টিপৰা। নগা উপশাখা ভাষাবোৰ হ'ল নগা ,পূব নগা, পশ্চিম নগা,আৰু মধ্য নগা। কুকি চীন উপশাখা ভাষাকেইটা হ'ল কুকি চীন, মেইতেই, মিজো আৰু লুচাই।

শ্যাম- চীনীয় শাখটোক গ্ৰিয়াৰ্ছনে দুটা ভাগ কৰিছে । চীন বা চীনীয় আৰু টাই বা থাই । শ্যাম- চীনীয়া শখাৰ ভাষাসমূহক অসমত টাইগোষ্ঠীয় ভাষা নামেৰে জনা যায়। অসমত পোৱা এই থলুৱা ৰুপকেইটা হ'ল টাই আহোম , টাই ফাকে, টাই খামতি, টাই টুৰুং, টাই আইতন , আৰু টাই খাময়াং ।

অসমত প্ৰচলিত তিব্বতবৰ্মী ভাষা সমূহৰ বড়ো ভাষাৰ বাহিৰে অনান্য ভাসমূহৰ ভাষিক স্হিতি সবল নহয় । কাবি , মিছিং , ৰাভা,গাৰো, আৰু ডিমাছা ভাষাৰ বিভিন্ন ক্ষেত্ৰত চচা হৈছে যদিও এই ভাষাসমূহৰ অধ্যয়নৰ বহুতো থল আছে। তদুপৰি দেউৰী, তিৱা আৰু চিংফৌ ভাষা সাম্প্ৰতিক সময়ত সংকটাপন্ন ভাষা হিচাপে চিহ্নিত হৈছে। গতিকে এই ভাষা সমূহৰ অধ্যয়নৰ অতিকে প্ৰয়োজনীয় হৈ পৰিছে। নহ'লে সময়ৰ সোঁতত এই ভাষাসমূহ বিলুপ্ত দিশে গতি কৰিব।

অসমত প্ৰচলিত শ্যাম- চীনীয় ভাষা সমূহৰো ভাষিক স্হিতি ইমান সবল নহয়। ইউনেস্ক'ৰ সমীক্ষাত খাময়াং ভাষাটো বিপন্নপ্ৰায় ভাষাসমূহৰ তালিকাত অন্তভুক্ত হৈছে।তদুপৰি এই শাখাৰ টাই আহোম, টাই খামতি, টাই ফাকে, টাই টৰুং আৰু টাই আইতন ভাষাৰো বিজ্ঞানসন্মত যথোপযুক্ত অধ্যয়নৰ অভাৱত সংকটাপূণ ভাষা হিচাপে চিন্হিত হৈছে। তদুপৰি টাই আহোম ভাষা বিলুপ্তিৰ দিশে গতি কৰিছে।

বতৰ্মান সময়ত বিশ্বায়ন বা গোলকীকৰণৰ প্ৰভাৱত অসমৰ অনান্য ভাষাসমূহৰ লগতে চীন-তিব্বতীয় ভাষা গোষ্ঠীৰ ভাষা সমূহৰো বিপন্ন অৱস্হাৰ মুল কাৰণ হৈ পৰিছে। তদুপৰি ভাষিক সংখ্যালঘু, ভাষিক সচেতনতা অভাৱ, ঔপভাষিক ভিন্নতা, সুৰ প্ৰধান ভাষা, দ্বিভাষিক আৰু বহুভাষিকত্ব, লিপিহীন আৰু ৰোমান লিপি জনপ্ৰিয়তা, নগৰমুখীতা, সংযোগী ভাষা হিচাপে অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাৰ প্ৰভাৱ, শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা প্ৰয়োগ নোহোৱা , আৰু অথনৈতিক অনগ্ৰসৰতা আদি কাৰণ সমূহে ভাষা

সমূহৰ ভাষিক স্থিতি দুবল কৰিছে। সেয়েহে বতমান সময়ত এই ভাষাসমূহৰ অধ্যয়ন অতিকে প্ৰয়োজন হৈ পৰিছে।

ইউনেস্ক'ৰ সমীক্ষা অনুসৰি বতৰ্মান ভাৰতবৰ্ষতো ৭৮০টা জীৱিত ভাষাৰ ভিতৰত ১৯৭টা মান ভাষাই বিপন্ন গৰাহত পৰিছে।এই সমীক্ষাত অৰুনাচলৰ কেইবাটাও ভাষাৰ লগতে অসমৰ খামিয়াং আৰু টুৰুং ভাষা বিপন্নপ্ৰায় ভাষাসমূহৰ তালিকাত অন্তভুক্ত হৈছে ।সাম্প্ৰতিক সময়ত অসমত প্ৰচলিত চীন - তিব্বৰ্তীয় ভাষাসমূহৰ লগতে অনান্য ভাষাসমূহৰো সংৰক্ষণ বাবে বিভিন্ন পদক্ষেপ হাতত লোৱাৰ প্ৰয়োজন আহি পৰিছে। বিভিন্ন সময়ত এই ভাষা সমূহৰ অধ্যয়ন হৈছে যদিও ই পযাপ্ত নহয়।

অসমত প্ৰচলিত চীন-তিব্বৰ্তীয় অন্তৰ্গত ভাষাসমূহৰ উপৰি অনান্য ভাষা সমূহৰ সংৰক্ষণৰ বাবে লবলগীয়া বিভিন্ন পদক্ষেপসমূহ তলত উল্লেখ কৰা হ'ল--

.ভাষা এটা সংৰক্ষণৰ বাবে প্ৰথমে ভাষাটোৰ ভাষাতত্ত্বিক আৰু বিজ্ঞানসন্মত বিচাৰ বিশ্লেষণ কৰিব লাগিব।ভাষাসমূহৰ ধ্বনিগত, ৰুপগত,আৰু বাক্যগত দিশত পুংখানুপুংখ ভাৱে বিশ্লেষণ হব লাগিব।

.অসমৰ জনগোষ্ঠীসকলৰ মাজত যথেষ্ট পৰিমাণে লোকসাহিত্য অন্তগত লোকগীত, সাধুকথা, প্ৰবাদ-পটন্তৰব, ফকৰা -যোজনা, আদি মৌখিক সাহিত্যৰ সমল পোৱা যায়। ভাষা এটা বিপন্ন হলে এই সমলবোৰো স্বৰ্তস্ফূতভাৱে হেৰাই যাব । সেয়ে ভাষাৰ অধ্যয়নৰ জৰিয়তে এই লোক সাহিত্যসমূহৰ সংৰক্ষণত সহায় হ'ব । আৰু এই লোকসাহিত্যসমূহৰ সংৰক্ষণৰ জৰিয়তে ভাষাসমূহক বিপন্নপ্ৰায় অৱস্থাৰ পৰা মুক্ত কৰিব পৰা হ'ব।

.অসমৰ ভাষা সমূহৰ ভাষিক জৰীপ যেনেদৰে হব লাগিছিল আজি পৰ্যন্ত তেনেধৰণে ভাষিক জৰীপ হোৱা পৰিলক্ষিত হোৱা নাই।ভাষিক জৰীপৰ জৰিয়তে অসমৰ ভাষাসমূহ পোহৰলৈ আনি প্ৰত্যেকৰে ভাষিক পৰিচয়ৰ নিণয় কৰাৰ লগতে ভাষাসমূহক পৰিয়ালভুক্ত কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে।

.লিপিহীন ভাষা সমূহৰ স্থায়ী লিপি নিদ্ধাৰণ কৰিব লাগিব।য'ত ভাষাসমূহে সাহিত্য চচা পৰিবেশ এটা লাভ কৰিব পাৰে।

.ৰেডিঅ' , টেলিভিচন , বাতৰি -কাকত আদি জন-সংযোগ ব্যৱস্থাৰ জৰিয়তে অসমৰ জনগোষ্ঠী ভাষাসমূহৰ মাজত প্ৰচলিত গীত-মাত- নৃত্য আদি প্ৰচাৰ কৰিব লাগিব।বিভিন্ন ছছিয়েল মেডিয়া যেনে ফেচবুক,

টুইটাৰ, অৰকুট, হোৱাটছ আপ আদিত জনগোষ্ঠীসমূহৰ বিবিধ দিশত লুকাই থকা প্ৰতিভাক প্ৰকাশ কৰিবলৈ জন-সংযোগৰ ব্যৱস্থাপনাৰ লগতে জনসাধাৰণে উদ্যাগ ল'ব লাগিব ।

.সংশ্লিষ্ট জনগোষ্ঠীসমূহৰ ভাষা সম্পকে অভিজ্ঞ ব্যক্তিক আমন্ত্ৰণ কৰি আলোচনা চক্ৰ , কমৰ্শালা পাতি ভাষা - সংস্কৃতি সংৰক্ষণৰ প্ৰতি সচেতনতাৰ মনোভাৱ জাগ্ৰত কৰিব লাগে। যাতে নৱপ্ৰজন্মই নিজৰ ভাষা সম্প্ৰসাৰণ বাবে সংকল্পবদ্ধ হয়।

. ভাষা বিজ্ঞানৰ বিভিন্ন ধাৰা বোৰ যেনে কম্পিউটাৰ ভাষা বিজ্ঞান, কৰপাচ ভাষাবিজ্ঞান,শৈলী ভাষাবিজ্ঞান,প্ৰায়োগিক ভাষাবিজ্ঞান, সমাজ ভাষা বিজ্ঞান, তুলনামূলক আৰু বৈপৰ্ৰীত্যমূলক ভাষাবিজ্ঞান আদি ধাৰাবোৰ প্ৰয়োগ কৰি অসমৰ থলুৱা ভাষা সমূহ অধ্যয়ন কৰি ভাষাসমূহক এক বিশেষ মাত্ৰা প্ৰদান কৰিব লাগিব।

অসমত প্ৰচলন হৈ থকা ভাষাসমূহৰ বিভিন্ন ক্ষেত্ৰত কম বেছি পৰিমানে অধ্যয়ন হৈছা যদিও বতমান সকলোবোৰ ভাষাৰ ভাষিক পৰিচয় স্পষ্ট হৈ উঠা নাই। ভাষাসমূহৰ যেনেদৰে বিজ্ঞানসন্মত অধ্যয়ন হব লাগিছিল তেনেদৰে হোৱা নাই । অৱশ্য গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু উত্তৰ- পূব পাবৰ্ত্য বিশ্ববিদ্যালয়, আদিয়ে ভাষাসমূহ অধ্যয়নৰ দিশত নিজাকৈ কিছু কিছু কাম কৰিছে। তদুপৰি মহীশূৰত প্ৰতিষ্ঠিত ভাৰতীয় ভাষা সংস্থা নামৰ কেন্দ্ৰীয় চৰকাৰ প্ৰতিষ্ঠানটোৱে উত্তৰ-পূব ভাষাসমূহৰ বিভিন্ন দিশত আলোচনা চক্ৰ , কমৰ্শালা

আদি আয়োজন কৰি কথিত ভাষাবোৰৰ বহুতো দিশ পোহৰলৈ আনিবলে যত্ন কৰা পৰিলক্ষিত হৈছে।যদিও কিছুমান ভাষা অধ্যয়নৰ প্ৰথামিক পযায়তে আছে। এই ক্ষেত্ৰত অসম সাহিত্য সভাকে প্ৰমুখ্য কৰি আন আন জাতীয় সংগঠনসমূহ, ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, মনোযোগ আৰু সহযোগীতাৰ প্ৰয়োজন আছে।

-- সহায়ক গ্ৰন্থ --

১) কোঁৱৰ অৰ্পণা ,অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন' প্ৰথম প্ৰকাশ ২০২০, বনলতা, ডিব্ৰুগড়

২)কোঁৱৰ অৰ্পনা, অসমত ভাষা অধ্যয়ন, প্ৰথম প্ৰকাশ ডিচেম্বৰ ২০২০,অসম সাহিত্য সভা

৩)বৰুৱা ভীমকান্ত, অসমৰ ভাষা পৰিবৰ্ধিত সংস্কৰণ জানুৱাৰী ২০১০, বনলতা ডিব্ৰুগড়

# সংগ্ৰামী সত্তা 'অম্বিকাগিৰী ৰায়চৌধুৰীঃএটি চমু আলোকপাত'

অৰ্চনা কলিতা
ষষ্ঠ ষান্মাষিক(বাণিজ্য) , ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়
দূৰভাষ (৮৬৩৮৯১১৯৮০) , ইমেইল (archanakalita520@gmail.com)

"এইটো নহয় হাঁহি-তামাচাৰ ভাগৰ জুৰোৱা গান,

ইয়ে জীৱন মৰণ একাকাৰ কৰা অগ্নিবীণাৰ তান ।

ইয়ে শত অপমান লাঞ্ছনা হানি উজৰা অসীম তাপ,

ইয়ে ৰূদ্ধ আত্মশকতি নিজৰি ওলোৱা অনল ভাঁপ । ইয়ে সুধাৰ কাৰণে দেৱ-দানৱৰ সিন্ধু-মথন-গান,

ইয়ে মৃত্যুঞ্জয় পদৰ কাৰণে মহা হলাহল পান,

ইয়ে মাতৃ চৰণ পূজাৰ কাৰণে মুক্ত উদাৰ দান,

ইয়ে ভাই ভাই সবে একেটি কথাতে এক হৈ যোৱা প্ৰাণ"

অসমীয়া ঐতিহ্য আৰু অস্তিত্ব ৰক্ষাৰ সংগ্ৰামখনৰ কাণ্ডাৰীস্বৰূপ "অসম কেশৰী" খ্যাত বহমাত্ৰিক ব্যক্তিত্ব সম্পন্ন "অম্বিকাগিৰী ৰায়চৌধুৰী" অসমৰ জাতীয়তাবাদৰ প্ৰেক্ষাপটৰ এটা সংগ্ৰামী সত্তা । তেখেতৰ জাতীয়বাদী চিন্তা, ধাৰণাই তথা আদৰ্শই অসমীয়া জাতীয় জীৱনত যথেষ্ট সাঁচ বহুৱাই গৈছে । অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে জীৱন উচ্চৰ্গা কৰা এনে এগৰাকী সংগ্ৰামী সেনানীৰ জন্ম হৈছিল ১৮৮৫ চনৰ ১৮ ডিচেম্বৰত বৰপেটাৰ বিখ্যাত সম্ভ্ৰান্ত ৰায়চৌধুৰী পৰিয়ালত । তেখেতৰ পিতৃ আছিল কৃষ্ণৰাম ৰায়চৌধুৰী আৰু মাতৃ দেৱকী দেৱী । তেখেতে প্ৰাথমিক শিক্ষা বৰপেটাত শেষ কৰি পৰৱৰ্তী সময়ত গুৱাহাটীৰ উচ্চ ইংৰাজী বিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে শিক্ষা বৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে । তেখেতৰ এই সিদ্ধান্তৰ মূলত লুকাই আছিল এক জাতীয়তাবাদ । এই চিন্তাৰ পৰিপ্ৰেক্ষিতত ৰায়চৌধুৰীয়ে তেখেতৰ সমনীয়াৰ সৈতে একলগ হৈ নিধিৰাম দাসক কেপ্তেইন ছেক্ৰেটেৰী পাতি গঠন কৰিছিল "সেৱা সংঘ" নামৰ এটা অনুষ্ঠানৰ ।

পাছত সংঘৰ কামতে মনপুতি লাগিবলৈ তেখেতে স্কুলীয়া শিক্ষা অষ্টম মানতে বিসৰ্জন দিয়ে । পাছলৈ তেখেতে স্বদেশী আন্দোলনৰ সমান্তৰালকৈ কিছুমান সামাজিক উন্নয়নমূলক, গঠনমূলক, সাহিত্য-সংস্কৃতিমূলক কামত নিজকে আত্মনিয়োগ কৰিছিল । তেখেতৰ প্ৰতিটো কৰ্মতেই, তেখেতৰ প্ৰতিটো চিন্তাটেই প্ৰতিফলন ঘটিছিল অসম আৰু অসমীয়াৰ প্ৰতি থকা এক বিৰল প্ৰীতি, আন্তৰিকতা আৰু জাতীয়াবাদী মনোভাৱ ।


সংঘত কাম কৰি থকাৰ কালতেই ৰায়চৌধুৰীৰ প্ৰবল ইচ্ছা জাগিছিল ব্ৰিটিছ বিৰোধী এনৰ্কিষ্ট পাৰ্টি গঠন কৰাৰ । "অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী"ৰ পৃষ্ঠা নং ৬৫৮ত তেখেতে অসমৰ এনাৰ্কিষ্ট পাৰ্টি কেনে হ'ব ,সেই বিষয়ে এনেধৰণে ব্যাখ্যা কৰিছে,".....অসমৰ পৰা ব্ৰিটিছক উল্লেখ কৰিবলৈকে আমি নিজৰ ভিতৰত খুলিম,বংগ ভংগ আন্দোলনত মাত্ৰ বঙালীৰ স্বাৰ্থ, কলিকতাৰ এনাৰ্কিষ্ট দলৰ অধীনত কিয় চলিম?"। অসমক পূৰ্ববংগৰ সৈতে সাঙুৰি দিয়াৰ বিৰুধীতাৰে তেখেতে এই দল গঠনত ব্যগ্ৰ হৈ পৰিছিল আৰু দল গঠনৰ পোনছাটেই ব্ৰিটিছৰ মান্দা বাংলাটো ধ্বংসৰ হিংসাত্মক পন্থা গ্ৰহণ কৰিছিল ।

অম্বিকাগিৰী ৰায়চৌধুৰীয়ে সংগ্ৰাম কৰিছিল অসমীয়াৰ অধিকাৰৰ বাবে, জাতীয় ভাষাৰ বাবে, জাতীয় শিক্ষাৰ বাবে, জাতীয় মৰ্য্যদা ৰক্ষাৰ বাবে, জাতীয় স্বাৰ্থৰ বাবে, জাতীয় অৰ্থনীতিৰ বাবে । এনেবোৰ সংগ্ৰামেই হৈছে তেখেতৰ জাতীয়তাবাদী ভাৱনাৰ প্ৰকাশক ।

এসময়ত অসমত বিশেষকৈ বৰপেটাত বহুতে মত পোষণ কৰিছিল যে অসমীয়া ভাষা নাটকৰ বাবে উপযোগী নহয় । কিন্তু ৰায়চৌধাৰীয়ে নিজৰ তৰ্ক- যুক্তি আৰু দৃঢ় মনোভাৱেৰে মানুহৰ মাজত থকা অসমীয়া ভাষাৰ প্ৰতি এনে এক নিকৃষ্ট মানসিকতাক নাশ কৰি, প্ৰায় দুমাহৰ ভিতৰত "জয়দ্ৰথ বধ" আৰু "ভক্ত গৌৰৱ" নামৰ দুখন অসমীয়া নাটক প্ৰতিষ্ঠা কৰি দেখুৱাইছিল । এয়া সম্ভৱ হ'ল কেৱল জাতিটোৰ প্ৰতি থকা স্নেহাসিক প্ৰৱলতাৰ বাবে আৰু ইয়েই প্ৰমাণিত কৰে তেখেতৰ অন্তৰত থকা গভীৰ জাতীয়তাবাদক ।

অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত অম্বিকাগিৰী ৰায়চৌধুৰীৰ অৱদানসমূহ যথেষ্ট অমূল্য । তেখেতৰ একান্ত কঠোৰ পৰিশ্ৰমৰ ফলশ্ৰুতিত স্থাপন হৈছিল অৰুণা প্ৰেছ ।ইয়াৰ মূল উদ্দেশ্য আছিল নিজাকৈ কাকত ছপা কৰা । পৰৱৰ্তী সময়ত এই প্ৰেছৰ পৰাই প্ৰকাশ কৰা হয় মাহেকীয়া আলোচনী "চেতনা"। স্বাধীনতা আন্দোলন,

ৰাজনৈতিক চিন্তাধাৰা, অৰ্থনৈতিক কাৰ্যকলাপ, দেশী বিদেশী বিবিধ সমস্যা তথা অসমৰ জাতীয় সমস্যা আদিৰ সমান্তৰালকৈ সাহিত্য, সংস্কৃতি, ব্যৱসায়, বাণিজ্য, জ্ঞান, বিজ্ঞান, দৰ্শন আদি বিষয়সমূহ ইয়াত বিষদ তথা বহুল ভাৱে প্ৰকাশ পাইছিল । অম্বিকাগিৰীৰ এটা কথা সচাঁকৈয়ে শলাগ ল'বলগীয়া যে জাতিটো প্ৰতি তেখেতৰ



ভালপোৱাৰ প্ৰৱণতা ইমানেই আছিল যে জাতিটোৰ স্বাৰ্থত ব্যাঘাত হোৱা কোনো বাহিৰা বনিয়াৰ ব্যৱসায়ৰ বিজ্ঞাপন প্ৰকাশ কৰা নাছিল ।

ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ কালছোৱাত কাৰাবাস খটাৰ সময়ত তেখেতে 'তই ভাঙিব লাগিব শিল', 'ধৰ ঝাৰু ধৰ ভাই', 'কি দেখাবি ভয় কাৰাগাৰ' আদি সংগ্ৰামী গীত ৰচনা কৰিছিল । তেখেতৰ প্ৰকাশিত কবিতা পুথিসমূহৰ অন্যতম 'অনুভূতি', 'স্থাপন কৰ,স্থাপন কৰ', 'বেদনাৰ উল্কা' আৰু 'আজি বন্দো কি ছন্দেৰে' আনহাতে গদ্যৰ ভিতৰত অন্যতম 'আহুতি', 'ডেকা-ডেকেৰীৰ বেদ'। ১৯৫০ চনত তেখেতেই মাৰ্ঘেৰিটা অধিৱেশনৰ অসম সাহিত্য সভাৰ সভাপতিত্ব পদ অলংকৃত কৰিছিল ।

কবি, লেখক, গায়ক, সংবাদ-সেৱী, আলোচনী সম্পাদক, দেশপ্ৰেমিক, সমাজ-সেৱক, স্বাধীনতাৰ অগ্ৰণী সেনানী অম্বিকাগিৰী ৰায়চৌধুৰী হৈছে অসমীয়া জাতিটোৰ এটা জাতীয় সত্তা, জাতীয় গৌৰৱ, জাতীয় স্বাভীমান । তেখেতৰ এই ভাৱধাৰাৰ স্ৰোতত লুকাই থকা জাতীয়বাদী আদৰ্শ সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎস ।

# সাম্প্ৰতিক শিক্ষা ব্যৱস্থা আৰু ক'ভিড-১৯

---

ৰঞ্জিতা ভট্টাচাৰ্য্য

সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰ,ডিব্ৰুগড় বিশ্ববিদ্যালয়

পৃথিৱীৰ প্ৰতিটো জীৱ সময়ৰ দাস। মানুহে যিমানেই সময়ক পিছপেলাই আগবাঢ়িব বিচাৰে, সময়ে পুনৰ ওভতাই আনি সেই স্থানতে ৰাখে। বৰ্তমানৰ কৰ'ণা মহামাৰীৰ ভয়ানক সময়ে তাকে পুনৰবাৰ প্ৰমাণ কৰিছে। প'জিটিভিটিৰ দৌৰত আমি এতিয়া নিগেটিভিটিৰ প্ৰচাৰত নামিছোঁ ; কৰ'ণা সংক্ৰমণ নিগেটিভ হোৱা মানেই আমি এৰিছো স্বস্তিৰ নিশ্বাস। লকডাউন বা তলাবন্ধ সম্পৰ্কে কোনোধৰণৰ পূৰ্বানুমান নাথাকোতেই জীৱনটোৰ নতুনকৈ আৰম্ভ কৰা প্ৰতিটো পুৱাই তলাবন্ধ হৈ উশাহ ল'বলগীয়া হ'ল। মুঠৰ ওপৰত ৰাজ্যখনৰ সামাজিক, অৰ্থনৈতিক, শৈক্ষিক আদি প্ৰতিটো ব্যৱস্থাতে ব্যাপক আউল লাগিল। কৰ'ণাৰ দ্বিতীয়টো ঢৌৱে সমগ্ৰ বিশ্বৰ প্ৰায়বোৰ দেশৰ উপৰিও সৰ্বাধিক ক্ষতিসাধন কৰিছে ভাৰতবৰ্ষক। বিগত বৰ্ষৰ কৰ'ণাই কাল ধুমুহাৰ দৰে দেশৰ জনজীৱন যিদৰে তচনচ কৰি থৈ গ'ল, সেই বিপৰ্যয় এতিয়াও অব্যাহত। আন সকলো কথা একাষৰীয়াকৈ ৰাখি কেৱল যদি শিক্ষাৰ্থীসকললৈ চাও তেন্তে দেখিম তেওঁলোকৰ অপূৰণীয় ক্ষতিৰ ছবিবোৰ। যি সময়ত অনন্য শক্তিৰ অধীকাৰী এই ছাত্ৰ-ছাত্ৰীসকল মুক্তমনে বিচৰণ কৰিব লাগিছিল,তেওঁলোক সেইসময়ত গৃহবন্দী হৈ থাকিবলগীয়া হৈছে আৰু নিৰ্দেশনা আহিছে অনলাইন পাঠদান অৰ্থাৎ অনলাইন শিক্ষা ব্যৱস্থাৰ। বিগত বৰ্ষৰ শিক্ষাই আকৌ এবাৰ প্ৰমাণ কৰি গ'ল লাভৱান হ'ব নোৱাৰা মূল্যায়নৰ ফলাফলৰ কথা। বিগত বৰ্ষত আতংকময় পৰিস্থিতিত পঢ়া-শুনা কৰা তথা অনলাইন শিক্ষাৰ বহু সীমাবদ্ধতা থকাত শিক্ষাৰ্থীসকলে আশানুৰূপ ফলৰ পৰা বঞ্চিত হৈছে। আনকি ৰাজ্যৰ চিকিৎসা তথা অভিযান্ত্ৰিকৰ দৰে অন্যান্য শিক্ষাৰ্থীয়েও সন্মুখীন হৈছে একেই সমস্যাৰ।

ভাৰতবৰ্ষত অনলাইন শিক্ষাই ব্যাপকতা লাভ কৰিবলৈ এতিয়াও বহুদূৰ বাকী। যদিও ভাৰত চৰকাৰে ডিজিটেল ইণ্ডিয়াৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিছে তথাপি আজিপৰ্যন্ত ভাৰতবৰ্ষৰ আন কিছুমান ৰাজ্যৰ দৰে অসমতো বৰ্তমানলৈকে অভিযোগবিহীনভাৱে ৪জি অথবা ৩জি নেটৱৰ্কৰেই সুবিধা নাই। তদুপৰি নিতৌ গ্ৰামাঞ্চলে সন্মুখীন হয় দীঘলীয়া বিদ্যুৎ কৰ্তনৰ দৰে সমস্যাৰ। পৰিয়ালৰ আৰ্থিক অৱস্থা, সামাজিক

মৰ্যাদা, অভিভাৱকৰ শিক্ষাৰ মান আৰু লগতে তেওঁলোকৰ আৱাসিক এলেকাৰ ওপৰত নিৰ্ভৰ কৰি সমস্যাৰ প্ৰকাৰ ভিন্নধৰণৰ। গৰিষ্ঠসংখ্যক পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ হেতু ভাত-কাপোৰৰ বাবেই দিনটোৰ বেছিভাগ সময় ব্যস্ত থাকিবলগীয়া হয়, তেওঁলোকৰ বাবে এটা লেপটপ বা এটা স্মাৰ্টফ'ন যোগাৰ কৰাটো সহজসাধ্য নহয়। যাৰবাবে যোৱাবছৰৰ লকডাউনৰ সময়ত অনলাইন শিক্ষাই ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীক সামৰি লোৱাত ব্যৰ্থ হয়। প্ৰতিটো বস্তুৰ ইতিবাচক আৰু নেতিবাচক দুটা দিশ থকাৰ দৰে এই অনলাইন শিক্ষা ব্যৱস্থাৰো ইতিবাচক দিশ নথকা নহয়। বৰ্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখি আমি এই ব্যৱস্থাক আঁকোৱালি ল'বই লাগিব কাৰণ একেবাৰে পাঠ্যক্ৰমৰ পৰা দূৰত থকাতকৈ অন্ততঃ কিছু সংখ্যকে হ'লেও পঢ়া-শুনাৰ সৈতে যুক্ত হৈ থাকিব পাৰিছে, যাক আমি বহুতো বেয়াৰ মাজত ভাল লক্ষণ বুলি ধৰিব লাগিব। এই অনলাইন শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ একঘেয়ামী গৃহবন্দী জীৱনলৈ সামান্য হ'লেও পৰিৱৰ্তন আনিছে। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত ই নিশ্চয় ইতিবাচক প্ৰভাৱ পেলাইছে। কিন্তু এই অনলাইন ক্লাচ বা সাম্প্ৰতিক শিক্ষা ব্যৱস্থাই যে নেতিবাচক প্ৰভাৱ নাইপেলোৱা তেনে নহয়। এই পদ্ধতিৰে শিক্ষা গ্ৰহণৰ পৰা বিৰত থাকিবলগীয়া শিক্ষাৰ্থীৰ মাজত বৈষম্যৰ সৃষ্টি হৈছে যাৰবাবে হীনমন্যতাবোধ সৃষ্টি হোৱাৰ সম্ভাৱনাই প্ৰবল। আনহাতে শ্ৰেণীকোঠাৰ পাঠদানত ছাত্ৰ ছাত্ৰীসকলে ভাব আদান প্ৰদানৰ ক্ষেত্ৰত যিমান স্বাধীনতা লাভ কৰিছিল সিমানখিনি সুবিধা অনলাইন ক্লাচৰ জৰিয়তে আদায় কৰিবলৈ তেওঁলোক প্ৰায় অসমৰ্থ। শিক্ষা বিভাগৰ শেহতীয়া নিৰ্দেশনা অনুসৰি প্ৰতিখন বিদ্যালয়ৰ শিক্ষকসকলৰ অধীনত নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীকেইজনমানৰ দায়িত্ব থাকে আৰু তেওঁলোকৰ পঢ়া-শুনাকে ধৰি আন আন দিশসমূহত দৃষ্টি ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ন সম্পৰ্কত মূল্যায়নৰ দায়িত্বও আহি পৰিছে। ইয়াৰোপৰি শিক্ষাদানত অসুবিধাৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰলৈ গৈ হ'লেও পাঠদানৰ সৈতে জড়িত ব্যৱস্থাসমূহ শিক্ষকজনে কৰিব লাগিব। বাহ্যিকভাৱে চাবলৈ গ'লে শিক্ষা বিভাগৰ এই দায়িত্ব প্ৰশংসনীয় কিন্তু অসমৰ দৰে এখন আন্তঃগাথঁনিহীন ৰাজ্যত এই নিৰ্দেশনাবোৰ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত অসুবিধা আহি পৰে। কিয়নো গাওঁ অঞ্চলত নেটৱৰ্কৰ লগতে বিদ্যুতৰ গুৰুতৰ সমস্যা আছে। যদিও চৰকাৰে গাৱে-গাৱে বিদ্যুৎ সংযোগ সম্পূৰ্ণ কৰা বুলি ঘোষণা কৰি আহিছে তথাপি বৰ্তমানো অসমৰ ৮০ শতাংশ গাৱত এতিয়াও পৰ্যাপ্ত বিদ্যুৎ যোগানৰ ব্যৱস্থা নাই। তদুপৰি অসমত এতিয়াও দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহৰ সংখ্যাই সৰহ। এই পৰিস্থিতিত খাই বৈ জীয়াই থকাটোৱেই ডাঙৰ সমস্যা হোৱাৰ পৰিপ্ৰেক্ষিতত সাম্প্ৰতিক শিক্ষা ব্যৱস্থালৈ লক্ষ্য কৰি হাজাৰটকীয়া ম'বাইলটো হঠাৎ কিনি অনাটো এক দুৰূহ স্বপ্ন মাথোন।

বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পৰীক্ষা পতাটো যিদৰে সম্ভৱ নহয়, আনহাতে পৰীক্ষা নপতাকৈ সকলোকে উত্তীৰ্ণ কৰি দিয়াৰ ব্যৱস্থাটোও গ্ৰহণযোগ্য নহয়। এনে এক আত্মঘাতী ব্যৱস্থাৰ

পৰিপ্ৰেক্ষিতত শৈক্ষিক বৰ্ষটো অপচয় নোহোৱাকৈ কিদৰে তেওঁলোকক আগবঢ়াই নিব পাৰি সেয়া এক ডাঙৰ প্ৰত্যাহ্বান হৈ ধৰা দিছে। উল্লেখযোগ্য যে চি.বি.এছ.ই আদি প্ৰতিষ্ঠানে তেওঁলোকৰ অধীনৰ শিক্ষানুষ্ঠানবোৰে অবিৰত বা ব্যাপক আৰু ধাৰাবাহিক বা সামগ্ৰিক মূল্যায়ন ব্যৱস্থাৰ ওপৰত গুৰুত্ব দি মূল্যায়িত কৰিবলৈ বিচাৰিছে কিন্তু অসমৰ মাধ্যমিক শিক্ষা পৰিষদ আৰু উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ তথা মহাবিদ্যালয়বোৰৰ তেনে কোনো দৃঢ় আৰু বাধ্যতামূলক মূল্যায়ন ব্যৱস্থা নাই। এনে ব্যৱস্থাই ভৱিষ্যতে অনেক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনাই অধিক। এনে এক দোমোজাৰ সন্ধিক্ষণত এক নব্য মূল্যায়ন ব্যৱস্থা সম্পৰ্কে চিন্তা চৰ্চা কৰাৰো প্ৰয়োজনীয়তা আহি পৰিছে। শ্ৰেণীকোঠাত প্ৰদান কৰা শিক্ষাৰ ফলপ্ৰসূ হোৱাৰ পৰিমাণ নিৰ্ণয় কৰিব নোৱাৰাৰ ফলতেই ছাত্ৰ ছাত্ৰীসকল ভৱিষ্যত সম্পৰ্কে সন্দিহান হৈ পৰা বুলি ক'ব পাৰি। বিপন্ন পৰিস্থিতিয়ে শিকা-বুজা বহুখিনি কথা পাহৰণিৰ গৰ্ভত পেলাইছে। প্ৰয়োজনীয়তা আহি পৰিছে এক উন্নত মানৰ শৈক্ষিক পৰিকল্পনাৰ যি অতি তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰিব পৰা যায়। সাম্প্ৰতিক শিক্ষা পদ্ধতিলৈ লক্ষ্য কৰিলে প্ৰায়েই দেখা যায় যে অনলাইন শিক্ষাৰ নামত একাংশই কিছুমান ভিডিঅ', পি ডি এফ ফাইল, বা পাঠৰ ফটো আদি ছাত্ৰ ছাত্ৰীলৈ প্ৰেৰণ কৰি অনলাইন শিক্ষা সামৰে কিন্তু প্ৰকৃতাৰ্থত এইসমূহ কেৱল অনলাইন শিক্ষা আগবঢ়াই নিয়াৰ কেইটামান সমল মাত্ৰ, সম্পূৰ্ণ শিক্ষা পদ্ধতি নহয়। যাৰবাবে উচ্চ শিক্ষা লৈ থকা শিক্ষাৰ্থীসকলতকৈও প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ বাবে ই এক বৃহৎ প্ৰত্যাহ্বান।

এই কথা নুই কৰিব নোৱাৰি যে ক'ভিডৰ দ্বিতীয়টো ঢৌৰ সৈতে সমানে যুঁজ দিবলৈ বা সমানে আগবাঢ়ি যাবলৈ ৰাজ্যৰ শিক্ষা বিভাগ মুঠেই সাজু নহয়। যদি শিক্ষাবিভাগে পূৰ্বৰ পৰিস্থিতিৰ উমান লৈ আগতীয়াকৈ ক'ভিডৰ সৈতে মুখামুখি হোৱাৰ সাহস গোটাব পাৰিলহেতেন তেতিয়া হয়তো পৰীক্ষা বাতিলৰ দৰে খবৰ শুনি শিক্ষাৰ্থীৰ আত্মহত্যাৰ দৰে পৰিস্থিতিও সন্মুখলৈ নাহিলহেতেন। এতিয়া সময় নিজেই নিজক চম্ভালাৰ, ইজন আনজনৰ সাহস হোৱাৰ।ইয়াৰ উপৰিও পৰিস্থিতিৰ কৱলত পৰি যাতে শিক্ষাৰ্থসকলে প্ৰয়োজনীয় শিক্ষালাভৰ পৰা দূৰত থাকিবলগীয়া হৈ মানসিক ভাবে ভাগি নপৰে তাৰবাবে শিক্ষাবিভাগ সদা সতৰ্ক হোৱাটো খুবেই প্ৰয়োজন। একমাত্ৰ সময়ৰ সঠিক ব্যৱহাৰে আমাক উলিয়াই আনিব পাৰিব এখন আদৰ্শৰ পৃথিৱীৰ দিশে। তাৰবাবে লাগিব দৃঢ়তা আৰু একাগ্ৰতা, মাথো সময়কো কিছু সময়ৰ প্ৰয়োজন।

*******************

নাহৰ মাহেকীয়া ই-আলোচনী
প্ৰথম বছৰ , দ্বিতীয় সংখ্যা
প্ৰবন্ধ

# মটক জনগোষ্ঠীৰ পূৰ্বধৰ্মৰ ইতিহাস,তাওবাদ আৰু প্ৰকৃতিৰ বিবিধ উপাদানৰ সম্পৰ্কীয় ধৰ্মীয় বিশ্বাস

নিত্যৰাজ চেতিয়া
পৰিসংখ্যা বিজ্ঞান বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
যোগাযোগ:৭৩৯৯৩৪৪৩৪৭

অসমৰ অন্যতম এটি প্ৰাচীন অসমীয়া জাতি গঠনত মটকসকলৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ।ধৰ্ম হৈছে এক চালিকা শক্তি যত অন্তৰ্নিহিত হৈ থাকে মানৱ সমাজ আৰু সংস্কৃতি। অসমত বিভিন্ন ধৰ্মৰ জনগোষ্ঠী থাকে যদিও কোনো জনগোষ্ঠীয়ে নিজস্ব ধৰ্মৰ ধৰ্মীয় ধাৰণা,সংস্কৃতি সম্পন্ন সমাজখনত আবদ্ধ কৰি ৰখা নাই।সময়ৰ সোঁতত প্ৰত্যেকেই নিজা ধৰ্মীয় পৰম্পৰা ,সাংস্কৃতিক আদৰ্শ আদি পৰিৱৰ্তন বা সংমিশ্ৰণ কৰি বৃহত্তৰ অসমীয়া জাতি গঠনত একাত্ম হৈ পৰিছিল।যিহেতু মটক জনগোষ্ঠী টাই মংগোলীয়মূলৰ আছিল বুলি ধাৰণা কৰা হৈছে।গতিকে টাই জনগোষ্ঠীস্বৰূপে তেওঁলোক তাও ধৰ্মৰ বুলি অনুমান কৰিব পাৰি।এটা স্থানৰ পৰা আন এটা নিৰ্দিষ্ট স্থানলৈ ভ্ৰমণ কৰি বসবাস কৰিবলগীয়া হোৱাত তেওঁলোকৰ ধৰ্মীয় ধাৰণা,পৰম্পৰা আৰু বিশ্বাসসমূহৰ পৰিবৰ্তন হৈছিল।তদুপৰি প্ৰকৃতিৰ ৰহস্যময় অভিজ্ঞতাজনীত ধৰ্মীয় ধাৰণা আৰু প্ৰাচীন অসমৰ জনবিশ্বাসৰ মাজত প্ৰচলিত দেৱ-দেৱীৰ বিশ্বাসেৰে ধৰম ভেটি গঢ় লৈ উঠিছিল।পৰৱৰ্তী সময়ত মটক সমাজে মায়ামৰা ধৰ্মীয় বিশ্বাসসমূহৰ সংস্পৰ্শলৈ আহি সংমিশ্ৰিত ৰূপত প্ৰকাশ পাবলৈ লৈছিল।পূৰ্বৰ এক ধাৰণাৰ মতে মটক জনগোষ্ঠীসকল টাইমংগোলীয়মূলৰ হিচাপে প্ৰাচীন চীন দেশৰ পৰাই আহিছে।চীন দেশৰ টাইসকলৰ প্ৰধান ধৰ্ম আছিল তাও ধৰ্ম।তাওধৰ্ম আছিল সম্পূৰ্ণ প্ৰকৃতিৰ গতিৰ ওপৰত নিৰ্ভৰশীল।প্ৰকৃতিক পৰিচালনা কৰা অদৃশ্য শক্তিয়েই তাওধৰ্মৰ দেৱতাস্বৰূপ।অৰ্থাৎ প্ৰকৃতিৰ নীতি নিয়মৰেই এটা ৰূপ হৈছে তাও ধৰম।তাও ধৰ্ম প্ৰচলিত হয় প্ৰকৃতিৰ নীতি অনুসৰি।গতিকে প্ৰকৃতিৰ বিধান মতে মানুহ চলিবলৈ বাধ্য।

টাই মংগোলীয় মটক জনগোষ্ঠীৰ সমাজ জীৱনত তাও ধৰ্মৰ কিছু লক্ষণ আৰু উপাদান প্ৰতিফলিত হোৱা দেখা যায়।এনে লক্ষণসমূহৰ ভিতৰত প্ৰধানকৈ প্ৰকৃতিৰ জগতৰ বিবিধ উপাদানৰ মাজত ৰহস্য অনুভৱ কৰি প্ৰত্যেকৰে সৃষ্টিকৰ্তাৰ মহান শক্তিক স্বীকাৰ কৰি দেৱজ্ঞান কৰা,উপৰিপুৰুষ দেৱতাৰ সন্তুষ্টিৰ অৰ্থে পূজা সেৱা কৰা আৰু তাৰ লগে লগে সহজ সৰল জীৱন যাপনৰ আদৰ্শ পোষণ কৰা।মটক জনগোষ্ঠীয়ে তেওঁলোকৰ পৰম্পৰাগত তাওবাদী বিশ্বাসৰ লগত ৰহস্যময় বিশ্বাসক সংমিশ্ৰিত কৰিছে।

আনহাতে মটক সমাজ ব্যৱস্থাত তাও ধৰ্মৰ প্ৰকৃতিৰ পৰম শক্তিক বিশ্বাস কৰা দেখা যায় ।প্ৰকৃতিৰ জগতৰ মাটি,পানী,বায়ু,অৰণ্য আদি সকলো উপাদানতে তেওঁলোকে পৰম শক্তিক অনুভৱ কৰে।মটক সকলে তাও বাদৰ প্ৰকৃতিৰ পৰম শক্তিৰ বিশ্বাসৰ অনুসৰি জলৰ অধিপতি 'জলগিৰী' বা 'জলদেৱতা' , স্থলৰ অধিপতি 'স্থলগিৰী' বা স্থলদেৱতা,গাঠি বা বাধা-বিঘিনি গুচোৱা দেৱতা স্বৰূপে 'গাঠিয়াল' , অৰণ্য বা হাবি ৰক্ষা কৰি থকা দেৱতা জনক 'হাবিয়াল' দেৱতাস্বৰূপে আৰাধনা কৰি আহিছে।এই দেৱতা কেইজনক মটক সকলে যিকোনো সকাম, নিকাম, উৎসৱ-পাৰ্বণ আদি ধৰ্মীয় কাৰ্যত স্মৰণ কৰি তেওঁলোকৰ সহায় সহযোগ আৰু আশীৰ্বাদ কামনা কৰে।এয়াই মটক সমাজৰ তাও ধৰ্মৰ নীতি অনুসৰি ধৰ্মীয় বিশ্বাস।

তথ্য : মটক সমাজ আৰু সংস্কৃতিৰ বুৰঞ্জী

# Religious Practices and Festivals of sonowal kachari

Bikash Sonowal , Dr. Bhupen Hazarika Centre for Studies in Performing Arts
Dibrugarh University

The traditional religion of Sonowal Kacharis is animalistic. Now, the people of this community follow two contrasting religious faiths – one is 'Mahapurushia Vaishnava Dahrma.' As devout followers of Vaishnava Dharma the Sonowals are the disciples of 'Auniati Satra'. The other one is the traditional animistic notion with animal sacrifices, which is still continuing to hold sacrificial worship to their traditional deities. The traditional gods of Sonowal Kacharis are different from the Hindu gods and goddesses. The supreme god of Sonowal Kacharis is 'Khring Raja' or 'Bathow'. To propitiate their god, they perform 'Bathow Puja, Interestingly 'Haidang Geet' is the oldest and first folk song of the Sonowal Kacharis and this 'Haindang Geet' is sung by the people during the time of 'Bathow Puja' and 'Bohag Bihu'. There are two kinds of worship among the Sonowal Kacharis – community worship and household worship. To maintain peace in their family they worship, household, deities. Some of the household deities worshiped by the Sonowals are – Ancestors' worship (pirdiya, marak diya), Apeswara Sabha, Swaragdeo Puja, Dangoria Sakam, Aai Sakam, Garakhiya Sabha, etc. On the other hand, Sonowal Kacharis hold the community worship for the welfare of their own society. Some of the community worships are – Bathow puja (as stated earliest) Gojai Puja, Bator Sabha, Gyati Guri Sabha, Lakhimi Tola Sabha, Khyatreya Puja, Baghdeo Puja etc. The Sonowal Kacharis celebrate their own pujas and festivals with extreme devotion. The main folk festival of Sonowal Kacharis is Bihu. All the three Bihu - Bohag, Kati and Magh – are celebrated by them and these 'Bihus' play an important role both in their social as well as religious life. 'Bahuwa Nitya' is another traditional dance festival of Sonowal Kacharis. Apart from these, Sonowal Kacharis perform certain rites and rituals at the birth of a child, such as Bajuliwa and Sudhi Sabha and perform certain death rites, such as Tiloni, Dohdinia, Daha, Kaaj etc.

# ARMED FORCES SPECIAL POWER ACT

In August 2021, India will be celebrating its 74 years of Independence and democracy along with 63 years of the Armed forces (Special Power) Act (AFSPA) which was enacted on the 18th of August 1958. Initially, it was a short-term measure to allow deployment of the army to counter an armed-separatist movement in the Naga Hills, but now the AFSPA has been in force for the last six decades in the Northeastern states of India.

The Assam Government extended the existing 'disturbed area' status of the State for another six months from the 27th of February 2021 under section 3 of Armed Forces (Special Powers) Act (AFSPA), unless the act was withdrawn earlier. The AFSPA was imposed in Assam in November 1990 and has been extended every six months since then after a review by the state government.

The AFSPA gives the armed forces the very power to shoot and kill, arrest on a flimsy pretext, conduct warrantless searches, and demolish the structure in the name of "aiding civil power." The Act also violates the provision of international human rights law, including the right to life, the right to be protected from arbitrary arrest and detention, and the right to be free from torture and cruel, inhuman, or degrading treatment. It also denies the victim's the right to remedy. The best gift of 71st Independence Day for the people of India would be a repeal of this draconian legislation.

AFSPA is often imposed in the area where the situation of law and order is not under the control of local police and central forces. But the power of the Armed Forces (Special Power) Act has often led to controversies, often it has been seen to be criticized by human rights groups opposing it as being aggressive since the act authorized the use of all kinds of forces even if it causes death, against the person who is acting against law or order in the disturbed area for the maintenance of public order.

What is AFSPA?

Armed Forces Special Power Act (AFSPA) is a series of an act that was created by the Parliament of India which gives armed forces the power to maintain public harmony in "disturbed areas". Article 355 of the Indian Constitution of India confers power to the Central Government to protect every state from internal disturbance.

Presently AFSPA-1958 is still seen to be operated in the entire State of Assam, Nagaland, Manipur (except Imphal Municipal area), three districts namely Tirap, Chnaglang, and Longding of Arunachal Pradesh, and the areas falling within the jurisdiction of the 8 police stations in the district of Arunachal Pradesh, bordering the State of Assam.

AFSPA law is criticized because in a democratic country like India there is no need to run the country based on the bullet; the matter should be resolved on the ballet. So the state governments with the association of the central government should try to find out another possible way and come out with flying colors.

Bitupan Dehingia
CSJMC, 2nd Semester
Dibrugarh University

# OPERATION FLOOD AND IMPACT ON ASSAM

Every year the 1st of June is observed as "World Milk Day" and this year the Ministry of Fisheries, Animal Husbandry, and Dairying made two important announcements i.e. launch of the "Gopal Ratna Award" which will be awarded in three categories viz. Best Dairy Farmer, Best Artificial Technician (AIT), and Best Dairy cooperative. They also initiated the launching of the E-GOPALA app linked to the UMANG app (generation of wealth through Productive livestock), market place and information portal for direct use by farmers. Operation Flood or White Revolution began way back with the success of Amul cooperative society when the Government of India created National Dairy Board (NDB) in 1965 to replicate the Amul model where farmers gave the milk to the Amul cooperative societies and they sold it in the big markets of Bombay and Gujarat at a high cost and the profit was distributed among the farmers. Scientist Verghese Kurien who is known as the father of the White Revolution was the chairman of NDB during that time and thus he succeeded in bringing White Revolution to India in 1970 and transforming India from a milk deficient National to being the World's largest milk producer.MILK COOPERATIVE IN ASSAM Amul model is seen to be followed in other states as well and other cooperative dairies such as Mother Dairy, Sudha Diary, Purabi Dairy, etc. "West Assam Milk Producer's cooperative union limited" (WAMUL) in 1976 was set up as a milk union of Milk Producers Cooperative of Nagaon, Morigaon, Goalpara, Nalbari, and Kamrup districts of Assam and was under the Operation Flood Programme of National Dairy Development Board for dairy development (NDDB). Presently Assam's WAMUL produces milk and milk products under the brand name of 'PURABI'. WAMUL is managed by NDDB and it daily produces an average quantity of over 50,000 liters of liquid milk and 7,000 liters worth of milk products in Guwahati and various towns of both Upper and Lower Assam.WAMUL INITIATIVES Assam being a milk efficient state and cross breeding of cow's population, forms less than 5% of the total bovine population and to improve this position Wamul has started providing Artificial Insemination (AI) services and the Assam Dairy Development Plan (ADDP) of the Government of Assam funded by World Bank in Nagaon. Thus, it is operation flood helped in empowering the dairy farmers with control of the resource created by them and helped them in directing their development.

Kaustav Dehingia
CJSMC, 2nd Semester
Dibrugarh University



# গল্প

# প্ৰেম নদীৰ নাৱৰীয়া

অম্লানদীপ শইকীয়া
গণিত বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

: নীল...! তই সুখীনে ?

:কিয়? কি হ'ল? অসুখী যেন লাগিছে নেকি?

:মই ধেমালি কৰা নাই নীল ।

:মইনো ক'ত ধেমালি কৰিলোঁ ?

:বাৰু ক'চোন ? তোৰ মতে জীৱনৰ সংজ্ঞা কি ?

: জীৱন....! জীৱনটো হৈছে এটা মুদ্ৰাৰ ইপিঠি সিপিঠি । এটা পিঠিত যদি লিখা আছে হাঁহি, আনন্দ, সুখ, প্ৰাপ্তি আদিৰে হৰ্ষোল্লাস আৰু আন পিঠিত আছে চকুলো, বিষাদ, অপ্ৰাপ্তিৰ সমাহাৰেৰে যন্ত্ৰণাকাতৰ বিননি । এফালে সেউজীয়া সপোন আৰু আনফালে ৰূঢ় বাস্তৱ । ঠিক তোৰ এই পথাৰখনৰ দৰে । এটা সময়ত এই পথাৰখন উদং হৈ পৰে আৰু কিছুদিন পিছত পুনৰ শস্য শ্যামলা । তথাপিটো পথাৰখনক জানো বিষাদে আৱৰি ধৰে। কেতিয়াবা জানো নোপোৱাৰ বেদনাত ভোগে ।

: কি যে যা-তা বকি আছ' নহয় । মই হ'লে একো বুজি পোৱা নাই ।

: এজন কবি হৈ যদি বুজিব পৰা নাই, বাদ দে । মই বুজাব নোৱাৰোঁ ।

: এতিয়া মই বন্ধা কবি, ফুল কবি হে চিনি পাওঁ ।

( পৰিস্থিতিটো কিছু পাতল কৰাৰ চেষ্টা কৰিলে । )

: ভালেই হৈছে দে । এই বন্ধাকবি ফুলকবিৰ মাজতে সোণালী সময়বোৰ অতিবাহিত কৰিব পাৰিছ । এইবাৰ ময়ো ভাবিছোঁ, খেতিকে কৰিম ।

: কিন্তু তোৰ চাকৰি ?

: চাকৰিটো এৰিব নোৱাৰি । চাকৰি এৰি তোৰ দৰে খেতি কৰাৰো সামৰ্থ নাই মোৰ । তোৰ দৰে বিবিধ খেতি নকৰোঁ । আমাৰ মাটি কেইডৰাটো এনেই পৰি আছে, ভাবিছোঁ, এইবাৰ ধান খেতি কৰিম । অন্তঃত ঘৰৰ চাউলৰ ভাত মুঠি খাব পাৰিম আৰু কিছু সময়ৰ বাবে হ'লেও সেউজীয়াখিনিত বিলীন হ'ব পাৰিম ।

: মই আজি তোৰ কথাবোৰৰ আঁত ধৰিব পৰা নাই । তই কথাবোৰত পাক লগাই আছ' কিয় ? নে প্ৰহেলিকা আঁতৰি যোৱাৰ দুখ এতিয়াও পাতলা নাই ?

: দুখ...! কিহৰ দুখ আকৌ !

: তই নক'লেও মই বুজি পাওঁ । তইটো তাইক মনে প্ৰাণে ভাল পাইছিলি । চাচোন সময়ে কি নিদাৰুন খেলা খেলিলে । তই পায়ো হেৰুৱালি আৰু ...

: যি হৈছে ভালৰ বাবেই হৈছে । এতিয়া মই মুক্ত । নহ'লে যে মই গোটেই জীৱন অপৰাধবোধত ভুগি থাকিলোঁহেঁতেন ।

: তোৰ কি অলপো বেয়া লগা নাই ।

: হয়তো অলপ লাগিছে... নাই নাই... কিয় বেয়া লাগিব...! মোৰ অলপো বেয়া লগা নাই । বৰঞ্চ আজি মই সুখীহে ।

: কিন্তু....

: চা দৌষ্ট। আমি সকলো প্ৰেম নদীৰ নাৱৰীয়া। এই প্ৰেমৰ নাওখন আগবঢ়াই নিওতে বাধা বিঘিনি অহাটো স্বাভাৱিক। কিন্তু এই বাধা বিঘিনিক অতিক্ৰম কৰিব পৰাটোহে ডাঙৰ কথা। প্ৰেমৰ নদীখন অনায়াসে পাৰ হৈ যোৱাজন জানো সুদক্ষ নাৱৰীয়া হ'ব পাৰে ?
সুদক্ষ নাৱৰীয়া সেইজনহে যি প্ৰেম নদীত হাজাৰটা বিপদ বিঘিনিৰ লগত যুঁজি যুঁজি ক্লান্ত হৈ নপৰে। মই তেনেকুৱা নাৱৰীয়াহে হ'ব খোজোঁ। যাৰ যুঁজি যোৱাৰ ক্ষমতা আছে। যিয়ে অক্লান্ত পৰিশ্ৰম কৰিও প্ৰেম নদীত নিজৰ অস্তিত্ব ৰক্ষা কৰিব পাৰে। মই কেতিয়াও হাৰ মানিব নিবিচাৰোঁ। মোৰ মাজত থকা প্ৰেমৰ নদীখন ইমান ঠেক কেতিয়াও নহয়। ইয়াৰ গভীৰতা কেতিয়াও কমি নাযায়। এই প্ৰেম নদীৰ মই আজীৱন নাৱৰীয়া হৈ থাকিম।
: বুজিছোঁ এতিয়া।
: প্ৰেম মানেইটো কেৱল প্ৰাপ্তি নহয়। অপ্ৰাপ্তিও প্ৰেমৰ অবিচ্ছেদ্য অংগ। অপ্ৰাপ্তিটো প্ৰেমৰ মাদকতা লুকাই আছে। এই অপ্ৰাপ্তিয়ে যদি জীৱনৰ ৰংবোৰ ছটিয়াই যায়, ই আৰু অধিক মধুৰ হৈ পৰে। মোৰ প্ৰেমৰ পৰিণতি অপ্ৰাপ্তি নহয়। এয়াও প্ৰাপ্তি। আজি মই বহুত সুখী শ্যাম। অতদিনে একপক্ষীয় প্ৰেমকে কঢ়িয়াই ফুৰিছিলোঁ। তাৰ পাছত অনাকাংক্ষিতভাবে প্ৰহেলিকা মোৰ জীৱনলৈ আহিল। আৰু আজি পুনৰ মোক এৰি আনৰ হৈ গৈছে। কিন্তু আজিটো তাই মোক বুজি পালে। মোৰ প্ৰেমক স্বীকৃতি দিলে। আজি মোৰ প্ৰেমিক জীৱন সাৰ্থক।
: আজি যে তই সুখী, জানি বহুত ভাল লাগিল। সদায় এনেদৰে সুখী হৈ থাকিবি।
: নিশ্চয়। দুখৰ কাৰণ আজি আৰু নাই। আজি মই বহুত সুখী। আজি মোৰ প্ৰথম প্ৰেমৰ সফল সমাপ্তি ঘটিল...।

# অভিৰুচি

আৰতি ফুকন
বুৰঞ্জী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

অভিৰুচি বুলি কওঁতেই আপোনালোকৰ মনলৈ আমাৰ সকলোৰে দৈনন্দিন জীৱনত ভাল লগা, বেয়া লগা এনেকুৱা ধৰণৰ কথাবোৰ আহিছে চাগে ; নহয়নে ? আহিবৰেতো কথা !

কিন্তু ইয়াত আপোনাৰ মোৰ ভাল লগা কাম বা আজৰি সময়ৰ কামৰ কথা বুজোৱা নাই ! এই কাহিনীটোত মই আপোনালোকৰ মাজলৈ লৈ আহিছো অভি আৰু ৰুচিৰ এটি কাল্পনিক ঘটনা বা কাহিনী ।

পোনপ্ৰথমে আপোনালোকে মোৰ মৰম আৰু শ্ৰদ্ধা গ্ৰহণ কৰিব আৰু যদি কিবা ত্ৰুটি পাই অনুগ্ৰহ কৰি মোৰ শুধৰাই দিয়ে যেন । এতিয়া আহো কাহিনিটোৰ মাজলৈ.........

ৰংপুৰ গাঁৱৰ আবাসী মানিক চন্দ্ৰৰ একমাত্ৰ জীয়ৰী ৰুচি যথেষ্ট মেধা সম্পন্ন আৰু বাক্-পটু আছিল । তাইৰ অমায়িক আৰু শ্ৰদ্ধাৱান গুণটোৰ কাৰণে তাই সকলোৰে খুউব মৰমৰ আছিল । কোনোদিন কোনো কথাতে তাইক অন্য কোনো ব্যক্তিৰ অহিত চিন্তা কৰা নাছিল; কাকো এটা টান শব্দ ও ব্যৱহাৰ কৰা নাছিল । কিন্তু সেই অমায়িক ৰুচি এতিয়া সম্পূৰ্ণ সলনি হৈ পৰিল, কিয় জানে ?অসমীয়াত এষাৰ কথা আছে নহয় "অভাৱেই স্বভাৱ নষ্ট কৰে" বুলি ! ইয়াৰে ব্যতিক্ৰম হ'ল ৰুচি নামৰ এই অবৰ্ননীয় গুণসম্পন্ন ছোৱালীজনী ।

আজি সম্পূৰ্ণ ১৯ বছৰত ভৰি দিয়া ৰুচিৰ ওপজা দিনত তাইক শুভেচ্ছা দিবলৈ তাইৰ কাষত কোনো নাছিল । একমাত্ৰ দেউতাক ও আজি ৭টা বছৰে শয্যাশায়ী হৈ আছে মাকক হেৰুওৱা তাইৰ মনতেই নাই । সম্পূৰ্ণ অকলশৰীয়া ৰুচিয়ে হেৰুৱাই পেলাইছে জীৱনৰ মাদকতা, পাহৰি পেলাইছে তাইৰ শৈশৱৰ ধেমালিবোৰ ।

পঢ়াৰ প্ৰতি থকা তাইৰ আগ্ৰহ দেখি দেউতাকৰ লগৰ এজন বন্ধুৱে তাইক হায়াৰ চেকেণ্ডাৰীলৈকে পঢ়ুৱালে ; কিন্তু উচ্চ শিক্ষাৰ ফালে আগবঢ়াব নোৱাৰিলে ;।কিয়নো তেওঁৰো নিজৰ সন্তানৰ দায়িত্ব আছে । তাই ভাৱি পোৱা নাছিল দেউতাকৰ লগতে পঢ়াবোৰ তাই কেনেদৰে আগুৱাই নিব ! পঢ়িবলৈ তাইৰ খুউব ইচ্ছা আছিল কিন্তু কথাতে কয় যে বিধিয়ে দিলেও বিধাতাই নিদিয়ে বুলি । একমাত্ৰ ভৰষাত জীয়াই থকা দেউতাকো এদিন তাইক এৰি এই পৃথিৱীৰ পৰাই গুচি গ'ল ।

এতিয়া তাই দিশহাৰা হৈ পৰিল; ক'ত যাব ? কি কৰিব ? তাইৰ একো থিৰাং কৰিব পৰা নাছিল । এনেতে তাইৰ জীৱনলৈ আহিল তাইৰ প্ৰথম প্ৰেমিক 'ৰিয়ান'; সি যথেষ্ট ধনী ঘৰৰ ল'ৰা আছিল। সি কোনোদিন তাইৰ দুখ-সুখ,ভাল লগা, বেয়া লগা এইবোৰ জানিব খোজা নাছিল, মাত্ৰ সি গম পাইছিল তাইৰ দেউতাকে মৃত্যু সময়ত তাইক দি যোৱা মাটি সম্পত্তিবোৰৰ কথা । পিতৃ মাতৃহীন ৰুচিয়ে প্ৰথমবাৰলৈ কাৰোবাক তাইৰ জীৱনৰ লগৰী হিচাপে পাই অত্যন্ত সুখী অনুভৱ কৰিছিল; তাই নাজানিছিল ৰিয়ানৰ কটু দৃষ্টিৰ কথা । ৰূপে গুণে তাই এতিয়া দেখাতো বহুত ধুনীয়া হৈ পৰিল । সি তাইক কলেজত নাম ভৰ্ত্তি কৰাই দিলে, তাই ও হেলাৰঙে পঢ়াৰ প্ৰতি আগবাঢ়িল । এনেদৰে সিহঁতৰ সম্পৰ্কই এটা বছৰ অতিক্ৰম কৰিলে কিন্তু সি কোনোদিনে তাইক তাইৰ অতীতৰ কথা নুসুধিলে,তাই ও স্ব-ইচ্ছাই প্ৰকাশ নকৰিলে। লাহে লাহে সি তাইৰ শৰীৰটোৰ ওপৰতো অধিকাৰ বিচাৰিলে তাই ও আপত্তি নকৰাকৈ তাক সকলো সপি দিলে এনেদৰে সিহঁত আৰু ওচৰ চাপি আহিল আৰু এদিন সি তাইক বিয়া কৰাৰ প্ৰতিশ্ৰুতিৰে তাইৰ সকলো মাটি সম্পত্তি তাৰ নামৰ কৰি ল'লে আৰু তাই নজনাকৈয়ে সি তাইৰ থকা ঘৰটোৰ বাদে বাকী সকলোবোৰ বিক্ৰী কৰি তাৰপৰা পলাই পত্ৰং দিলে । তাই এতিয়া অসহায়ৰ দৰে এটা কোঠালিত নিজক আৱদ্ধ কৰি ৰাখিলে । মনতে তাই ৰিয়ানক এসেকা দিবলৈ সিদ্ধান্ত ল'লে কিন্তু তাই কৰিব কি? নিৰুপায় হৈ তাই ওচৰৰে কম্পিউটাৰ দোকানখনৰ পৰা সকলোৰে দেখাকৈ ইণ্টাৰনে'টত এটা পেজ খুলি তাইৰ জীৱন বৃত্তান্ত বিৱৰি ক'লে আৰু সেই ৰিয়ান নামৰ ল'ৰাটোক বিচাৰি দিবলৈ সকলোকে অনুৰোধ কৰিলে।কিন্তু তাইৰ কাৰো পৰা কোনো সঁহাৰি নাপালে ।

এনেদৰে তাই প্ৰায় ১মাহ মান পাৰ কৰিলে তেনেতে এদিন হঠাৎ অভি নামৰ এজন ল'ৰাই তাইক সহায় কৰিবৰ বাবে আগবাঢ়ি আহিল।আৰু দুয়োৰে ৰিয়ানৰ বিৰুদ্ধে প্ৰমাণ যুগুত কৰাত লাগি গ'ল ।এনেকৈয়ে লাহে লাহে সিহঁতে ইজনে সিজনক ভাল পাবলৈ ধৰিলে কিন্তু কোনোৱে ব্যক্ত কৰা নাছিল কিয়নো সিহঁতে ভালপোৱাৰ সম্পৰ্ক কৰিব খোজা নাছিল, বন্ধুত্বৰ সম্পৰ্কৰে আজীৱন লগ দিয়াৰ প্ৰতিশ্ৰুতিৰে সিহঁত আগুৱাই গৈ থাকিল । প্ৰায় ২ মাহ মানৰ পিছত সিহঁতে ৰিয়ানৰ বিৰুদ্ধে বহুতো প্ৰমাণ পালে আৰু তাক আদালতত হাজিৰ কৰিলে।এনেকৈয়ে অভিৰ জৰিয়তে ৰুচিয়ে ন্যায় পালে আৰু তাই জীৱনত আগুৱাই যাবলৈ বাট মেলিলে ।

বহুদিন সিহঁত দুয়ো দুয়োৰ পৰা আঁতৰ হৈ থাকিব লগা হ'ল যদিও সিহঁত কোনোদিন সুখী হোৱা নাছিল । অভিয়ে তাই নজনাকৈয়ে তাইৰ পঢ়া শুনাৰ সম্পূৰ্ণ খৰচ বহন কৰিছিল । তাইৰ লগৰ

এজনীৰ জৰিয়তে অভিয়ে তাইক এটা ম'বাইল ফোন উপহাৰ দিলে ।আৰু তাইও আগ্ৰহেৰে গ্ৰহণ কৰিলে । লাহে লাহে এনেদৰেই সিহঁতৰ মাজত আকৌ কথা বতৰা আৰম্ভ হ'ল আৰু এইবাৰ দুয়োয়ে মনৰ ভাৱ ব্যক্ত কৰিলে । কিন্তু তাই ভৱিষ্যতে কিবা এটা কৰাৰ মানসেৰে এতিয়াই বিবাহত সন্মতি দিয়া নাছিল; সিও তাইক জোৰ কৰা নাছিল । এনেদৰেই সিহঁতে সিহঁতৰ সময়বোৰ পাৰ কৰিলে আৰু এদিন তাই অভিৰ বাবেই এগৰাকী নামজ্বলা ব্যক্তি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিলে।

এদিন এজন মহান ব্যক্তিয়ে তাইক তাইৰ সাক্ষাৎকাৰত তাইৰ জীৱন সম্পৰ্কে সুধিলে তেতিয়া তাই পোনপ্ৰথমে অভিৰ নামেই উচ্চাৰণ কৰিলে । তেতিয়া তেওঁৰ ইয়াৰ অন্তৰালৰ কাহিনীটো সুধিলে আৰু তাই বৃত্তান্তই বিৱৰি ক'লে । তেওঁ বুজিলে যে অভিৰ অবিহনে ৰুচিৰ জীৱনৰ আন কোনো সংগ নাই । তেও ৰুচিৰ মুখেৰে সকলো কথা শুনাৰ পিছত চকুৰ পানীৰে উপচি পৰিল । আৰু তেওঁ অভি আৰু ৰুচিক লৈ "অভিৰুচি" নামেৰে এক জীয়া কাহিনী লিখিবলৈ থিৰাং কৰিলে ।

এনেদৰেই অভি আৰু ৰুচিয়ে বৈবাহিক জীৱন আৰম্ভ কৰি দুয়ো সুখেৰে জীৱন নিৰ্বাহ কৰিলে । প্ৰিয় বন্ধু বান্ধৱী সকল এক কথাত ক'বলৈ হ'লে কি জানা ? মানুহে কেতিয়াও সময় বা অভাৱৰ গ্ৰাসত পৰি নিজক পাহৰি যাব নালাগে; নতুবা ইয়াৰ পৰিণাম অতি ভয়ানক হৈ পৰে ।

নিষ্ঠা আৰু সততাৰে সকলো কৰি যোৱা তেতিয়া দেখিবা গোটেই পৃথিৱী তোমাৰ বিৰুদ্ধে গ'লেও তোমাৰ মানুহবোৰে কেতিয়াও তোমাৰ লগ নেৰে । সদায় তোমাৰ ছাঁ-টোৰ দৰে তোমাৰ কাষত থিয় দিব ।

* * *

# অস্তাচল

-মহিতোষ গোৱালা
স্নাতকোত্তৰ তৃতীয় যান্মাসিক
গণিত বিভাগ , ডিব্ৰুগড় বিশ্ববিদ্যালয়।

(১)

জাৰৰ দিনবোৰ সঁচাই বৰ আমনিদায়ক। পুৱাৰ ৰদকণ পাবলৈ যে কিমান অপেক্ষা কৰিব লাগে! ৰদকণ ওলালে বুলিয়েই আৰু গাত তত্ নাই, চৌপাশৰ পৰিৱেশটোৰ আমেজেই সুকীয়া হৈ পৰে! তাতে আকৌ ৰদ পৰাকৈ ভাল ঠাই এডোখৰ চাই চোতালতে আপোন মানুহকেইজনৰ লগত বহি চাহ একাপ খোৱা - আহ! দিনটোৱেই কিবা ভাললগা হৈ পৰে...।

ভৰদুপৰীয়া আকৌ কলপাতত ৰবাব টেঙাৰ সোৱাদ লোৱা, পথাৰৰ মাজত গৰুৰখীয়া কৰা, নৈৰ পাৰত বালিঘৰ সাজি ভাৱত বিভোৰ হোৱা, পানীৰ লগত খেলা কৰা...ইয়াতকৈ সুখ আৰু লাগেনে? যদিও আমনিদায়ক তথাপি ব্যতিক্ৰম এই দিনবোৰ।

চাহকাপ হাতত লৈয়ে কথাবোৰ ভাবি ভাবি আপোনপাহৰা হৈ পৰিল প্ৰত্যুষ। উভতি গল ল'ৰালিৰ দিনবোৰলৈ, তাৰ সপোনৰ পৃথিৱীখনলৈ। য'ত নাছিল কোনো বিষাদ, নাছিল কোনো সংশয়। এই সৰু সৰু ভাললগা কামবোৰেই কঢ়িয়াই আনিছিল তাৰ মনলৈ আনন্দৰ বন্যা...।

বহুদিন হ'ল মাৰ হাতৰ এগৰা ভাত মুখত দিয়া, মাৰ কোলাত মূৰ থৈ টোপনি যোৱা, মাক হাতে কামে সহায় কৰা আৰু ছল বুজি দুগালত মিঠা চুমা এটা আঁকি দিয়া! কেতিয়াবা সি ভাবে, সৰুতেই ভাল আছিল দিনবোৰ। স্বাধীন আছিল, সুখৰ আছিল। কোনো চিন্তা নাছিল। এতিয়া ডাঙৰ হৈ এশ এবুৰি চিন্তাত তাৰ মূৰটো কেতিয়াবা কাম নকৰা হৈ যায়। তাতে আকৌ ঘৰৰ পৰা দূৰৈত, অকলে!

কিতাপকেইখনেও পিছ নেৰে! বৰ অশান্তি তাৰ। সেইকাৰণেই প্ৰত্যেক দেওবাৰে যেতিয়া ঘৰৰ পৰা তালৈ ফোন আহে, তাৰ আক্ষেপ এটাই- যেনেতেনে হায়াৰ চেকেণ্ডাৰীৰ এই দুবছৰ শেষ কৰি সি ঘৰলৈ যাব। ঘৰতে থাকি সি কিবা এটা কৰিব। ঘৰৰ ওচৰৰে কলেজখনতে পঢ়িব। নোৱাৰে সি আৰু মাকক এৰি এনেকৈ আঁতৰত থাকিব...।

আজি দেওবাৰ। কলেজ বন্ধ। সপ্তাহত পোৱা এই বন্ধৰ দিনটো হোষ্টেলৰ ল'ৰাবোৰৰ কাৰণে বৰ হেঁপাহৰ। কিমান যে কাম থাকে এই দিনটোত! গোটেই সপ্তাহটোৰ কাপোৰ-কানিবোৰ ধুই পখালি কাইলৈৰ কাৰণে জাপি-মেলি থানথিত লগাব লাগে। ৰুমবোৰো চফা কৰিব লাগে। হমৱৰ্ক এগাল তাতে আকৌ আছেই! মুঠতে এটা ব্যস্তৰ দিন সকলোৰে বাবে।

কিন্তু প্ৰত্যুষৰ আজি একো কৰিবলৈ মন নাই। তাৰ মনটো আজি উদাস। লগৰবোৰ সকলো ব্যস্ত নিজৰ নিজৰ কামত। সি আকৌ হোষ্টেলৰ ওপৰ মহলাৰ ৰুমৰ পাছফালৰ তাৰ সেই প্ৰিয় মুকলি ঠাইডোখৰতে বহি আপোনপাহৰা হৈ পৰিছে। তাতে আকৌ জাৰৰ দিন। আমনজিমনকৈ বহি সি উভতি গৈছে তাৰ অতীতৰ দিনবোৰ সুঁৱৰি। উভতি গৈছে তাৰ ভাললগা দিনবোৰলৈ। অতীতৰ দিনবোৰ যেন তাৰ চকুত আজি চাট্ মাৰি ধৰিছে ঠিক বেৰৰ ফাঁকেৰে সোমাই অহা কাঁচিয়লি ৰ'দজাকৰ দৰে...।

ক্ৰমশঃ

নাহৰ মাহেকীয়া ই-আলোচনী
প্ৰথম বছৰ , দ্বিতীয় সংখ্যা



# চৰকাৰী চাকৰি



পল্লৱী গগৈ
জীৱ বিজ্ঞান বিভাগ

আজিকালি চৰকাৰী চাকৰি পোৱাটো যেন সাগৰত মণিক বিচাৰি পোৱাহে । ৰাতুলে চাকৰিটো পোৱাত তাৰ মনত ফুৰ্তিৰ সীমা নাই । ঘৰত সকলোৰে মনত বহুত আনন্দ । যি হ'লেও ল'ৰাটোৱে এটা চৰকাৰী চাকৰি পাইছে । চাকৰিটো পোৱাৰ ফুৰ্তিতে সিহঁতৰ ঘৰত সকলোকে এটা পাৰ্টী আয়োজন কৰা হৈছে । আবেলিৰ পৰা পাৰ্টী আৰম্ভ হৈছে । আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়াৰ উপস্থিতিত ঘৰখন ভৰি পৰিল । ৰাতুলক সকলোৱে অভিনন্দন জনালে । তেনেতে মাক আহি ৰাতুলক ক'লে, " আলহীক খাবলৈ লৈ যা , ইমানদেৰি হ'ল অহা এতিয়ালৈকে একো খোৱাই হোৱা নাই । "

ৰাতুলে আলহীবোৰক খাবলৈ মাতি লৈ গ'ল । লাহে লাহে আলহীবোৰ ঘৰমুৱা হ'ব ধৰিছে । ৰাতিপুৱাৰ পৰা ইটো-সিটো কাম কৰি কৰি ৰাতুলৰ পেটত যেন নিগনিহে দৌৰিছে । ভোকত ৰ'ব নোৱাৰি ৰাতুলে ভাতৰ পাতত বহি ল'লে । চিকেন পোলাও,মাছৰ তৰকাৰী, ভাজি আদি দেখি ৰাতুলৰ ভোক দুগুণহে বাঢ়িল । ভাতগৰাহ খাব লওঁতেই ৰাতুলৰ গালে-মুখে পানীৰ ছিটিকণি পৰিল । ভালদৰে চাবলৈ চকু মেলোতেই দেখে যে তাৰ মাক । সি তৎক্ষণাত গাৰুৰ কাষতে থকা মবাইলটো হাতত তুলি খুলি চাই দেখে যে ৰাতিপুৱা ন টা বাজিছে ।।

# স্নেপশ্বট

**স্নেপশ্বট ১ :**

মাঘবিহুলৈ মাজত কেইদিনমানহে বাকী । মাকনৰ বুঢ়ীমাকে চকোৰা ধান বানিছে আগফালৰ চোতালত । ল'ৰাহ'তে মাৰ্বল খেলাত পুৱাৰ পৰাই ধৰিছে । মাকনে ৰঙাআলু ৩টা ধানৰ ওপৰতে দিছে । মাকে চাহ কৰি আনিছে । আটাইয়ে তৃপ্তিৰে খাইছে । হেপাঁহৰ ভোগালী ।

**স্নেপশ্বট ২ :**

উৎকট গৰম । শাওনৰ পথাৰত চিৰাল ফাঁট মেলিছে । ল'ৰাহঁতৰ মাজত ৰাতি গাঁৱৰ কেইঘৰমানৰ ঘৰত নাঙল চোচঁৰোৱাটো ফাইনেল হ'ল । ঘৰে ঘৰে টেক্টৰ । বহুত বিছাৰি নগেনৰ ঘৰৰ পৰা নাঙল এটা আনি কামফেৰিৰ শুভাৰম্ভণি ক'ৰা হ'ল । আইতাহঁতে কৈ যোৱাৰ দৰে পেন্দুকণা এটাক নাঙঠ কৰিও লোৱা হ'ল, যিহেতুকে কামফেৰা উৰ্বৰতাৰ লগতে জড়িত । কেইবাঘৰটো মিছন চলোৱা হ'ল । ঘৰৰ দুৱাৰমুখৰ পৰা পদূলিৰ নঙলামুখলৈ ! তেনেতে এঘৰত গৃহস্থই টৰ্চ মাৰে, "কোন অ' সেইকেইটা ?" এতিয়াহে এতিয়া !! আন্ধাৰত দিয়া লৰ !!

**স্নেপশ্বট ৩ :**

নিশা ৯ বাজিছে । সাতত সাৰে ভৰিত সাৰে চন্দ্ৰ দদাইদেউহঁতৰ ঢেঁকীটো ২টা ল'ৰাই দাঙি আনিলো । দদাইদেউহঁতে মজিয়াত ভাত খাইছে । ঢেঁকীৰ কটৰা ৪টা, অঁকাশলাডালো লগতে লোৱা হ'ল । ঢেঁকীটো পবনহঁতৰ বাঁহতলীয়া চেঁচুকীয়া পুখুৰীটোত থোৰাটো তললৈ দি ভালকৈ পুতি দিয়া হ'ল। লগতে অঁকাশলাডাল আৰু কটৰাকেইটাও । বাৰু এইখিনিও সুকলমে হৈ গ'ল । এতিয়া মাথোঁ অপেক্ষা কাইলৈ, দদাইদেউহঁতে গোৱালগালি দিয়ালৈ । কিয়নো গৃহস্থই গালি নিদিলে বৰযুণৰ কৃপাদৃষ্টি নপৰে বুলি প্ৰবাদ আছে ।

**স্নেপশ্বট ৪ :**

জীৱনত এবাৰেই ভেকুলী বিয়া দেখিছিলোঁ। গাঁৱৰ দুমূৰে দুঘৰ দৰাঘৰ আৰু কইনাঘৰ। মানুহৰ বিয়াৰ দৰেই জাকজমকতা। সকলো সাজি কাচি বিয়ালৈ আহিছে। ওজা এযোৰাকে আমন্ত্ৰণ দিয়া হৈছে। দৰা পথাৰৰ এটা পাতবেং আৰু কইনা এজনী চুকভেকুলী। বিয়াঘৰত উৰুলি আৰু বিয়ানামৰ জাউৰিৰ অন্ত নাই। শুভ লগনত দৰা পাতবেং এটি খালৈত আহি উপস্থিত। দৰাক তামূলীপিৰাত কলতলতে আদৰা হ'ল। কইনা চুকভেকুলী উৰণি টানি দৰা ওচৰতে বহেহি। বাইলুং আৰু পুৰোহিতে বিয়া সমাপন কৰে।  সকলোৰে আশীৰ্বাদ শিৰত লৈ ন দৰা-কইনাই বিদায় লয়।

**স্নেপশ্বট ৫ :**

"অই' কেঁচা আলিটোত কিয় উঠিছ !" চাহ-জলপান লৈ যোৱা গীতিমণিক সি মিহিকৈ ডবিয়ালে । মাক-দেউতাক ঢুকুৱাৰ পিছত তায়েই সাৰথি তাৰ সংসাৰখনিৰ । তাই বৈ দিয়া ৪০ ৰ সূতাৰ গামোছাখনে ঘাম মোহাৰি সি  ক'লে, "ইমান দেৰি কৰিলি যে ?" তাইৰ উত্তৰ,"হ'ব হ'ব ইমান চিন্তা কৰি দেখুৱাব নালাগে, (মাতটোত অভিমান) সোণটোৰ আজিৰে পৰা পৰীক্ষা নহয়, মন্দিৰতে চাকি এগছি দিলোগৈ ।

কুমুদ কোঁৱৰ
স্নাতকোত্তৰ ৩য় যাণ্মাসিক , ইংৰাজী বিভাগ
ডিব্রুগড় বিশ্ববিদ্যালয়





# উপন্যাস

# সপোনে গোপনে হেৰুৱালে বাট

জ্যোতিপ্ৰিয়া কলিতা

## খণ্ড- ১

### লালদাগ

বাহিৰত এতিয়া এজাক প্ৰাণ চঞ্চলা বতাহ বলিবলৈ আৰম্ভ কৰিছে । হেঁপাহৰ ফাগুন নামি আহিছে ডিব্ৰুগড়ৰ চৌপাশে । ফাগুন বুলিলে আজিও মাতাল ডি.ইউৰ এজাক যৌৱন । চাৰিওফালে নাহৰ আৰু পলাশৰ ৰঙা-ৰঙাবোৰেৰে গোটেই ডিব্ৰুগড়খনকে যেন এখন ৰঙা দুপাত্তাৰে আনৰ মুখ নলগাকৈ ঢাকিব পেলাব খুজিছে ইয়াৰ সৌন্দৰ্যক । সেউজীয়া চাহ বাগিচাৰে আৱৰা বাটটোৰ কাষে কাষে চালে চকুৰোৱা হৈ ফুলি আছে ডালিয়া আৰু বগানভেলিয়াবোৰ । কৰবাত যদি বগা, আন কৰবাত আকৌ হালধীয়া । আন কৰবাত আকৌ এইমাত্ৰ জন্ম হোৱা বেলিৰ দৰে ফুলি আছে ৰ'দৰ ফুলবোৰ । আস্, কি মনোৰম পৰিৱেশ । মুঠৰ ওপৰত ডিব্ৰুগড়ত এতিয়া মাতাল হৈ পৰা এটি পৰিৱেশে বিৰাজ কৰিছে ।

এসময়ত এইটো পৰিৱেশতে বাউলী হৈ পৰিছিলো মই । সেইবোৰ বাৰ বছৰৰ আগৰ কথা । চব আৱেগ সামৰি আজি আকৌ আহিছো মোৰ হেপাঁহৰ ঠাই ডুখৰলৈ । য'ত হাজাৰ হাজাৰ স্মৃতিৰে ভৰি আছে আৱেগৰ চোতালখন । হেঁপাহ, আৱেগ এইসকলোবোৰ সামৰি খিৰিকীৰ কাষত বহি আহি আছো ডি.ইউৰ বাকৰিলৈ । মনটোৱে নামানিছে কেতিয়া যে গৈ পামগৈ আপোন ঠাইডুখৰ । ডিব্ৰুগড়ৰ চাহ বাগিচাবোৰৰ সেউজীয়াবোৰ ফালি ফালি মনটোৱে উৰা মাৰিছে ডি.ইউলৈ । হেঁপাহৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ ।

কাণত হেডফোনডাল লগাই খিৰিকীৰ কাষত বহি নিজকে বিলীন কৰিছো কল্পনাৰ সাগৰত । ময়ো যেন কল্পনাৰ পাখি লগাই উৰি ফুৰা এজনী পৰিভ্ৰমী চৰাই । পলকতেই যেন লিৰিকি-বিদাৰি চলাথ কৰিম সকলোবোৰ । কাণত বাজি আছে গায়ত্ৰী বাৰ "সৰা পাতে পাতে ফাগুন নামে, পলাশৰে ৰং ৰাঙলী"

গীতটো । মনটো ভাল লাগি গ'ল কিবা এটা । বাহিৰলৈ চাই পঠিয়ালো । পামহি আৰু দুই মিনিটমানৰ পিচতেই হেঁপাহৰ গন্তব্যস্থানত ।

"ইউনিভাৰ্চিটি, ইউনিভাৰ্চিটি, ইউনিভাৰ্চিটি... ইউনিভাৰ্চিটি নামি ল'ব...। " হঠাৎ বাছ কণ্ডাক্টৰৰ চিঞৰত মোৰ তৎ আহিল । বাহিৰলৈ চালো ক্ষন্তেকপৰ । মনটো ফৰকাল হৈ পৰিল নিমিষতে । হেডফোনডাল কাণৰ পৰা আঁতৰাই বেগত ভৰাই কণ্ডাক্টৰজনক ভাড়াটো দি লাহেকৈ নামি আহিলো বাছখনৰ পৰা । মোৰ লগতে কেইবাজনো মানুহ নামিল তাতে । সকলোবোৰ অচিনাকী মুখ । চিনিয়েইবা পাম ক'ত ? তাতে আহিছো অত বছৰৰ মূৰত ।

বাছৰ পৰা নামি দুপাত্তাখন অকণমান ঠিক-ঠাক কৰি ল'লো । নিজকে নিজে পৰীক্ষা কৰাৰ দৰে কাপোৰ-কানি ঠিকে আছে নাই চাই কোবাকোবিকৈ সোমাই গ'লো জ্যোতি বাটচ'ৰাইদি । সকলোবোৰ সলনি হৈছে দেখোন । আগৰ আমি পঢ়াদিনতে থকা নাহৰবোৰো ওখ ওখ হৈ বৰ একোজোপাহঁক হ'লহি । ফিজিক্স ডিপাৰ্টমেণ্টৰ সন্মুখত আগতে ইমান ফুল নাছিল । এতিয়া দেশী-বিদেশী নানাৰঙী ফুলেৰে ঠাহ খাই আছে ডিপাৰ্টমেণ্টটো । কিন্তু ডিব্ৰু ইউনিভাৰ্চিটিৰ পৰিৱেশ একেই আছে, শান্ত আৰু নিৰিবিলি । নাহৰৰ কুমলীয়া পাতবোৰ ফাগুনৰ বতাহত ইমান ধুনীয়াকৈ লৰিব লাগিছে যে তাকে দেখি মনটোক সামৰিবই নোৱাৰিলো । আপুনা-আপুনি বেগৰ পৰা ফোনটো উলিয়াই আনিলো । নিমিষতে বেক কেমেৰাত বন্দী কৰিলো নাহৰৰ কুমলীয়া পাতবোৰক । এপলকৰ বাবে আকৌ এবাৰ বাৰ বছৰৰ আগৰ মইজনী হৈ পৰিলো । যিজনী ছোৱালীয়ে কোনোটো মুহূৰ্ত হাতৰ পৰা সাৰি যাব নিদিয়াকৈ ফোনটোতে ধৰি ৰাখিব খুজিছিলো। তাৰকাৰণে লগৰবোৰৰ পৰা কিমান যে ঠাত্তা-মস্কৰা শুনিবলৈ পাইছিলোঁ । এতিয়াটো সেইবোৰ চব অতীত হ'ল । লগৰ ছোৱালীবোৰ বহুতৰে বিয়া হৈ গ'ল । দুজনীমানৰ বিয়ালৈ গৈছিলোঁ । কেইজনীমানৰ বিয়াৰ কাৰ্ড পাইছিলো যদিও সিহঁতৰ বিয়ালৈ যোৱা নহৈছিল মোৰ । আমাৰ লগত পঢ়া ল'ৰাবোৰৰ ভিতৰত ৰাজীৱৰ বাহিৰে আৰু আন কাৰোৰে লগত মোৰ যোগাযোগ নোহোৱা হ'ল । হয়তু সেই ঘটনাটোৱেই মোক সকলোৰে পৰা আজি দূৰ কৰিলে । যাৰ কাৰণে আজি ৰাজীৱৰ বাহিৰে আন কোনোৱে মোক তাঁহাতৰ বান্ধৱী হিচাপে স্বীকৃতি দিবলৈ সংকোচ কৰা হ'ল । এই সকলোবোৰ ভুল বুজা-বুজিৰ মাজতেই শেষ হৈ গ'ল ।

\- - -

এইবাৰ খোজটো লাহেকৈ দিবলৈ আৰম্ভ কৰিলোঁ । ঠিক আগৰদৰেই ইফালে-সিফালে চাইছো । কৰবাত কিজানি দেখোৱেইবা তাক । বাৰ বছৰে কোনোধৰণৰ যোগাযোগ নাই মোৰ সৌৰভৰ লগত । ক'ত আছে কি কথা জানিবলৈ ইচ্ছা কৰিও মই লোৱা নাই তাৰ খবৰ । সিও মোৰ খবৰ নোলোৱা হ'ল তেতিয়াৰ পৰা । কিবোৰ যে ঘটি গ'ল আমাৰ জীৱনত । দুটা উঠি অহা সপোন বেলেগৰ দৃষ্টিয়ে থান-বান কৰি পেলালে নিমিষতে । এতিয়া আৰু মই তাক বা সি মোক বিচাৰি হাবাথুৰি খোৱাৰ কোনো প্ৰশ্নই থাকিব নোৱাৰে ।

কথাবোৰ ভাবিবলৈ বাদ দি আগুৱাই আহিলো লাইব্ৰেৰীৰ সমুখলৈ । মুখতে থকা বেঞ্চখনত বহি আকৌ এবাৰ ফাইলটো চেক্ কৰি ল'লো । মই জানো এই ফাইলটোৰ কাগজখিনিয়ে মোক কোনোদিন সহায় নকৰে । হয়তু সৌৰভকো নকৰে তাৰ চাৰ্টিফিকেটবোৰে । কিন্তু মই আশা হেৰুৱাই দিয়া নাই । প্ৰতিদিনেই চিন্তা কৰি আহিছো ৰি-এডমিচনৰ কথা । মোৰ আৰু সৌৰভৰ লগত সেই অঘটনটো নঘটা হ'লে আজি হয়তু আমি দুয়ো দুখন কলেজতে প্ৰতিষ্ঠা কৰিব পাৰিলোহেঁতেন নিজকে । কি যে হৈ গ'ল ঘপককৈ । কাক বুজাম, কোনেওতো নুবুজে । কাৰোবাক ক'লেও বুকুখন পাতল লাগিব বুলি ভাবো । কিন্তু উঁহু, কোনো নাই তেনেকুৱা সময় থকা মানুহ । সময় থাকিলেও কোনেও নুশুনে । আৰু শুনিলেও পুতৌহে কৰে । মোৰ মন নাযায় কাৰোবাৰ পুতৌৰ পাত্ৰ হ'বলৈ ।

ফাইলটো ভালকৈ সামৰি এইবাৰ একেবাৰে এডমিনিষ্ট্ৰেটিভ বিল্ডিং পালোহি । বুকুখন ধক্ কৰিল আকৌ এবাৰ । আকৌ সেই একেটা চিটুৱেশ্বনয়েই ফেচ কৰিব লাগিব । " নাই নাই, মই ইমান সহজে হাৰ মানি দিলে নহ'ব । দৰকাৰ হ'লে এইবাৰ মই HOD ছাৰৰ হতুৱাই এপ্ৰুভ কৰিম এপ্লিকেশ্বনখন ।" মনটোকে সান্ত্বনা দি ওপৰ মহলালৈ উঠি গ'লো । যিমানে ষ্টেপকেইটাত খোজ পেলাইছো সিমানেই দেখোন মোৰ মনটো গধুৰহে হৈ আহিছে । ভৰিকেইখন যেন আগলৈ যাব খোজা নাই ।

" মে আই কাম ইন ছাৰ ?"

" ইয়েচ, কাম ইন । "

সোমাই আহি অলপ পৰ চাৰিওফালে চালো । ষ্টাফ্‌ৰ মানুহ কম । কৰবাত দুই-এজন আছে । হঠাৎ চকু পৰিল দেৱালত থকা ঘড়ীটোলৈ । দুই বাজিবলৈ পোন্ধৰ মিনিট এতিয়াও বাকী । তাৰমানে খালী হৈ থকা চকীৰ মানুহবোৰ লাঞ্চব্ৰেকত আছে ।

" কিবা কাম আছিল নেকি আপোনাৰ ?"

সমুখৰফালে থকা ল'ৰাজনৰ মাতত থত্‌মত্‌ খালো হঠাৎ । আমি পঢ়োতে এইখন চকীত অচিন্ত শৰ্মা নামৰ মানুহ এজন আছিল । এতিয়া তেওঁৰ ঠাইত বেলেগ এজন বহি আছে । তেওঁতকৈ বয়সত বহু সৰু যেনেই লাগিছে । দেখাত ল'ৰাজন নম্ৰ স্বভাৱৰ ।

"হয় । মই ৰি-এডমিশ্বনৰ কামত আহিছিলো ।"

"ৰি- এডমিশ্বন ? কিয় ? কিমান বছৰ আগতে ওলাইছিল আপুনি ?" ল'ৰাজনে আচৰিত হৈ প্ৰশ্ন কৰিলে ।

"হয় । মই ২০০৬ চনতে পঢ়িছিলো । বিশেষ কাৰণত সম্পূৰ্ণ কৰা নহ'ল । গতিকে এতিয়া আকৌ এডমিশ্বন লোৱাৰ কথা চিন্তা কৰিছো । "

"চাওঁ, আপোনাৰ ডকুমেণ্টখিনি দিব । "

মই ভয়ে-সংকোচে আগবঢ়াই দিলো ফাইলটো তেওঁৰফালে । তেওঁ কেনেধৰণৰ প্ৰতিক্ৰিয়া দেখুৱাই সেয়া ভাবি বুকুখন কঁপি উঠিল । ধক্‌ধক্‌ ধক্‌ধক্‌... মানুহজনে বিশেষ একো প্ৰতিক্ৰিয়া নেদেখুৱালে । তললৈ মূৰ কৰিয়েই ক'লে, "চাওক বাইদেউ, আপুনাৰ ৰি-এডমিশ্বনক লৈ আমি একো কৰিব নোৱাৰিম । বাৰ বছৰ আগতেই ইয়াত ৰেজিষ্ট্ৰাৰৰ ছীল লাগি আছে । তাৰ ওপৰলৈ গৈ আমি একো কৰিব নোৱাৰিম । বেয়া নাপাব । "

"কিন্তু সাধাৰণ ভুল বুজা-বুজিৰ কাৰণে..."

মোৰ কথাখিনি শেষ নৌহওঁতেই ল'ৰাজনে আকৌ ক'লে, " আপোনাৰ ব্যক্তিগত কথা সেইবোৰ । কিন্তু আপোনাৰ চাৰ্টিফিকেটত লাগি থকা এই দাগটোৰ ওপৰত আমি কোনো ষ্টাফেই মাত মাতিব নোৱাৰোঁ । এয়া আপোনাৰ ফাইলটো লৈ ল'ব । "

খঙত, দুখত এখোজ-দুখোজকৈ ফাইলটো লৈ গুছি আহিলো মই । মোৰ কাৰণে এনেকৈ নথি-পত্ৰ সামৰি ওলাই অহাতো কোনোধৰণৰ নতুন কথা নহয়ব। আগতেও বহুবাৰ এনেকৈ ওলাই আহিছো এটা অফিচৰ পৰা আনটো অফিচলৈ । আগতে বহুবাৰ অচিন্ত ছাৰৰ কথাত নিজকে হত্যাও কৰিছো মই । কাৰণ তেওঁৰ হুতা মাতবোৰত মই নিজকে বেলেগ এজনী ছোৱালী হিচাপে সামৰিবলগীয়া হৈছিল । হয়তু আজি এই ল'ৰাজনৰ ঠাইত শৰ্মা ছাৰ থকা হ'লে তেনেকৈয়ে হত্যা কৰি মাৰি পেলালোহেঁতেন নিজকে । কাৰণ তেওঁৰ কথাই মোক মই নহ'বলৈ বাধ্য কৰাইছিল । কেৱল মই আৰু সৌৰভে জানিছিলো আজিৰ পৰা বাৰ বছৰ আগতে কি হৈছিল আমাৰ মাজত । কোনো নুবুজিলে আমাক । না মোক মোৰ বন্ধু- বান্ধৱীয়ে বুজিলে না সৌৰভৰ বন্ধুয়ে সৌৰভক বুজিলে । কোনো নুশুনিলে আমাৰ কান্দোনৰ শব্দ । কিহৰ কাৰণে আমাৰ চাৰ্টিফিকেটত লালদাগ লাগিবলৈ পালে সকলো সাঁথৰ হৈ পৰি থাকিল । কেতিয়াবা খং উঠে নিজৰ ওপৰত । কিন্তু পিছ মুহূৰ্ততে সৌৰভৰ চকুযুৰিলৈ মনত পৰে । তাৰো ছাগে মোৰ দৰেই অৱস্থা । সি বাৰু কি কৰে আজিকালি । তাৰ বিয়া-বাৰু হ'ল নে নাই এতিয়াও জানিবলৈ মন যায় ।

এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ পৰা ওলাই আহিলো নিৰস মনটোক লৈ । বাহিৰত চিপ্‌চিপ্‌কৈ বৰষুণ পৰিব ধৰিছে তেতিয়াও । ছাতিটো মেলিবলৈ মন নগ'ল । আকৌ এবাৰ মন গ'ল ফাগুনৰ বৰষুণত নিজকে তিয়াই দিবলৈ । কিন্তু মোক তিয়াই জুৰুলী কৰিব পৰাকৈ বৰষুণজাক নাহিল । মাত্ৰ কিবা এটা চেঁচা চেঁচা অনুভৱ হ'ল । কিন্তু চেঁচা টোপালকেইটাই ক্ষন্তেকৰ কাৰণে তৃপ্তি দি গ'ল মনত । চাহ একাপৰ অভাৱ বৰকৈ অনুভৱ কৰাত লাহেকৈ জংচাগৰফালে সোমাই আহিলেঁ ।

- - - -

জংচাগ । নামতেই মায়া আছে । হয়তু ডিব্ৰু ইউনিভাৰ্চিটিত পঢ়ি যোৱা প্ৰতিজন যৌৱনৰ বুকুৰ স্পন্দন আছে জংচাগৰ বাকৰিত । বাৰ বছৰত বহুত সলনি হৈছে ডি.ইউত । জংচাগ কেণ্টিনখনতো সলনি হোৱাৰ ছাঁ দেখিছো'। আগৰ কান্তাবাই নাই দেখোন এতিয়া । পাৰ্থ নামৰ সৰু ল'ৰা এটাও আছিল আমি পঢ়ি

থাকোঁতে । সিও নাই'। ইফালে-সিফালে চালো ক'ত খালী চকী আছে । অলপ আঁতৰতে দাবুল চেয়াৰৰ টেবুল এখন খালী আছে । তালৈকে আহিলো । দিনটোৰ ভাগৰকণ যেন ইয়াতেই শেষ কৰি যাম । ওৱেইটাৰজন আহিল মেন্যুখন লৈ ।

"কি খাব বাইদেউ ?"

"চাওঁ, মেন্যুখন দিয়াচোন ! মই চাই লওঁ ৰ'বা'। তুমি যোৱা । দৰকাৰ হ'লে মাতিম তোমাক ।"

ল'ৰাটোৱে মিচিককৈ হাঁহিটো মাৰি গুছি গ'ল । বহুতপৰ চাই থাকিলো । ৱেইটাৰজনক মাতি চাহ মিঠাইকে অৰ্ডাৰ কৰিলোঁ । জংচাগৰ চাহকাপত যিটো টেষ্ট আছে সেয়া নামী-দামী হোটেলৰ চাহেও যে পাত্তা নাপাই সেয়া খাতাং । চাহ খাই হওঁ মানে বাহিৰৰ বৰষুণজাক ক্ৰমশঃ জোৰকৈ আহিবলৈ ধৰিলে'। ছাটিটো বেগৰ পৰা ওলিয়াই ওলাই আহিলো । ....

-- -- --

বৰষুণনো কাৰ অপ্ৰিয় । তাতে ফাগুনৰ বৰষুণ । ফুটপাথেৰে আকৌ আহি আছো মেইন ৰ'ডৰফালে । মাজে মাজে নাহৰৰ ৰঙা-ৰঙা কুমলীয়া পাতবোৰৰ পৰা বৰষুণৰ টোপালবোৰ চিটিকি পৰিছে মোৰ গাত । ভালে লাগি গ'ল মনটো বৰষুণৰ পৰশত । মনতে গুণগুণায়েই পেলাইছো "বৰষুণ গচকো ব'ল,

ভাললগা গীত গাওঁ ব'ল..."

যিটো হেঁপাহ লৈ ইউনিভাৰ্চিটিলৈ আহিছিলো, সেই হেঁপাহটো এতিয়া নাই'। থাকিবনো ক'ত । উদ্দেশ্যইচোন পূৰ নহৈছে মোৰ । আগতে এই বাটেৰে খোজ কাঢ়িবলৈ কিমান যে লগ আছিল মোৰ । লগৰবোৰৰ লগত তেতিয়া বৰষুণতো আড্ডা জমিছিল আমাৰ । তাতে আমাৰ লগত পঢ়া সীমান্তৰ কথাবোৰ মনত পৰিলে আজিও হাঁহি উঠে । কথাবোৰ কওঁতে লাগি-লাগি ধৰিছিল তাৰ । কেতিয়াবা পৰিস্থিতি এনেকুৱাও হৈছিলগৈ যে তাক আমি পাছফালৰ পৰা ঢকা এটা দিলেহে সি কথা আগবঢ়াব পাৰিছিল । আমি সীমান্তক কেতিয়াবা জোখতকৈ বেছি জোৰকৈ ঢকাটো মাৰি কিমান যে ফূৰ্তি পাইছিলো । তাৰপিছত তাৰ খংটোও কিন্তু চাবলগীয়া হৈছিল । সেইবোৰকে মনত পেলাই কেতিয়াবা মই অকলে অকলে হাঁহো । মইতো সিহঁতবোৰক আধাতে এৰিলো । কিন্তু বাকী লগৰবোৰৰ লগতো সীমান্তৰ যোগাযোগ নাই বুলি শুনিছো ।

সৰুফুটীয়া ল'ৰাটো বৰ মৰমৰ আছিল আমাৰ কাৰণে । সীমান্তক আৰু মই লগ নাপালো । শুনিছো এতিয়া সি উজনিৰ কোনোবা এখন কলেজৰ এচিষ্টেণ্ট প্ৰফেচৰ ।

হাইওৱে পাওঁহি মানে বৰষুণজাক এৰিল । গাড়ীলৈ বুলি দহমিনিটমান ৰ'লো । নাই এখনো বাছ নাইচোন । ওচৰতে থকা ৰেষ্ট হাউচৰ বেঞ্চখনতে বহি চাই ৰ'লো গাড়ী অহালৈ । প্ৰায় পোন্ধৰ মিনিটমান ৰোৱাৰ পিছত যেনিবা ট্ৰেভেলাৰ এখন আহিল । তাতে যিমানসোপাহে মানুহ পাণ জপাদি জাপি আনিছে । উপায় নাপায় উঠি আহিলো কোনোমতে থিয় হৈ । গাড়ীখনে ব্ৰেক মাৰিলে ওপৰত থকা ৰেলিংডালত জোৰকৈ মুঠি মাৰি ধৰো । নহ'লে ক'ত পৰোগৈ ঠিক নাই । মৰাণ পোৱাৰ আগে আগে যেনিবা মই বহিবলৈ চিট এটা পালো মহিলা এগৰাকীৰ লগতে । মহিলাগৰাকী খুউব সহজ-সৰল যেন লাগিল । পিন্ধনত এখন গ্ৰীণ কালাৰৰ শাড়ী পিন্ধিছে । হাততে মোৰ নিচিনাকৈ স্কাৰ্ফ এখন মেৰিয়াই লৈছে । তেওঁ মাজে মাজে মোলৈ চাই কোনোবা চিনাকী মানুহৰ দৰে । কিন্তু আকৌ সিফালে ঘূৰাই নিয়ে মুখখন । ময়ো অকণমান সংকোচ কৰিলো মাতিবলৈ । একেটা চিটতে বহিও আমাৰ মাত-বোল নহ'ল । অলপদূৰ যোৱাৰ পিছত তেঁৰো নামিল গাড়ীখনৰ পৰা । এইবাৰ মই খিৰিকীৰ কাষৰ চিটটোলৈ আহি কাণত হেডফোনডাল লগাই ল'লো । গাড়ীত গ'লে কাণত হেডফোন লগোৱাটো মোৰ পূৰণা অভ্যাস । আকৌ কাণত বাজিল পুৰণি হিন্দী এলবামৰ মোৰ এটি প্ৰিয় গীত " প্যাৰ কী কাগজ পে, দিলকী কলম চে..." । চকুহাল মুদি গানটোৰ মাজলৈ সোমাই গ'লো । মাজে মাজে গাড়ীখনে ব্ৰেক মাৰিলে আকৌ ঘূৰি আঁহো বাস্তৱ পৃথিৱীলৈ ।

আগলৈ...

নাহৰ মাহেকীয়া ই-আলোচনী
প্ৰথম বছৰ , দ্বিতীয় সংখ্যা




# চলচ্চিত্ৰ – ৱেব চিৰিজ
# সমালোচনা

# চিনেমা সমালোচনা “শ্লামড’গ মিলেনিয়াৰ”( বস্তিৰ লক্ষপতি)

**Iftikar Alam**
**Department of Physics**
**Dibrugarh University**

শ্লামড’গ মিলেনিয়াৰ নামৰ চলচ্চিত্ৰখনত পৰিচালক ডেনী বয়লে , এগৰাকী ভাৰতীয় যুৱকৰ কাহিনী বৰ্ণনা কৰিছে যিয়ে “Who Wants To Be Millionaire”(কোন হ’ব বিচাৰে লক্ষপতি) নামক অনুষ্ঠানটিত জয়লাভ কৰিবলৈ সক্ষম হয়। চলচ্চিত্ৰখনৰ মূল বিষয়বস্তু হ'ল , “দৰিদ্ৰতা মানুহৰ সফলতাৰ বাধা কেতিয়াও হ’ব নোৱাৰে, সৎ লক্ষ্য আৰু অটুট সাহস থাকিলে মানুহে দৰিদ্ৰতাৰ দুৱাৰ নেওঁচি নিজৰ লক্ষ্যত উপনীত হ’ব পাৰে।” চলচ্চিত্ৰখনত উপস্থাপন কৰা কাহিনীটো যদিওঁবা পশ্চিমীয়া দেশত বাস কৰা লোকসকলৰ জীৱনশৈলীৰ সৈতে নিমিলে, তথাপি ইয়াৰ মূল বিষয়বস্তুটোৱে সমগ্ৰ মানৱ জাতিৰ অন্তৰ চুই যাবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে, চলচ্চিত্ৰখনৰ পৰিচালক, প্ৰযোজককে ধৰি নিৰ্মাণ কাৰ্যত থকা প্ৰায়ভাগ লোক পশ্চিমীয়া দেশৰ নাগৰিক । এতিয়া আহোঁ কাহিনীভাগলৈ; ছবিখনত দেখিবলৈ পোৱা গৈছে যে জামাল মালিক নামৰ বস্তিত ডাঙৰ-দীঘল হোৱা



চৰিত্ৰটোক "কোন হ'ব বিচাৰে লক্ষপতি" নামক অনুষ্ঠানটিত অতিথি হিচাপে আমন্ত্ৰণ কৰা হৈছিল আৰু অনুষ্ঠানটিৰ নিয়ম অনুসৰি প্ৰতিটো শুদ্ধ উত্তৰৰ বিনিময়ত তেখেতক ধন প্ৰদান কৰিছিল। আচৰিত হ'বলগীয়া বিষয়টো হ'ল, তেখেতক যিবোৰ প্ৰশ্ন সোধা হৈছিল সেই প্ৰশ্নবোৰৰ উত্তৰ তেখেতে বস্তিৰ নিজৰ জীৱনৰ মাজত বিচাৰি পাইছিল অৰ্থাৎ কৈশোৰ অৱস্থাত দেখি-ঠেকি যিবোৰ কথা শিকিছিল সেই অভিজ্ঞতাবোৰেই তেখেতকক লক্ষপতি হোৱাত সহায় কৰিছিল। ছবিখনত উপস্থাপন কৰা অনুসৰি মুম্বাইৰ জুপুৰিত ডাঙৰ-দীঘল হোৱা জামাল মালিকে সৰুকালিতেই ধৰ্মীয় সংঘৰ্ষত নিজৰ মাকক চকুৰ আগত হেৰুৱাইছিল । যদিওঁ তেখেতৰ জ্যষ্ঠ ভাতৃয়ে নিজক জীয়াই ৰাখিবৰ বাবে অপৰাধৰ পথ বাচি লৈছিল তাৰ বিপৰীতে জামালে কষ্ট কৰি নিজৰ ভৰণ- পোষণ দিছিল । ছবিখন উপভোগ কৰাৰ পিছত প্ৰায়বোৰ দৰ্শকৰ মনত হয়তো এটা প্ৰশ্ন উদয় হয় , “ভাৰতত কিয় নিৰ্মাণ কৰিলে ছবিখন ?” প্ৰশ্নটো দেখিবলৈ যিমান পোনপটীয়া , ইয়াৰ উত্তৰ সিমানেই বেছি আওঁপকীয়া । পৃথিৱীৰ প্ৰত্যেক সমাজতেই , সমাজত বাস কৰা লোকসকলৰ মাজত শ্ৰেণীবিভাজন দেখা যায়; এই বিভাজন মূলতঃ ভাষা, ধৰ্ম, ৰাজনৈতিক মনোভাৱ, ভূগোল, অৰ্থনৈতিক স্বকীয়তা, দেহৰ সৌন্দৰ্য আদিৰ ওপৰত ভিত্তি কৰি হোৱা দেখা যায়। নিজ জাতি বা শ্ৰেণীৰ সুকীয়া চিনাক্তকৰণ থকাটো ভূল নহয়; ভুল তেতিয়া হয় যেতিয়া সুবিধাভোগী শ্ৰেণীটোৱে পিছপৰা শ্ৰেণীটোক নীচ নজৰেৰে চাই আৰু তেওঁলোকক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰে। উল্লেখযোগ্য যে ভাৰতৰ বিভিন্ন ঠাইত এতিয়াও শ্ৰেণীবিভাজনৰ আওঁতা লৈ উচ্চ খাপৰ লোকে নিম্ন খাপৰ লোকসকলক নিজ স্বাৰ্থৰ হকে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। কিছুক্ষেত্ৰত দেখা যায় অৰ্থনৈতিকভাবে টনকিয়াল লোকে দুখীয়া মানুহৰ উন্নতিৰ পথত বাধা হিচাপে থিয় দিয়ে ; ঘৰ ভাড়া দিয়াৰ পৰা আৰম্ভ কৰি একেলগে বহি এখাঁজ খোৱালৈকে উচ্চ-নীচৰ ভাৱ মনত পুহি ৰাখে; বহু ঠাইত এতিয়াও মানুহে

অস্পৰ্শনীতি পালন কৰে ; বস্তিত বাস কৰা লোকে নিজৰ পেট পূৰাবৰ বাবে আনৰ অধীনত কাম কৰিবলগীয়া হয় আৰু আনে যদি অসংবিধানিক কামতো লিপ্ত হ'বলৈ কয়, তেওঁলোকে নিজক জীয়াই ৰখাৰ খাটিৰত সেই কামবোৰো কৰিবলগীয়া হয়। দৰিদ্ৰতাৰ সুযোগ লৈ এচাম সুবিধাভোগীয়ে কিদৰে নাৰীক বলপূৰ্বক ভাৱে দেহ ব্যৱসায়ত লিপ্ত হ'বলৈ বাধ্য কৰায়, তাৰো এটা প্ৰতিফলন দেখাবলৈ ছবিখনত চেষ্টা কৰা হৈছে। হয়তো এনেবোৰ কাৰণতে উক্ত চলচ্চিত্ৰখন ভাৰতত নিৰ্মাণ কৰা হৈছিল। যদিওঁবা চলচ্চিত্ৰখনৰ শিৰোনাম "Slumdog millionaire" (বস্তিৰ লক্ষপতি) , কিন্তু ওপৰত উল্লেখ কৰাৰ দৰে ইয়াৰ মূল বিষয়বস্তু, এক অনুষ্ঠানৰ জৰিয়তে ধন উপাৰ্জন কৰা নহয়। পৰিচালক/ প্ৰযোজককে বস্তিত বাস কৰা লোকসকলৰ জীৱনশৈলী , তেওঁলোকৰ চিন্তাধাৰা, তাত স্বাভাৱিকতেই হোৱা বিভিন্ন অপৰাধ আদি দিশবোৰ সুন্দৰভাৱে উপস্থাপন কৰিবলৈ চেষ্টা কৰিছে। চলচ্চিত্ৰখনত দেখা গৈছে , মুখ্য চৰিত্ৰ 'জামাল মালিকে' কোনোদিন বিদ্যায়তনিক জীৱনত ভৰি দিয়া নাছিল, কিন্তু তেখেতে কৈশোৰ অৱস্থাত প্ৰত্যেকটো ঘটনা সূক্ষ্ম দৃষ্টিৰে লক্ষ্য কৰিছিল যাৰ ফলত তেখেতে লক্ষপতি হোৱাৰ উপৰিও নিজৰ প্ৰেমিকাক ঘূৰাই পাবলৈ সক্ষম হৈছিল। উল্লেখযোগ্য যে 'জামাল মালিক'ৰ জ্যষ্ঠ ভাতৃৰ চৰিত্ৰ পালন কৰা 'চালিম মালিক'ৰ অপৰাধমূলক কামত লিপ্ত হোৱাৰ ফলত মৃত্যু হৈছিল, অৰ্থাৎ লিখক/ পৰিচালকে উপস্থাপন কৰিব বিচাৰিছিল যে , দৰিদ্ৰতাই মানুহক অপৰাধপ্ৰৱণ কৰি তুলিলেও মানুহে নিজ চিন্তাধাৰা সদায় সপথে পৰিচালনা কৰিব লাগে, কাৰণ অপৰাধীয়ে নিজ স্বাৰ্থ পূৰণ কৰিবলৈ যাওঁতে নিৰ্দোষী মানুহক কষ্ট দিয়ে। গুৰুত্বপূৰ্ণ যে ২০০৯ চনত সম্পূৰ্ণৰূপে মুক্তি লাভ কৰা, বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হোৱা উক্ত চলচ্চিত্ৰখনে, শ্ৰেষ্ঠ ছবি, শ্ৰেষ্ঠ পৰিচালককে আদি কৰি সৰ্বমুঠ ৮ টা বিভাগত অ'স্কাৰ পুৰস্কাৰেৰে সন্মানিত হয়। তাৰোপৰি, "ব্ৰিটিছ অকাডেমি ফিল্ম এৱাৰ্ড"(BAFTA)ৰ তৰফৰ পৰা বিভিন্ন শিতানত ৭টা পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। আমাৰ মনত হয়তো এটা প্ৰশ্নৰ উদয় হ'ব পাৰে যে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত ভাৰতৰ বস্তিত বাস কৰা লোকসকলৰ জীৱনশৈলী দাঙি ধৰি ভাৰতৰ আন্তৰাষ্ট্ৰীয় মৰ্যদা ম্লান কৰিবলৈ চেষ্টা কৰা হ'ল নেকি !(?) পোনপটীয়া ভাষাত ক'বলৈ গ'লে, দেশ এখনৰ দৰিদ্ৰতাই দেশখনৰ আন্তঃৰাষ্ট্ৰীয় ছবিত কোনোধৰণৰ প্ৰভাৱ নেপেলাই; ৰাষ্ট্ৰ এখনৰ আন্তঃৰাষ্ট্ৰীয় ছবি নিৰ্ভৰ কৰে আন ৰাষ্ট্ৰৰ সৈতে থকা কূটনৈতিক সম্পৰ্ক আৰু আন ৰাষ্ট্ৰৰ নাগৰিকৰ প্ৰতি থকা সহিষ্ণুতাৰ ওপৰত। হয়তো আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত বস্তিৰ এই ছবিখন দাঙি ধৰাৰ ফলত সংশ্লিষ্ট চৰকাৰেও সেই লোকসকলৰ উন্নতিৰ হকে কাম কৰিবলৈ বাধ্য হৈছে। আজিৰ তাৰিখতো ভাৰতৰ বিভিন্ন চহৰত কণ-কণ শিশুবিলাকে ৰাস্তাই-ঘাটে বাতৰি কাকত বিক্ৰী কৰি নিজক পোহপাল দিয়া দেখা যায়; নিজৰ অন্ন আৰু বাসস্থানৰ ঘাটি দূৰ কৰাৰ অৰ্থে আনৰ ঘৰত কাম কৰিবলৈ যোৱা পৰিলক্ষিত হয়। বিনামূলীয়া শিক্ষা, শিশু শ্ৰমি বিৰোধী আইন, তেওঁলোকৰ বাবে এতিয়াও যেন ফলপ্ৰসূ হৈ উঠা নাই। সৎ কামৰ সৰু-বৰ হিচাপে ভাগ নাথাকে, তথাপিও, আমাৰ চাৰিওফালে থকা বিশ্ববিদ্যালয়সমূহত চাফাইকৰ্মী হিচাপে থকা মানুহকেইজনলৈ যদি লক্ষ্য কৰা যায়, তেওঁলোকৰ প্ৰায়ভাগেই এটা বিশেষ শ্ৰেণীৰ লোক; তেনেকুৱা কিয় হয়, (?) তথাকথিত উচ্চ শ্ৰেণীৰ লোকে সেই কৰ্মীসকলক প্ৰজন্মৰ পৰা প্ৰজন্ম ধৰি এটা কামতেই নিয়োজিত কৰি ৰাখিছে নেকি !(?) শেষত , চলচ্চিত্ৰখনৰ জৰিয়তে আমি এই বাৰ্তাটোৱেই পাবলৈ সক্ষম হৈছোঁ যে, নৈতিকতা, সততা, দায়িত্ববোধ আদিবোৰ পৃথিৱীৰ প্ৰত্যেক সংস্কৃতিৰ মূলমন্ত্ৰ । এগৰাকী সৎ ব্যক্তিয়ে পৃথিৱীৰ যিকোনো ঠাইত, যিকোনো পৰিস্থিতিত নিজক খাপ্ খুৱাই চলিব পাৰে; জাতি , ধৰ্ম , ভাষা উভয়ে সকলো ব্যক্তিৰ লগত নিজক মিলাই চলিব পাৰে। দৰিদ্ৰতাত বাস কৰা লোকেওঁ যে নিজৰ অধ্যৱসায়ৰ ফলত উচ্চ শ্ৰেণীৰ লোকৰ লগত ফেৰ মাৰিব পাৰে তাৰ এটা প্ৰতিফলন দেখাবলৈ চেষ্টা কৰা হৈছে। ভাৰতীয় সংস্কৃতিৰ মূলমন্ত্ৰ, “Unity In Diversity” (বৈষম্যৰ মাজতো একতা) অনুমোদন কৰিবলৈ লিখক/পৰিচালক/ প্ৰযোজকে যেন অহৰহ প্ৰচেষ্টা চলাইছে ।




## ৱেব চিৰিজৰ সমালোচনা - ইট্‌চ অ'কে নট টু বি অ'কে (It's Okay Not to be Okay)

প্ৰতিস্থিতা বৰুৱা
তৃতীয় ষাণ্মাসিক
জৈৱ প্ৰজুক্তি আৰু জৈৱ তথ্য প্ৰজুক্তি কেন্দ্ৰ

"Your body is honest. When you're in physical pain, you cry. But the heart is a liar. It stays quiet even when it's hearting. Then, when you're asleep, you finally weep and whimper like a dog."

-Moon Sang-tae (It's Okay Not to be Okay)

আমাৰ চাৰিওকাষে সংঘটিত হোৱা কিছুমান পৰিঘটনাই কেতিয়াবা আমাৰ মনত দকৈ চাপ পেলাই যায় । হয়তো কেতিয়াবা শৈশৱাস্থাত ভোগ কৰা অৱহেলা, নিৰ্যাতন, কোনো দুৰ্ঘটনা, ভৱিষ্যত উচ্চাকাংক্ষা নতুবা বৰ্তমানৰ ক'ভিড মহামাৰী সৃষ্ট যি ত্ৰাস তথা অচলাৱস্থা সততে মানসিক অস্থিৰতাৰ কাৰণ হৈ পৰিব পাৰে । শৰীৰত পোৱা আঘাত আমি দেখোঁ কিন্তু মনৰ আঘাত অদৃশ্য । বহুতেই আকৌ আনৰ আগত দুৰ্বল হৈ পৰাৰ ভয়ত খুলি ক'ব নোখোজে । অত্যধিক মানসিক চাপে মানুহক অসহায়তাৰ শিকলিৰে বান্ধি পেলাব পাৰে, সমাজৰ পৰা আঁতৰাই আনিব পাৰে । এনে কিছুমান বিষয়বস্তুকে সুন্দৰকৈ দাঙি ধৰা হৈছে Netflix ৰ It's Okay Not to be Okay শীৰ্ষক ৱেব- চিৰিজখনত । দক্ষিণ কোৰিয়া মূলৰ ৰোমাঞ্চ-ড্ৰামাখনৰ কাহিনী জো য়ং (Jo young ) ৰ তথা পৰিচালনা পাৰ্ক শ্বিন্-ৱো (Park Shin-woo) ৰ । TvN আৰু Netflix জৰিয়তে

আন্তৰ্জাতিক ৰিলিজ দিয়া চিৰিজখন ১৬ টা খণ্ডত বিভক্ত । ৱেব-চিৰিজখনৰ মূল কাহিনী সৃষ্টি হৈছে নিজৰ অটিষ্টিক (Autistic) জেষ্ঠ ভাতৃক প্ৰতিপাল কৰাৰ লগতে মানসিক চিকিৎসালয়ৰ স্বেচ্ছাসেৱক মুন গাং-টে'(Moon Gang-tae), জেষ্ঠ ভাতৃ মুন চাং-টে'(Moon Sang-tae) আৰু জনপ্ৰিয় সমাজ–বিৰোধী শিশু সাহিত্যিক কাং মুন-য়ং(Kang Moon-young) ক কেন্দ্ৰ কৰি । The New York Times য়ে ড্ৰামাখনক "২০২০ চনৰ শ্ৰেষ্ঠ ছবিসমূহৰ অন্যতম " (one of "The Best International Shows of 2020") বুলি ঘোষণা কৰিছে ।

## সংক্ষিপ্ত পটভূমি:

চিৰিজখনৰ কাহিনী আৰম্ভ হৈছে এটি ৰূপকথাৰে (Fairytale), এটি শাপগ্ৰস্ত ৰাজকাৰেঙত ডাঙৰ-দীঘল হোৱা এগৰাকী অকলশৰীয়া ৰাজকুমাৰীৰ সাধুৰে । চিৰিজখনৰ পিছৰ খণ্ডত এই সাধুটিৰ মূল নায়ক- নায়িকাৰ শৈশৱৰ সৈতে সাদৃশ্য দেখুওৱা হৈছে । এনেদৰে, কাহিনী আগবাঢ়ি যোৱাৰ লগে- লগে কেইটামান ৰূপকথাৰ যোগেৰে লিখকে খুব বুদ্ধিমত্তাৰে দৰ্শকক কিছুমান নীতিশিক্ষা দি গৈছে ।

মাতৃৰ মৃত্যুৰ পিছৰে পৰা মুন গাং-টে' য়ে তেওঁৰ অটিষ্টিক জেষ্ঠ ভাতৃ চাং-টে'ৰ প্ৰতিপালন কৰে আৰু দুয়ো একেলগে বসবাস কৰে । মাতৃৰ হত্যাকাণ্ডৰ একমাত্ৰ সাক্ষী চাং-টে' মানসিকভাৱে ব্যতিব্যস্ত হৈ পৰিছিল আৰু পখিলাৰ প্ৰতি ফ'বিয়া (Phobia) ৰ জন্ম হৈছিল । ফলস্বৰূপে, তেওঁলোকে সঘনাই চহৰ সলাই ফুৰিছিল আৰু যি ঠাইতে থিতাপি লৈছিল তাতে গাং-টে'য়ে মানসিক চিকিৎসালয়ত সেৱা আগবঢ়াইছিল । এনেদৰে, এদিন সমাজ–বিৰোধী স্বভাৱৰ (Antisocial personality disorder) বাবে কুখ্যাত তথা জনপ্ৰিয় শিশু সাহিত্যিক কাং মুন-য়নঙৰ সৈতে মুখামুখি হৈছিল । চাং-টে' লেখিকা মুন-য়নঙৰ অনুৰাগী আছিল ।

পৰিস্থিতিৰ চক্ৰবেহুত পৰি দুয়ো ভাতৃ নিজ জন্মচহৰ ছিয়ংজিনলৈ ওভতি যায় আৰু গাং-টে' য়ে তাৰে অ'হ জি-ৱাং (Oh Ji-wang) ৰ দ্বাৰা পৰিচালিত অ'কে মানসিক চিকিৎসালয়ত (OK Psychiatric Hospital) সেৱা আগবঢ়াবলৈ লয় । ইতিমধ্যে, মুন-য়ঙে গাং-টে' আৰু তেওঁৰ শৈশৱৰ ক্ষন্তেকীয়া বন্ধুত্বৰ বিষয়ে জানিব পাৰি গাং-টে'ৰ অনুসৰণ কৰি ছিয়ংজিন চহৰলৈ যায় আৰু অ'কে চিকিৎসালয়ত সাহিত্যৰ শিক্ষয়িত্ৰী হিচাপে যোগদান কৰে । গাং-টে'ৰ কাষ চাপিবলৈ তেওঁ চাং-টে'ৰ সৈতে বন্ধুত্ব স্থাপন কৰে তথা চাং-টে'ক নিজৰ সাধু কিতাপৰ চিত্ৰকৰ হিচাপে নিযুক্তি দিয়ে । তিনিও একেলগে শাপগ্ৰস্ত ৰাজকাৰেং (Cursed Castle) হিচাপে জনাজাত মুন-য়ঙৰ ঘৰত থাকিবলৈ লয় । মুন-য়ঙৰ পিতৃ সুদীৰ্ঘ ২০ বছৰ ধৰি ব্ৰেইন টিউমাৰত ভুগি অ'কে চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল । শৈশৱকালৰ অপ্ৰীতিকৰ স্মৃতিৰ বলি মুন-য়ংএ পিতৃৰ পৰা দূৰত্ব বজাই চলিছিল তথা হঠাৎ সন্ধানহীন হৈ পৰা মাকৰ প্ৰতি ভয় ভাব পোষণ কৰিছিল । সময় বাগৰাৰ লগে লগে তিনিওৱে এজনে আনজনৰ দুৰ্বল সময়ত সাহস যোগাই এক সুখী পৰিয়াল গঢ়ি তুলিছিল । এজনে আনজনৰ মানসিক আঘাতবোৰত যেন ঔষধৰহে যোগান ধৰিছিল । কিন্তু, তেওঁলোকৰ এই সুখী পৰিয়াললৈ হঠাৎ অমানিশা নামি আহিল যিসময়ত মুন-য়ঙে আৱিষ্কাৰ কৰিলে যে তেওঁৰ পলাতক মাতৃয়েই মুন গাং-টে' আৰু মুন চাং-টে'ৰ মাতৃক নৃশংসভাৱে হত্যা কৰিছিল । তেতিয়া দুয়ো ভাতৃ আৰু তেওঁৰ ৰূপকথাৰ পৃথিৱীখনৰ পৰা মুন-য়ং এ আঁতৰি আহিব খুজিছিল, যি তেওঁক সমাজৰ সৈতে সংলগ্ন কৰাৰ একমাত্ৰ পথ আছিল । কিন্তু, গাং-টে', চাং-টে' আৰু সকলোৱে মৰম আৰু বুজনিয়ে তেওঁক বান্ধি ৰাখিলে । শেষৰ খণ্ডত ডা°অ'হ জি-ৱাঙে চাং-টে'ৰ চিকিৎসা হিচাপে আঁকিবলৈ দিয়া দেৱালচিত্ৰখনত তেওঁ সুন্দৰ পখিলাকেইটিমান অংকন কৰা দেখুওৱা হৈছে । লগতে

তেওঁলোকে মুন-য়ঙৰ কাহিনী আৰু চাং-টে'ৰ চিত্ৰৰে ৰচনা কৰা প্ৰথমখন সাধু-গ্ৰন্থ “Finding the Real Face” প্ৰকাশ কৰি উলিয়ায় । এই গ্ৰন্থখনত ৰূপকথাৰে মুন-য়ং এ তিনিওৰে জীৱন-যাত্ৰাৰ সুন্দৰ বৰ্ণনা দিছে ।

ৱেব-চিৰিজখনৰ পটভূমিৰ ৰচনা আৰু উপস্থাপন অতি নিপুণ । চিত্ৰগ্ৰহণৰ আঞ্চলিক পটভূমি, সুন্দৰ সংলাপ তথা দৃশ্যায়নে ছবিখনক অধিক আকৰ্ষণীয় কৰি তুলিছে । বিশেষকৈ, ড্ৰামাখনৰ শেষৰ খণ্ডত ঘটনাৰ অপ্ৰত্যাশিত পট-পৰিৱৰ্তনে দৰ্শকক বিস্ময়ত পেলাব পাৰে ।

চৰিত্ৰ:

ৱেব-চিৰিজখনৰ অন্যতম এটি আকৰ্ষণ হৈছে ইয়াৰ চৰিত্ৰ ৰচনা আৰু প্ৰতিজন অভিনেতাই সুন্দৰ অভিনয়েৰে নিজ নিজ চৰিত্ৰ ফুটাই তুলিছে ।

- মুন গাং-টে': অভিনেতা কিম ছু-হ্যুন (Kim Soo-hyun) এ শান্ত, নিৰ্জু গাং-টে'ৰ চৰিত্ৰটিক সাৰ্থকতা প্ৰদান কৰিছে । চৰিত্ৰটিৰ নিজৰ চৌকাষৰ সকলোৰে প্ৰতি সহানুভূতি, জেষ্ঠ ভাতৃ আৰু ৰোগীসকলৰ প্ৰতি সেৱাৰ ভাৰ, অভিনেতাজনে অভিনয়ৰ মাজেৰে ফুটাই তুলিছে । নিজৰ অতীত তথা দায়িত্ববোধৰ অন্তৰ্দ্বন্দ্বত যুঁজি থকা গাং-টে'এ আনৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰাৰ পৰা বিৰত থাকে । আনৰ বাবে দুখতো ওঁঠত এমোকোৰা হাঁহি ৰখা, কাৰোবাৰ মৰমৰ ছাঁয়াত জিৰাব বিচৰা গাং-টে' যেন শিকলিৰে বান্ধ খাই থকা মুন-য়ঙৰ সাধুকথাৰ “সুখী কুকুৰটোৰ” (The Cheerful Dog) দৰে ।

- কাং মুন-য়ং: দৃঢ়, সাহসী, উন্মত্ত, আঁকোৰগোজ, সমাজ-বিৰোধী স্বভাৱৰ মুন-য়ঙৰ চৰিত্ৰটিক ছিউ য়ে-জি (Seo Yea-ji) ৰ বাদে হয়তো কোনেও অধিক জীৱন্ত কৰি তুলিব নোৱাৰিলেহেঁতেন । তেওঁৰ সাজ-পোছাক, খোজ-কাটল, ভংগিমা, কথা কোৱাৰ ধৰণে নিজৰ উন্মাদনাৰ হকে যিকোনো সীমা অতিক্ৰম কৰিব পৰা মুন-য়ঙক অধিক ফুটাই তুলিছে । মুন-য়ঙৰ সমাজখনৰ প্ৰতি থকা দৃষ্টিভংগী আনতকৈ সুকীয়া আছিল আৰু সেয়া তেওঁৰ সাধুবোৰতো ফুটি উঠিছিল ।

- মুন চাং-টে': চাং-টে'ৰ চৰিত্ৰটিৰ শিশুসুলভ সৰলতাৰ জৰিয়তে দৰ্শকক নীতিকথা শিকাই যোৱা অভিনেতা অ'হ জাং-ছে (Oh Jung-se) ৰ অভিজ্ঞ অভিনয় প্ৰশংসনীয় । মুন-য়ঙৰ সমানেই আঁকোৰগোজ, ভায়েক গাং-টে'ৰ প্ৰতি সংৰক্ষণশীল চাং-টে'ৰ চৰিত্ৰটি তেওঁ বৰ সুন্দৰকৈ তুলি ধৰিছে । মানসিক বাধাগ্ৰস্থ হৈও নিজ উপাৰ্জনৰ ৩০০০ ৱ'ন (3000 won) ৰ ২০০০ ৱ'ন গাং-টে' আৰু মুন-য়ঙক হাতখৰচ দিয়া নাইবা কেতিয়াবা বেজাৰত থকা মুন-য়ঙক ফুছুলাই খুৱাই দিয়া মুহূৰ্তসমূহে বহু কথা শিকাই যায় ।

তদুপৰি, শিশুশিল্পী মুন ৱো-জিন (Moon Woo-jin), কিম ছু-ইন (Kim Soo-in) আৰু লি ক্যু-সাং (Lee Kyu-sung) ৰ সুন্দৰ অভিনয় তথা মূখ্য অভিনেতাৰ সৈতে মুখমণ্ডলৰ সাদৃশ্যই চৰিত্ৰকেইটাক বিশ্বাসযোগ্য কৰি তুলিছে ।

সহ:চৰিত্ৰসমূহ যেনে- মুন-য়ঙৰ শিশু সাহিত্যৰ প্ৰকাশক লি ছাং-ইন আৰু সহকাৰী যু ছ্যেং-জু, অ'কে মানসিক চিকিৎসালয়ৰ সুদক্ষ পৰিচালক আৰু ৰোগীৰ প্ৰতি মৰমীয়াল ডা'অ'হ জি-ৱাং, নাৰ্চ তথা গাং-টে'ৰ প্ৰতি আকৰ্ষিত নাম জু-ৰি আৰু তেওঁৰ আনক ৰান্ধি খুৱাই সুখ পোৱা নাম জু-ৰিৰ মাক কাং ছুন-দ্যুক, গাং-টে'ৰ বন্ধু জে-ছুৰ অভিনয়ে মুখ্য চৰিত্ৰসমূহক দৃঢ়তা প্ৰদান

কৰিছে । উল্লেখযোগ্য, যে খলনায়িকাৰ চৰিত্ৰ ৰূপায়ণ কৰা ৱো জাং-ৱোন(Woo Jung-won) তথা জাং য়ং-নাম(Jang Young-nam)ৰ অভিনয়ো অতিকৈ প্ৰশংসানীয় ।

সংলাপ:

সংলাপ ৰচনাৰ ক্ষেত্ৰত জো য়ঙৰ শিল্পগত পাৰদৰ্শিতা প্ৰশংসনীয় । ৱেব চিৰিজখনৰ বহুকইটা অনুপ্ৰেৰণামূলক সংলাপে ড্ৰামাখনৰ শেষতো দৰ্শকৰ মনত চাপ থৈ যায় । তাৰে দুটামানৰ উদাহৰণ উল্লেখ কৰা হ'ল-

“If you want to make people around you happy, you have to find your happiness first.”; “People stand together because they’re weak. We lean on each other like this. That’s what makes us human.”; “The first step is always the hardest. But once you take your first step, things will get easier from then on.”, “You shouldn’t be embarrassed about being sad.”

সংক্ষেপতে:

উন্নত মানদণ্ডৰ চলচিত্ৰ এখন, নাইবা ৱেব-চিৰিজ এখন মনোৰঞ্জনৰ লগতে শিক্ষাপ্ৰদানৰ এক উপযুক্ত আহিলা হ'ব পাৰে, তাৰে অন্যতম উদাহৰণ It’s Okay Not to be Okay শীৰ্ষক ৱেব- চিৰিজখন । চিৰিজখনে ইয়াৰ গভীৰ আৰু বাস্তৱধৰ্মী পটভূমিৰে; মানসিক স্বাস্থ্য তথা ব্যক্তিত্ব সমন্ধীয় সমস্যাসমূহৰ প্ৰতি দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে । কেতিয়াবা হতাশ, অসহায় নতুবা দুৰ্বল অনুভৱ কৰাতো যে কোনো লজ্জাৰ বিষয় নহয়, বৰঞ্চ কঠিন সময়খিনিতো ধৈৰ্য ধৰি আত্ম-প্ৰতিষ্ঠাৰ পথৰ সন্ধান কৰিব লাগে- এই কথাষাৰ প্ৰতিটো চৰিত্ৰই ছবিখনৰ মাজেৰে ফুটাই তুলিছে ।




কবিতা
কানন

## মানৱ ,এক ইতিহাস হব

মানৱৰ অৰাজকতাত অতিষ্ঠ প্ৰকৃতিয়ে,
কৰে আজি ক্ষোভৰ তাণ্ডৱ।
মৃত্যুৰ বিভীষিকাই হেনো,
নিয়ে উটুৱাই অহংকাৰবোৰক।
বন্দীত্বৰ মেৰপাকলৈও কেৰেপ নকৰা,
অশান্ত,এইয়াই জীৱশ্ৰেষ্ঠ।
প্ৰতিপল অধৰ্মই মোহিত কৰা,
এক ভয়ংকৰ স্বাৰ্থপৰ।
হত্যা-হিংসা,অত্যাচাৰ, শোষণ,
ব্যৰ্থ যেন আজি শিক্ষাবোৰো।
পৃথিৱীৰ হিয়া ভগা কান্দোনেও,
শুধৰাব নোৱাৰা এইয়াই মানৱ।
দুৱাৰদলিত আজি প্ৰতিপল মৃত্যুৰ আহ্বান,
তথাপি লুভীয়া মানৱ হ'লনে শান্ত।
প্ৰতিপল ই গাই যায় মাথো,
জয় গান নিজৰেই ধ্বংসৰ।
যিদিনা নিজৰ সৃষ্টিবোৰেই,
মানৱক নিঃশেষ কৰিব।
সিদিনাই হেনো মানৱ,
এক ইতিহাস হব।।

**শৰ্মিষ্ঠা ৰাজগুৰু**
**সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰ**
**ডিব্ৰুগড় বিশ্ববিদ্যালয়**

## নাৰী তুমি সৰ্বশক্তি

নাৰী তুমি সৰ্বশক্তি।
কত যে অপমান,
কত যে তিৰস্কাৰ,
তথাপি কোনোদিনে দুৰ্বল নোহোৱা
শক্তি তুমি নাৰী।

সমাজৰ অন্ধবিশ্বাস , কু-সংস্কাৰ
আৰু যে কত শোষণৰ বলি তুমি ,
তথাপি ভাঙি নপৰা শক্তি তুমি নাৰী।

মুকলি আকাশত উৰিব বিছৰা
সেই ৰাজকুমাৰী জনী
এদিন অন্য ঘৰত শোষণৰ বলি !

ৰাতিৰ আন্ধাৰত তুমি জোনাক হৈ
পোহৰ বিলাইছা ,
ফুল হৈ সুগন্ধি বিয়পাইছা ,
বৰষুণ হৈ সৰি পৰিছা ধৰাৰ বুকুত ,
য'ত আছে তোমাৰ কৰুণ গাথা ।

হে নাৰী তুমি অনন্যা , তুমি সৰ্বশক্তি।
বিশ্বব্ৰহ্মাণ্ডৰ ৰূপকাৰ তুমি ,
ভৱিষ্যতৰ শক্তি তুমি নাৰী ।।

**জয়া মেচ**
**বাণিজ্য বিভাগ**

## আইৰ আশাভুন

পিতাই নাইকিয়া হোৱা আজি কেবাবছও হল
দিনটো হে আজিলেকেও পাহৈব পৰা নাই
আইন্নী কান্দি কান্দি মুখে মাতিব নোৱান্নী হল
মো আৰৈ বছইয়া ভণিন্নী যেনেকেহে কান্দিছিল
তাক দেখিয়ে বাকী মানুভুনো কান্দিব ধইছিল
লৰা দুজনী মই অকলে কেনেকে ডাঙ কইম অ'.. বুলি আইন্নী চিঞই চিঞই পাগলী হৈছিলে ।
ভনীয়ে ক আইক দেখি আওহে কান্দিছিলে
হও হলো সিও অলমান গম পাইছিলে হপাই পিতাইক অজীপা একেবাই নেপাঙঅাও বুলি।।
আয়ে আম' দুজনীক ব কষ্টই ডাঙ কইলে
গাঙ মানুভুনেও মোক কয়
আয়ে যে তহঁত দুজনীক ব' আলৈ বিলৈ কে ডাঙ কইলে,
পাইমানে দুইন্নীক পহাইছে শুনাইছে,
তহতিও বাওকে পহিবি, মাঅ' নাম কইবি
মাঅ' আশাভুন পোৱন কইবি,
মাৰক কষ্ট নিদিবি,তই ডাঙন্নীয়ে ভণিকো শিকাবি,
দুইন্নীয়ে মিলি পিটি থাকিবি
আইৰ আশাভুন পানী লগত নিমিলাবি
আইক এদিন চবই আগত গৌয়ব কয়াবি।।
ভনীজনী এতিয়া বৰন্নী হল
আইৰ চকুহালত আম' দুজনীকলৈ থকা আশাভুন ইতিয়া সিও নকলো বুজিব পৰা হল,
মো নিচিনা ইতিয়া ভনীও ব'কে লাগিছে
নিজকে বাওকে গহী লবলে,
আইৰ আশাভুন পোৱন কইবলে,
আইক সমাজ' আগত গৌৰৱে থিয় কৰাবলৈ।।

**অনিমা মৰাণ**
স্নাতকোত্তৰ দ্বিতীয় যাণ্মাসিক
নাৰী অধ্যয়ন কেন্দ্ৰ , ডিব্ৰুগড় বিশ্ববিদ্যালয় ।


# কবিতা কানন

## I AM THE WILD FLORET

I am a wild floret,
dispatched, indifferent:
to sun, dark,
light and air;
I bloom, wilt,
fall and bloom again:
an unending process
continues,
without a pause,
without a caress touch!
No,
I don't wait
looking for the rays to nourish
and drizzles to shower me.
I wait for no sympathy
or compliment!
I wait for none,
but only to bloom ,
to spread the fragrance,
to carve my presence
amidst the crowd of woods.

Sudaxina Das
M.A. 2nd Semester
Dept. Of Economics
Dibrugarh University





## Your Eyes

“Eyes” They say are the reflection of ones heart ,
Every time I look at your eyes
I try to find out the mystery of the pain
Beautifully kept hidden under the shade
of your black liner ;
I try to find out the mystery of your smiles
That you gorgeously wear in vibrant
Colors of your eye shadow ;
I try to find out the mystery of your beauty
That you have proudly kept unfolded in the
Mascara of your lashes ;
That’s why I fear to bring tears on those eyes .

Amlan Kumar Das
MBA 1st Sem
Center for Management Studies
Dibrugarh University

# You Will Always Be Remembered

*My eyes, filled with tears as I heard the news.*
*I wish it was a dream,*
*Everytime I think,*
*The pain is all I feel.*
*A thousand times we cried,*
*If love could have cured you,*
*You would have never died.*
*I know it was not your fault.*
*It was our destiny,*
*What god has decided how can we change?*
*The pain of losing someone,*
*Is hard to take.*
*And when it is unfortunate,*
*It is even harder.*
*I pinched myself to wake me up,*
*I don't want to dream it anymore.*
*Alas, it was real.*
*I lost you,*
*We all lost you.*
*We will never see you again.*
*I closed my eyes to see your face,*
*Suddenly I felt a warm embrace.*
*You will always be in our hearts,*
*Because in us you willbe always alive.*



*Anwesha Chutia*
*MA 1st Semester*
*Centre for Studies in Applied Psychology*

কবিতা কানন

# PÉDONG

Mg Chitrajit Pegu,
Mising Language (CSL)
Dibrugarh University

Pédong bírdug a:yémíloi asiné mé:podaksin mé:dírdaksin!
Okere:la oyoka pédong na:na
Pu:mungé sa:péké,
Odanma:pésin du:yoka pédong na:na Mo:pí-mo:lung sanpéké.

Péking-oa:lokké sarné daktog ésardé luno:bidung pédong oyé émnam lutatko,
Rígnélok asiné mé:podung lusadbila:ma:namko,
Lelígnam amdang a:mdé gejíg-gero:la jarsa:yépé émna,
Amrag-Po:rag, Ali-A:ye Lígang gí:dí-sí:pído mibo-minom takamém dobola:dopé ka:nam ma:nyí:dé do:ng amo:so kédledyépé émna.

Ísíng-ílíng kakuma:la,
Pédong na:néno mo:píso:p gídílo gíkuma:la mo:sandung, amdang a:mém lela:ma:pé idung.

Pédong na:na ngolu sí:sangé pesudung, ísíng-ílíngém leyé mo:pí-mo:lungém gelubmokupé,
No:sin gíyi:langku,
Gelub molangkui anupé mo:písém
Mé:dír-mé:song okkosin kakuma:dopé du:pop du:langkui.

অনুভৱ

## অনুভৱৰ একলম

তেওঁ কৈছিল – অনুপ্ৰেৰণা বোৰ নোপোৱা ই হলো কাৰো পৰা !!
গান গীটাৰ এই সকলোবোৰ তোমাতেই আৰম্ভ তোমাতেই শেষ !
শেষ !! শেষ কিয় কৰিছে ?? জীৱন জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহ আৰু আপুনি দেখা ধুনীয়া ধুনীয়া সপোন বোৰ উদযাপন কৰিব নিবিচাৰে জানো আপুনি ??

বিচাৰোঁ, কিন্তু কাষত সাৰথি জন নাই।
দূৰত কৰবাত জুবিন দাৰ চিৰসেউজ গীতটি বাজি উঠিছিল
"এতিয়া হিয়া মোৰ বৰষে তোমালে"

উপাসনা নাথ

সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰ , ডিব্ৰুগড় বিশ্ববিদ্যালয়

# অনুভৱ

# স্বপ্নৰ আৱেশত নাহৰৰ দেশ

অৰুণবাণী বৰদলৈ
স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

তাই শুলে ?

: অ', ৰাতিপুৱা ৪ বজাতে উঠা । টোপনিয়ে হেঁচা মাৰি ধৰিছে ছোৱালীজনীক ।

: এৰা ! অকণমান শুই লওক দিয়াঁ,এঠাইত তাইক জগাব লাগিব ।

শিৱসাগৰৰ পৰা ডিব্ৰুগড় মেডিকেল কলেজ অভিমুখী এখন বাছ । বাওঁফালে বহা যাত্ৰীৰ শাৰীত প্ৰথম আসন কেইটাত একেলগে মা-দেউতা আৰু মই । মা - দেউতাৰ কথোপকথন কাণত পৰিছে মোৰ । গাড়ীৰ হেন্দোলনিত বমিৰ ভাৱ আহি মাহঁতক অশান্তি কৰে বুলিয়েই টেপেচা মাৰি দুয়োজনৰ মাজতে সোমাই আছোঁ । অথচ কাণ উনাই আছোঁ দেউতাৰ সেই 'এঠাই' বোলা ঠাইকণ পোৱাৰ খবৰ পাবলৈ ।

সময়ত দেউতাই ক'লে,

: "সোণ, অকণমান উঠা, সোঁফালে চাই দিয়া, সৌৱা চোৱাঁ !"

মই জানোঁ, ইয়াতকৈ আৰু সেই সময়ত তেওঁ একো নকয় । মাথোঁ ঠাইকণলৈ চাই ৰোৱা সেই অপলক চকুযুৰিত কিবা এক প্ৰাৰ্থনাৰ আকুলতাই মোৰ কণমানি মনটোক হেঁচুকি এষাৰ কথাৰেই অনুভৱ কৰায়, "এই ঠাই বিশেষ"। কিবা এটা বিচাৰে তেওঁ; মনতে আওৰোৱা সেই প্ৰাৰ্থনাৰ কথা খুলি কৈছিল তেওঁ, মই বুজন হোৱাৰ পাছত.....।

: "বৰ্গীয় ' জ ',তাত 'য্য ' আৰু 'ও' কাৰ - জ্যো , ত -অত হ্ৰস্ব 'ই' কাৰ - জ্যোতি, বা - আট - চ' - ৰা.... : জ্যোতি বাটচ'ৰা ।"

জোঁটাই জোঁটাই পঢ়া এই আখৰকেইটা বুকুত লৈ থিয় দি ৰোৱা সেই তোৰণখনৰ সিপাৰে

কি আছে ?

হয়তো বহুত সেউজীয়া আছে !

( কিয় নাজানোঁ মনটোৱে কল্পনা কৰিছিল,এই যে তোৰণখনৰ তলেদি সৰকি যোৱা পথটো, ইয়াৰ দুয়ো কাষে লানি লানি চাহ গছ আছে। )

মোৰ শৈশৱৰ প্ৰতিটো ডিব্ৰুগড় যাত্ৰাৰ চৰ্যা এয়া ।

*এটি স্বপ্নৰ পম খেদি*

সৌ তেতিয়াৰ পৰা বহু সময় পাৰ হ'ল। এটা সময়ত চলমান বাছৰ খিৰিকীৰে চকুৰ আঁতৰ নোহোৱালৈকে জুমি জুমি চোৱা ঠাইখনৰ ভিতৰচ'ৰা হেঁপাহ পূৰাই চাব পৰাকৈ এগৰাকী ছাত্ৰীৰূপে চিনাকি পালোঁ ।

ইংৰাজীৰ লেখেৰে ২০২১ চনৰ জানুৱাৰী মাহ ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাকৰিত ভৰি দিলোঁ ।

পৰিচয় :অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ পৰথম ষান্মাসিকৰ ছাত্ৰী ।

এৰা !

এতিয়া, নাহৰৰ দেশৰ আকলন কৰিবলৈ মই সমৰ্থ । সাজু হৈছোঁ আবেগৰ গাগৰি উবুৰিয়াই সমস্ত হেঁপাহেৰে মোৰ স্বপ্নৰ দেশখনক আপোন কৰি ল'বলৈ ।

অনুভৱৰ এটা জীয়া কাহিনী লিখিছোঁ মইও । ই পুৰা কথাৰ দৰে প্ৰাচীন হ'ব; অথচ মোৰ প্ৰতিটো উশাহৰ খোৰাক হ'ব পৰাকৈ আধুনিকো । অনুভৱৰ হেদালিত কাহিনীটো জীয়াব । ইয়াত চৌপাশে সেউজীয়াৰ ভিৰ, এই ভিৰত হেৰাই যোৱাৰ মাদকতা কি প্ৰতি অনুভৱী নাহৰিয়ানে বঢ়িয়াকৈ বুজে । সময় হয়,সেউজীয়াৰ বিৱৰ্তন ঘটে । পোনতে ঈষৎ গোলাপী ৰং, লাহেকৈ কোমল সেউজ ৰং আৰু শেষলৈ ডাঠ সেউজীয়া সাজ পিন্ধা পাতবোৰে নাহৰ কেইজুপি শুৱাই তোলে । এই সেউজীয়াক এবাৰ চুই চাবলৈ হেঁপাহ কৰাজনক নাহৰে হতাশ নকৰে । যেন হালি দিয়ে তললৈ, হেঁপাহ কৰিছে, চুই চাওঁক । ব'হাগৰ বা

লাগি নাহৰ ভৰুণ হয় । শুভ্ৰ পাহিৰ মাজত হালধি বৰণ একোটি সানি নাহৰ ফুলে । ৰ' লাগি চাওঁ, হাতত তুলি লোৱাৰ ইচ্ছা । পিছে নাহৰ দেশৰ ৰাণীৰ বোকোচা শূইণ কৰি ফুল ছিঙাৰ সাহেই বা ক'ত ? নাহৰ তলৰ সেই ব্যস্ত পদপথত পিছদিনা পুৱালৈ একুঁকি জোখাৰে ফুল সৰি থাকে । তেনেহ'লে নাহৰে সকলো বাসিন্দাৰ বুকুৰ খবৰ ৰাখে ! পথকেইটা কংক্ৰীটেৰে সজা; পিছে ভেঁটিৰ তলৰ মাটি খামুচি নাহৰে এডাল সাঁকো গঢ়ে । ইয়ালৈ অহা ন- আলহী আৰু নিজৰ মাজত । আলহীবোৰ আহিয়েই নাহৰৰ প্ৰেমত পৰে আৰু কোন টলকত নিজৰ কাহিনী আৰু সপোনবোৰ এটি এটিকৈ কৈ যায়, উমানকে নাপায় । নিৰ্দিষ্ট সময়ৰ অৱধিত সপোনবোৰে নিজৰ স্থিতি প্ৰতিপন্ন কৰিবলৈ যুঁজ দিয়ে । খেনোৱে নকৈ একোটি সপোন দেখে আৰু আন কোনোৱে সপোনৰ মেৰামতি কৰে । যুঁজৰ শেষত শ্ৰান্ত হৈ নাহৰ তলত বহি পৰে এজাক তৰুণ । ই কি ? মূহুৰ্ততে হাঁহিয়ে ঢৌ খেলি গ'ল ! হ'বৰ কথাই, নাহৰে যে এচাটি তনপৰশা বা উপহাৰ দিছে । ফুলৰ সুঘ্ৰাণ উজাই আহিছে ক্ৰমশঃ বুকুলৈ, ব'হাগ যোৱাই নাই তেনে !

## *বাস্তৱত মলঙা অনুভৱ*

কেৱল স্বপ্নক সাৰটি এই দেশত ভৰি থোৱা মই পোনতে বৰ কঙাল আছিলোঁ । মোৰ জোলোঙাত থুনুকা সপোন এটা মাত্ৰ আছিল । দিন বাগৰিছে; সেই স্বপ্নত প্ৰাপ্তিৰ জোনাক সিঁচাৰ কথা দিছে নাহৰৰ দেশে । পিঁপা ভৰাই জোনাক বুটলিবলৈ মই সাজু । সহস্ৰজনৰ আকাংক্ষিত ঠাই এইখন । মোৰ বেলিকা এই আকাংক্ষাৰূপ বীটপৰ পুলিটি হাতত তুলি দিয়াৰ পৰা সাৰ- পানী যোগোৱালৈকে সমস্ত শ্ৰেয় মোৰ আপোনজনৰ । তেওঁৰ চকুত এই দেশৰ সপোনে থিত লৈছিল আৰু তেওঁ মোলৈ বৰ আশাৰে সপোনটো আগবঢ়াই দিছিল । হাত পাতি লৈ বুকুত থাপিলোঁ ।মনত পাঙিলোঁ অব্যক্ত কিছুমান পৰিকল্পনা । প্ৰথম অহাৰ দিনা বাট চ'ৰাৰে দুয়ো একেলগে সোমাম । পোনেই সম্ভাষণ জনাব নাহৰে । প্ৰাপ্তিৰ এমোৰোকা হাঁহিৰে মুখ পোহৰাই হেঁপাহৰ ঠাইখনত আমাৰববীয়া

সপোনটো লহ্-পহৈক বাঢ়িবলৈ আলফুলে এৰি দিম । মোক নতুন ঠিকনাত কুশলে থাকিব পৰাকৈ সকলো বন্দৱস্ত কৰি দি তেওঁ পুৰণা ঠিকনালৈ গুচি যাব, মোৰ চল্-চলীয়া চকুহালিত আশ্বাসৰ উম সানি তেওঁ ক'ব, "আমি সদায় কথা পাতিম"..

: " শুনিছা, ইয়াত নাহৰ ফুলিছে । হয়তো এমাহৰ মূৰকত এজাৰো ফুলিব........।"

ডাঁৰৰ বাতৰি ডাঁৰে বিনিময় হ'ব; তেওঁৰ আদৰুৱা মাতষাৰ ভাঁহি অহা দূৰভাষটি বুকুত সাৱটি বেথাই আগুৰা ৰাতিবোৰত পৰম শান্তিৰে টোপনি যাম ।

এই যে আপোনজন, তেওঁ মোৰ দেউতা; নাহৰৰ দেশক লৈ মোৰ সমস্ত অনুভৱক আবেগৰ নাম দিওঁতা মনৰ মানুহ।

সময় কিমান সীমালৈকে সদয় হ'লে ভবামতেই সকলো হয় ?

সদয় হ'লনে মোলৈ ?

:নহ'ল ।

সময়ে সেই মনত পাঙি থোৱা কথাবোৰ বাস্তৱ হোৱাৰ অনুমতি নিদিলে। "ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যয়নৰত এক ছাতৰ" - মোৰ এই চিনাকি প্ৰাপ্তিৰ খবৰত তেওঁৰ মুখখনিত বিয়পি পৰা হাঁহিটোৰ সাক্ষী হোৱাৰ পূৰ্বেই নিয়তিয়ে তেওঁক নিজৰ কাষলৈ লৈ গ'ল আৰু মই...... তেওঁ এৰি যোৱা সপোনটো দুগুণ জোৰেৰে খামুচি ধৰিলোঁ ।

আমি দেখা নাহৰৰ দেশৰ সপোন এটি পুৰাকথাৰ দৰে প্ৰাচীন; এইবাবেই যে ই বুকুত শিপোৱাৰ কাহিনী পুৰণি । তেওঁৰ সপোনটি জোলোঙাত ভৰাই মই বৰ্তমানত জী আছোঁ, সেয়ে এই কাহিনী আধুনিক।

নাহৰৰ দেশত বাহৰ পতা মই এক অনুভৱী নাহৰিয়ান । মোৰ অনুভৱৰ একলম তোমাৰ নামত আজি ডাকত দিলোঁ । এই কথা জানিও যে,এইবাৰো ডাকোৱালে ঠিকনাৰ উঁহ উলিয়াব নোৱাৰিব । খেদ নাই তথাপি, এটি হুমুনিয়াহ কাঢ়ি অনুভৱবোৰ সামৰি-সুতৰি বুকুত খাজি ল'ম । কাৰণ, জীৱন যদি এক আজৱ শিল্প, অনুভৱ ইয়াৰ সঁচাৰ কাঠি

।

*****

## AFTER THE RAIN IS GONE

**Shrestha Sharma**

**Integrated MSc. (PHYSICS), 1 ST Semester**

**Department of Physics :: Dibrugarh University**

(from two pages of my diary….)

22.05.2021 (Saturday)

It had rained for the last ten days, nonstop, brimming up the crevices and fissures of thesurface. There had been raging storms at night, while in the mornings it seemed to getsilenced to calm drizzles, but the downpours had been constant all the time. Dark clouds had loomed over the grey sky, baring the brightest of the sunrays to reach the land. The usual blithe had been overtaken by a gloom that seemed to graven the ambience.

All amongst the gloom of the grey morning, I flopped down into the creaky chair of theveranda, with a mind to write up something for the 'Nahor'. I was looking for someinspiration but was in loss of anything of that sort. The storm last night had caused awreckage. The garden in front me lay in its broken twigs and shrivelled leaves. The bougainvillea tree, which a few days ago had bloomed to its utmost majesty, laden with the most gorgeous of the pink foliage; now stood bare and shed. Mud filled the shallows of the ground and the whole sight in front of me was in a state of disorder. I put down my pen in exasperation and went inside. Maybe it wasn't my day to get something to write.

23.05.2021 (Sunday)

Unexpectedly, the rain had ceased and I found the sun up today, all radiant in its utmost vividity. The sky was clear, with not a patch of dark cloud in sight. Instead, there were soft patches of white cotton hanging over from the sky. The sun was gleaming but its rays felt soft and tender. All the hundreds, thousands of droplets from the previous night's rain, that were resting over the leaves and grasses, seemed to get lit up under the gleaming sunshine. There was the garden, that had laid shrivelled and injured the previous day, today, in its utmost beauty; adorned with all its glistening crystal-like droplets.

I had my notebook and pen even today, but I put them down, because I was having this urge to have a walk over the grass. As soon as I set foot over the wet grass, a thousand tingles seemed to rejuvenate all of my senses. The grasses' soft blades prickled against my skin, the droplets underneath soothed them, while the warm sunrays on my skin wrapped up my feet into their bosom. My feet felt amazing and so did I. I breathed in the musty smell of the wet earth, that lingered in the morning air and closed my eyes in a sense of fulfilment that was long lost.

I opened my eyes to find it there; yes, there it was, all around me, beautiful enough that it couldn't be taken in all at a single glance. I saw the garden ablaze with all shades and hues of green; there was teal, jade, chartreuse, moss and what not, with slight hints of yellow and brown. There weren't any flowers but only leaves, yet the greenery was enough to take one's breath away. Green has always been a calming colour but today it presented itself in its most elevated form. I stood there for a few moments and looked around to take in all of the greenery that my eyes beheld and then I returned back to the house, contented.

I had found it! I found the topic I wanted to write about. It wasn't any of the specific things or object that I had witnessed back there in the garden. But it was the transformation of the garden after the rain was gone. The very trees that stood wilted the previous day, seemed to spring up to life in their best greens. The whole garden seemed to come to life and it couldn't be recognized as the same garden that was in a state of havoc the other day. This very change not only made a good topic for me to write about, furthermore it also made me realize that something that I had always failed to understand. It seemed to shout back at me to notice that, life is not always about a sunny day; it is also about days and days of rain,winds and storm; it is also not about only the storms and the gloomy weather but it is also about how you emerge out as a stronger and a greener tree, after the former had ceased.The rain and wind created a mess in the garden but after it was gone, the later was left fresh and replenished. Similarly, obstacles or hindrances in life may create momentary pain and injuries but these injuries and marks, later on add to our beauty after we surpass the obstacle and win over it. We wear them as badges of bravery as they are the signs thatshow that we never gave up and successfully made our way out of it. Thus, we should never lose hope or cede even in the most difficult of times because, this too shall pass and we would emerge as a stronger and braver person, just like the trees had, after the rain was gone.

*************************

# তৃণভোজী হ’বৰ হ’ল

আকাংক্ষা বৰা
বুৰঞ্জী বিভাগ
স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

মা-দেউতাই দিয়া সংস্কাৰ নাপাহৰো মই। সাঁজ লগাৰ আগতে ঘৰ নোসোমালে মোৰ বাবে অধীৰ হৈ থকা 'মা'ক মই জানো।এটা চকু আধা জপায়েই এতিয়াও গাই যাওঁ,"মুক্তিত নিস্পৃহ যিটো,সেহি ভকতক নমো"।এৰা,দিনটোৰ অভিনয়ৰ পৰা সঁচাকৈয়ে মুক্তি পোৱা যেন লাগে তেতিয়া। "তোৰ মায়ে অলপ বেছি চিন্তা কৰে"---;"নাই তহঁতি নুবুজিবি অ',ভূতলৈ ভয় নহয়।ভয় মানুহলৈ,পশুৰূপী মানুহলৈ মাৰ ভয়"। ক'ৰ ক্ষোভ ক'ত পূৰণ কৰে,কাৰ লিপ্সাত কাৰ জীৱন কাঢ়ে,কোনে জানে?

এইয়া মাথোঁ মোৰ ব্যক্তিগত জীৱনৰ অকণমান অভিজ্ঞতা।

এতিয়া আহোঁ মূল কথালৈ। জীয়াই জীয়াই প্ৰাণ কাঢ়ি নিব পৰাবোৰ একো একোটা নৰখাদক নহয় জানো?

প্ৰকৃততে,কেৱল এচাম মানুহ পশু নহয়। আমি সকলোৱেই নিজৰ নিজৰ অন্তৰত এটা এটা পশু পুহি ৰাখিছো। নিজৰ স্বাৰ্থৰ সামান্য হানি হ'লেই সাৰ পাই যায় আমাৰ ভিতৰৰ পশুটো।পৰিস্থিতিৰ ওচৰত দুৰ্বলজনক অধিক তুচ্ছ কৰিবলৈ সাৰ পাই যায় আমাৰ ভিতৰৰ পশুটো।বলী-দুৰ্বলী,অসহায় বুলি কোনো কথা নাই,নাৰী হ'লেই হ'ল,শাৰীৰিকভাৱে অপদস্থ কৰিবলৈ সাৰ পাই যায় আমাৰ ভিতৰৰ পশুটো। ক্ষণিকৰ সন্তুষ্টি চৰিতাৰ্থ কৰিবলৈ সাৰ পাই যায় আমাৰ ভিতৰৰ পশুটো।আৰু বৰ্তমান সময়তটো যুক্তি-অযুক্তি বিচাৰ নাই,নিজ শক্তি প্ৰদৰ্শন আৰু শ্ৰেষ্ঠতা প্ৰতিপন্নৰ বাবে যিকোনো মাধ্যমেৰে সাৰ পাই যায় আমাৰ ভিতৰৰ পশুটো।

এই পশু নিধন কৰিবলৈ আমি মঙহৰ টানটো এৰিবই লাগিব। নহয় জানো? আইনে দিয়া ন্যায় পোৱালৈ সকলোৰে হাড়ত বন গজিব। সেয়ে,আমাৰ এয়াই অনুৰোধ,আত্ম-সংশোধন কৰিবৰ হ'ল।মঙহৰ টান এৰি বঙহৰ মূল্য বুজিবৰ হ'ল। তৃণভোজী হ'বৰ হ'ল।

# ক্ৰীড়াংগন





# বিশ্ব ক্ৰীড়াৰ প্ৰাচীন আৰু শ্ৰেষ্ঠ সমাৰোহ অলিম্পিক

দীপজ্যোতি গোৱালা
ভূগোল অধ্যয়ন কেন্দ্ৰ , ডিব্ৰুগড় বিশ্ববিদ্যালয়

## *১. অলিম্পিকৰ অতীত*

বিশ্বক্ৰীড়াৰ প্ৰাচীন আৰু শ্ৰেষ্ঠ সমাৰোহ অলিম্পিক । যীশু খ্ৰীষ্টৰ জন্মৰ প্ৰায় ৭৭৬ বছৰ পূৰ্বৰে পৰা প্ৰাচীন গ্ৰীক দেশৰ অধিবাসীসকলে দেৱতা জিউচৰ সন্মানাৰ্থে প্ৰতি পাঁচ বছৰৰ অন্তৰালত আয়োজন কৰা এই ক্ৰীড়া প্ৰতিযোগিতাই বৰ্তমান অলিম্পিক হিচাপে খ্যাত । কালক্ৰমত অলিম্পিক কেৱল অলিম্পিয়া বা গ্ৰীচৰে নহয়, বৰং সমগ্ৰ বিশ্বৰে আটাইতকৈ ডাঙৰ উৎসৱ হিচাপে বিবেচিত হয় । ইতিহাসৰ পাতৰ পৰা জনা যায় যে তাহানিতে প্ৰায় এমাহ ধৰি অলিম্পিক অনুষ্ঠিত হৈছিল আৰু মাহটোক "হিয়েৰোমেনিয়া" বোলা হৈছিল । কিন্তু বিশ্বত অস্তিত্ব ৰক্ষাৰ বাবে অলিম্পিকৰ এই যাত্ৰা কোনো পধ্যেই সহজ নাছিল । বিভিন্ন সময়ত হোৱা যুদ্ধ, ৰাজনৈতিক অসহিৰতা প্ৰভৃতিৰ ফলস্বৰূপে অলিম্পিক হেৰাই গৈছিল কিন্তু শেষ নহ'ল । কোৱামতে, জিউছ দেৱতাৰ সন্মানাৰ্থে অনুষ্ঠিত কৰা অলিম্পিকত দেৱতালৈ ভক্তিৰে পূজা অৰ্পণ কৰাৰ পিছত দৌৰ, বক্সিং, জাঁপ ইত্যাদিৰ লগতে বিৰতিৰ সময়ত নাচ, গান, কবিতা আৰু সাহিত্য প্ৰতিযোগিতাও অনুষ্ঠিত হৈছিল । লগতে প্ৰতিযোগীসকলে এঘাৰ মাহ কঠোৰ অনুশীলন কৰাটো বাধ্যতামূলক আছিল আৰু শেষৰ মাহ অলিম্পিয়াৰ বিচাৰকসকলৰ তত্ত্বাৱধানত প্ৰশিক্ষণৰ লগতে দোষ কৰোঁতাজনক শাস্তি আৰু কেতিয়াবা বহিষ্কাৰ কৰাৰ প্ৰথা প্ৰচলন আছিল ।

আৰম্ভণিতে অলিম্পিক বৰ্তমানৰ দৰে নাছিল । তেতিয়া কেৱল পুৰুষকহে অংশগ্ৰহণ কৰিব দিয়া হৈছিল আৰু মহিলাসকলক নিষিদ্ধ কৰিছিল । আনকি জুমি চোৱাটোও অপৰাধ হিচাপে গণ্য কৰা হৈছিল । কথামতে, এবাৰ এগৰাকী মহিলাই পুৰুষৰ বেশ ধাৰণ কৰি অলিম্পিক খেল উপভোগ কৰোঁতে ধৰা পৰাৰ ঘটনাৰ পাছত খেলুৱৈসকলে শৰীৰত কোনো আৱৰণ নৰখাকৈ খেলত যোগ দিয়াৰ নিয়ম প্ৰচলন হ'ল । অথচ মহিলাসকলৰ বাবে "হেৰিয়া" নামৰ আন এক খেল-ধেমালিৰ উৎসৱ আছিল বুলি জানিব পৰা যায় আৰু পাঁচ বছৰৰ অন্তৰালত আয়োজিত এই খেলে বিশেষ সমাদৰ লাভ কৰিছিল বুলি জনা যায় । বৰ্তমান অলিম্পিকৰ তুলনাত আৰম্ভণিতে অলিম্পিক সম্পূৰ্ণ পৃথক আছিল যদিও আধুনিক অলিম্পিকৰ বীজ তেতিয়াই অংকুৰিত হৈছিল আৰু কালক্ৰমত সমগ্ৰ বিশ্বকে সাঙুৰি বিশ্বশান্তি আৰু ভাতৃত্ববোধৰ

উৎকৃষ্ট নিৰ্দশন দাঙি ধৰিবলৈ সক্ষম হ'ল অলিম্পিকে । বৰ্তমানৰ অলিম্পিকত সোণ, ৰূপ, ব্ৰঞ্জৰ পদকেৰে সন্মানিত কৰাৰ দৰে তেতিয়া বিজয়ীক এডাল জলফাই গছৰ মালাৰ বঁটা দিয়া হৈছিল আৰু যদি এজন প্ৰতিযোগীয়ে তিনিটা বিষয় বা খেলত জয়ী হয় তেন্তে

তেওঁৰ প্ৰতিমূৰ্তি অলিম্পিয়াত ঠাই পাইছিল । এইখিনিতে এইটো কথা ক'ব লাগিব যে অলিম্পিকৰ প্ৰতি অথবা খেল-ধেমালিৰ প্ৰতি সন্মান তেতিয়াৰ পৰাই আছিল ।

অলিম্পিকত বিজয় লাভ কৰি ঘৰমুৱা বিজয়ীক বিশেষ সন্মান আৰু মৰ্যাদাৰে স্বাগতম জনোৱা হৈছিল আৰু আশ্চৰ্যকৰ কথা যে বিজয়ীগৰাকীক নগৰৰ স্বাভাৱিক দুৱাৰেদি নিজৰ নগৰত প্ৰৱেশ কৰোৱাৰ পৰিৱৰ্তে নিজ থকা ঠাইৰ ওচৰেদি নগৰৰ চৌহদৰ বেৰ এখন ভাঙিহে ভিতৰলৈ নিয়া হৈছিল । মুঠতে অলিম্পিকৰ ইতিহাসেই বিশেষ । মানৱ সভ্যতাৰ এক মহান দান হিচাপে খ্যাত অলিম্পিক গৌৰৱৰ শীৰ্ষস্হানত উপনীত হৈছিল খ্ৰীষ্টপূৰ্ব চাৰিশ বছৰত । কিন্তু সময়ত অলিম্পিকৰ মৃত্যু হৈছিল । ৬৬ খ্ৰীষ্টাব্দত সম্ৰাট নিৰোৰ শাসন কালত অলিম্পিকৰ দুৰাৱস্হা হৈছিল আৰু ৩৯৩ খ্ৰীষ্টাব্দত গ'থ জাতিৰ কিছুমান আক্ৰমণকাৰীয়ে অলিম্পিয়াৰ মঠ-মন্দিৰসমূহ লুটপাত কৰি অলিম্পিকৰ অস্তিত্বত আঘাত সানিছিল আৰু ঠিক এবছৰৰ পিছত খ্ৰীষ্টধৰ্মী সম্ৰাট থিয়দছিয়াছে এনে খেল-ধেমালি খ্ৰীষ্টধৰ্মৰ বিৰোধী বুলি বন্ধ কৰিছিল আৰু অলিম্পিকৰ সোণালী অধ্যায় জাহ গৈছিল শাসক আৰু শোষণৰ বলি হৈ । আৰু এনেকৈয়ে মৃত্যু হ'ল অলিম্পিকৰ ।

## *২. আধুনিক অলিম্পিকৰ জন্ম*

এই পৃথিৱীত নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰতিটো বস্তুৱেই যুঁজিব লগা হয় । বৰ্তমান বিশ্বত যিমানবোৰ আগশাৰী প্ৰতিষ্ঠান, অনুষ্ঠান তথা সংস্হা আছে প্ৰত্যেকটোৱেই সংগ্ৰামৰ মাজেদিয়েই আজিৰ অৱস্হা পাইছে । পৰিস্হিতি সাপেক্ষে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে মৰ্যাদা হেৰুৱালে আৰু অস্তিত্ব ৰক্ষা কৰিব নোৱাৰিলে কিন্তু মানুহৰ উদ্যম আৰু কৰ্মস্পৃহাই বহু ক্ষেত্ৰক আকৌ জীৱিত কৰিলে । ঠিক অলিম্পিকৰ দৰেই । প্ৰথম খণ্ডত সম্ৰাট থিয়দছিয়াছে খেল-ধেমালিক খ্ৰীষ্টধৰ্মৰ বিৰোধী বুলি বন্ধ কৰাৰ কথা অৱতাৰণা কৰা হৈছিল । আৰু তেনেকৈয়ে অলিম্পিকৰ মৃত্যু হৈছিল ।

প্ৰথমবাৰ অলিম্পিকৰ মৃত্যু হ'ল যদিও অলিম্পিকৰ অস্তিত্ব শেষ নহ'ল । অলিম্পিকৰ অস্তিত্ব পুনৰজীৱিত কৰাত ইন্ধন যোগাইছিল বেৰণ পিয়েৰ দা কুবাৰ্তিন নামৰ এজন ডেকাই । বেৰণ পিয়েৰ দা

কুবাৰ্তিন নামৰ এজন ফৰাচী উদ্যোগী ডেকাই ১৮৮৬ চনত 'লা ইউনিয়ন দা স্পৰ্টছ এথলেটিকছ' নামেৰে এটা সংস্থা গঠন কৰিছিল আৰু তাৰ জৰিয়তে ফ্ৰান্সৰ শিক্ষানুষ্ঠানসমূহত শাৰীৰিক শিক্ষাৰ প্ৰচলনৰ চেষ্টা কৰিছিল । অলিম্পিকৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱা ফ্ৰান্সৰ এইজন ডেকাই এই ক্ষেত্ৰত নিজকে সম্পূৰ্ণৰূপে নিয়োগ কৰিছিল আৰু তেওঁ পোষকতা কৰিছিল প্ৰাচীন গ্ৰীকসকলৰ অলিম্পিকৰ আদৰ্শত পৃথিৱীত এখন খেল-ধেমালিৰ প্ৰতিযোগিতাৰ আয়োজন কৰাৰ । এয়াই আছিল আধুনিক অলিম্পিকৰ জন্মৰ মূল ভেঁটি ।

এই উদ্যমতেই ১৮৯৩ চনত বেৰণ পিয়েৰ দা কুবাৰ্তিনে ছৰ্বনত 'লা ইউনিয়ন দা স্পৰ্টছ এথলেটিকছ' শীৰ্ষক এখন সভা অনুষ্ঠিত কৰি পৃথিৱীৰ সকলো খেলুৱৈকে আমন্ত্ৰণ কৰিছিল, অথচ বিশেষ সঁহাৰি পোৱা নাছিল আৰু আলোচনাত অংশগ্ৰহণ তেনেই তাকৰ

আছিল । কিন্তু অলিম্পিকৰ আদৰ্শ আৰু আত্মবিশ্বাসক সৰোগত কৰি তেওঁ চেষ্টা চলাই গৈছিল আৰু কেতিয়াও নিৰাশ হোৱা নাছিল আৰু অৱশেষত তেওঁৰ এই চিন্তাধাৰাই সহাঁৰি লাভ কৰিলে ১৮৯৪ চনৰ ১৬ জুনত অনুষ্ঠিত হোৱা ক্ৰীয়া সভাৰ জৰিয়তে ।

সেইদিনা আমেৰিকা, ইটালী, ইংলেণ্ড, স্পেইন, ছুইডেন, বেলজিয়াম, ৰুছিয়া, গ্ৰীচ আৰু ফ্ৰান্সৰ মুঠ ৭৯ জন প্ৰতিনিধি সমবেত হৈ বিশ্ব ক্ৰীড়াত নৱ-সংযোজনৰ বাবে আলোচনা কৰে আৰু আলোচনাৰ ফলস্বৰূপে সকলোৱে অলিম্পিক পুনৰ প্ৰতিষ্ঠাৰ বাবে একমত প্ৰকাশ কৰে । এই সভাতে "International Olympic Committee (IOC)" গঠন হয় । এনেকৈয়ে বেৰেণ পিয়েৰ দা কুবাৰ্তিনৰ চেষ্টা সফল হৈছিল ।

১৮৯৬ চনত সুদীৰ্ঘ ১৫০০ বছৰৰ পাছত পোনপ্ৰথমবাৰৰ বাবে আধুনিক অলিম্পিক অনুষ্ঠিত কৰিবলৈ স্থিৰ কৰা হৈছিল আৰু গ্ৰীচৰ ৰাজধানী এথেন্সত স্হান নিধাৰ্ৰণ কৰা হ'ল । ১৮৯৬ চনৰ ৬ এপ্ৰিলৰ পৰা ১৫ এপ্ৰিললৈ এথেন্সত প্ৰথমখন আধুনিক অলিম্পিক অনুষ্ঠিত কৰা হৈছিল । এথেন্সৰ অলিম্পিকত গ্ৰীচৰ ৰজা প্ৰথম জৰ্জিছৰ লগতে প্ৰায় ৬০,০০০ লোকৰ সমাগমেৰে আধুনিক অলিম্পিকৰ শুভাৰাম্ভণি কৰা হৈছিল । আৰু ১৩ খন দেশৰ মুঠ ২৮০ জন প্ৰতিযোগিয়ে মুঠ ৯ টা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল । আৰু প্ৰতিযোগীসকল পুৰুষ আছিল । ১৮৯৬ চনত বেৰণ পিয়েৰ দা কুবাৰ্তিন IOC ৰ অধ্যক্ষ পদত অধিষ্ঠিত হয় আৰু এনেকৈয়ে আধুনিক অলিম্পিকৰ আৰম্ভণি হয় ।

এয়াই আছিল মৃত্যু হোৱা অলিম্পিকৰ আদৰ্শ আৰু অস্তিত্বক পুনৰজীৱিত কৰি বিশ্ববাসীৰ আগত অলিম্পিক প্ৰতিষ্ঠা কৰা এক দীঘলীয়া যাত্ৰা । এথেন্সত অনুষ্ঠিত অলিম্পিকৰ ধাৰা বৰ্তমান পৰ্যন্ত

ৰুদ্ধ হোৱা নাই আৰু মানৱজাতি থকা লৈকে অলিম্পিকৰ যে অস্তিত্ব থাকিব তাত কোনো সন্দেহ নাই । ১৯ শতিকাত ১৯১৬ চনৰ বাৰ্লিন অলিম্পিক, ১৯৪০ চনৰ টকিঅ'/হেলছিংকি অলিম্পিক, ১৯৪৪ চনৰ লণ্ডন অলিম্পিক যুদ্ধৰ বাবে অনুষ্ঠিত হোৱা নাছিল । টকিঅ' অলিম্পিক ২০২০ চনত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও কৰ'না মহামাৰীৰ সন্ত্ৰাসৰ বাবে ২০২১ ত অনুষ্ঠিত হৈছে । এই উত্থান-পতনৰ পাছতো অলিম্পিকৰ শিখাৰে আলোকিত মানৱ জাতিয়ে এই পৰম্পৰাক আদৰিলে আৰু বিশ্বশান্তি আৰু ভাতৃত্ববোধৰ উদাহৰণ হিচাপে অলিম্পিকক প্ৰতিষ্ঠা কৰাত অৱদান যোগালে ।

### ***৩. অলিম্পিকৰ মূলমন্ত্ৰ(motto)- Citius, Altius Fortius (টকিঅ' অলিম্পিক ২০২০ ত নৱসংযোজন "- Together")***

আধুনিক অলিম্পিকৰ জন্ম আৰু বৰ্তমানলৈকে অলিম্পিকৰ ধাৰাই সমগ্ৰ বিশ্বকে সাঙুৰি ভাতৃত্ববোধ আৰু বিশ্বশান্তিৰ অভূৰ্তপূৰ্ব নিদৰ্শন দাঙি ধৰিছে । প্ৰাচীন গ্ৰীচৰ অলিম্পিকৰ পৰা বৰ্তমান অলিম্পিকৰ এই যাত্ৰা চালে এটা কথাৰ উমান পাব পাৰি যে অলিম্পিকৰ সফলতা । অলিম্পিকৰ আদৰ্শ, নীতি-নিয়ম, উদ্দেশ্য আৰু প্ৰভাৱে

অলিম্পিকক বিশেষ কৰিছে। বৰ্তমান সেয়েহে মানৱ ইতিহাসৰ এক অভূৰ্তপূৰ্ব অৱদান হিচাপে অলিম্পিকক অভিহিত কৰিছে।

অলিম্পিক বৰ্তি থাকিবলৈ আৰু ইয়াৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ নিৰ্দিষ্ট সংবিধানৰ প্ৰয়োজন হয় । বিশ্বৰ পাকৈত খেলুৱৈ সকল এই প্ৰতিযোগিতাৰ প্ৰাণ আৰু এই মঞ্চত অৱতীৰ্ণ আৰু জয়ী হ'বলৈ খেলুৱৈসকল অলিম্পিকৰ বাবে যোগ্য হ'ব লাগিব। অলিম্পিকৰ বাবে এজন খেলুৱৈৰ থাকিবলগীয়া যোগ্যতাখিনিয়েই অলিম্পিকৰ মূলমন্ত্ৰ।

অলিম্পিকৰ মূলমন্ত্ৰ হ'ল তিনিটা লেটিন শব্দ : ছাইটিয়াছ (citius), আলটিয়াছ (Altius) আৰু ফৰটিয়াছ (fortius), অৰ্থাৎ বেগৱান, উৰ্ধৱান আৰু বলৱান। অৰ্থাৎ Faster, Higher, Stronger. Dominican Prist Henri Didon য়ে পোনপ্ৰথমে অলিম্পিকৰ এই মূলমন্ত্ৰ কেইটা ১৮৮১ চনত এখন শিক্ষানুষ্ঠানৰ খেল-ধেমালি প্ৰতিযোগিতাৰ আৰম্ভণি অনুষ্ঠানত ব্যৱহাৰ কৰিছিল। সেই সময়ত আধুনিক অলিম্পিকৰ জন্মদাতা বেৰণ পিয়েৰ দা কুবাৰ্তিন উপস্হিত আছিল আৰু পিছলৈ এই

শব্দকেইটাই অলিম্পিকৰ মূলমন্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। এই মূলমন্ত্ৰকেইটাই অলিম্পিকৰ প্ৰতি খেলুৱৈসকলৰ কেৱল ক্ৰীড়া আৰু কৌশলগত আকাংক্ষাকে প্ৰকাশ নকৰে, বৰং শৈক্ষিক আৰু আচৰণগত দৃষ্টিভংগীও প্ৰকাশ কৰে। এটা শব্দত ক'বলৈ গলে অলিম্পিকৰ এই মূলমন্ত্ৰই হৈছে অলিম্পিকৰ সম্পদ।

এই মূলমন্ত্ৰক অলিম্পিকৰ সৈতে জড়িত বিশ্বাসৰ সৈতে তুলনা কৰিব পাৰি আৰু পেনছিলভেনিয়াৰ ধৰ্মযাজক Ethelbert Talbot য়ে ১৯০৮ চনত লণ্ডন অলিম্পিকত কথাষাৰ অৱতাৰণা কৰিছিল এইদৰে, "The important thing in life is not the triumph, but the fight; the essential thing is not to have won, but to have fought well."

এই মূলমন্ত্ৰই জীয়াই ৰাখিছে অলিম্পিকক। সময়ৰ লগতে সকলো পৰিবৰ্তন হয় আৰু শেহতীয়াকৈ অলিম্পিকৰ এই মূলমন্ত্ৰত নৱসংযোজন হৈছে এটা নতুন শব্দৰ, সেয়া হৈছে Together অৰ্থাৎ একেলগে। টকিঅ' অলিম্পিক ২০২০ ৰ আৰম্ভণিতে অলিম্পিকৰ মূলমন্ত্ৰত নৱসংযোজন হৈ অলিম্পিকৰ বৰ্তমান মূলমন্ত্ৰ হৈছে লেটিন শব্দত "Citius, Altius, Fortius - Communis"। অৰ্থাৎ Faster, higher, stronger - together অলিম্পিকৰ মূলমন্ত্ৰ এই Together শব্দটো অলিম্পিকৰ মূলমন্ত্ৰত সংযোজন কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটি (IOC) ৰ অধ্যক্ষ Thomas Bach য়ে প্ৰস্তাৱ আগবঢ়াইছিল আৰু Body's Executive Board (EB) য়ে এই শব্দটোক সমৰ্থন জনায়। আৰু এনেকৈয়ে টকিঅ' অলিম্পিক ২০২০ আৰম্ভ হোৱাৰ পূৰ্বে অলিম্পিকৰ মূলমন্ত্ৰই নতুনত্ব লাভ কৰে। Thomas Bach য়ে ক'ভিড-১৯ মহামাৰীৰ বিভীষিকা প্ৰতি দৃষ্টি ৰাখি Together শব্দটোৰ সংযোজনৰ বাবে প্ৰস্তাৱ ৰাখিছিল আৰু IOC য়ে এই ক্ষেত্ৰত সন্মতি প্ৰদান কৰে।

অলিম্পিকৰ ধাৰা আৰু আৰু সামগ্ৰিকতাৰ প্ৰতি লক্ষ্য ৰাখি ঐক্যৰ প্ৰয়োজনীতা সম্পৰ্কে Thomas Bach য়ে এই সভাতে নিজৰ মত আগবঢ়াই কয় যে, "Solidarity is at the heart of everything we do. Solidarity fuels our mission to make the world a better place through sport. Because we can only go faster, we can

only aim higher, we can only become stronger, if we stand together – in solidarity." "Strengthening solidarity in
this way also helps us to accomplish our 3,000-year-old mission to contribute to peace through sport. Without solidarity, there is no peace." সচাঁকৈয়ে Thomas Bach ৰ এই ঐক্যৰ ধাৰণাই বিশ্বশান্তি আৰু অনুভৱৰ মিলনভূমি অলিম্পিকক জীয়াই ৰাখিছে। ঐক্যৰ অবিহনে
একোয়েই সম্ভৱ নহয়। মানৱজাতি আজি পৰ্যায়ত উপনীত হোৱাৰ মূলতেই হৈছে ঐক্য বা একাত্মবোধ। সমাজ এখন নিয়াৰিকৈ আগবাঢ়িবলৈও ঐক্যৰ প্ৰয়োজন আছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন প্ৰতিনিধিয়ে এই মঞ্চতে সকলো ব্যক্তিগত মতভেদ প্ৰত্যাহাৰ কৰি একেখন মঞ্চতে ভাতৃত্বভাৱেৰে প্ৰতিযোগিতাত নামে। লগতে সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক আদান-প্ৰদানে একতাৰ জৰীডাল সবল কৰি তোলে। সেয়েহে অলিম্পিক বৰ্তী আছে আৰু বৰ্তী থাকিব। ঐক্যই মানৱ জাতিৰ উন্নয়ণৰ চাবিকাঠি।

## *৪. অলিম্পিকৰ প্ৰতীক*

প্ৰতীকেই পৰিচয়। অলিম্পিকৰ প্ৰতীকে অলিম্পিকৰ এক দীঘলীয়া ইতিহাসৰ সাক্ষীৰ লগতে একতাৰ পৰিচয়ও বহন কৰে। অলিম্পিকৰ এই প্ৰতীক পৰস্পৰ সংযুক্ত পাঁচটি বৃত্তৰে গঠিত। নীলা, হালধীয়া, ক'লা, ৰঙা আৰু সেউজীয়া ৰঙৰ বৃত্তকেইটা বগা ৰঙৰ ক্ষেত্ৰত অলিম্পিকৰ মৰ্যাদা বহন কৰে। এই প্ৰতীকক অলিম্পিক ৰিঙ বুলিও জনা যায়। এই প্ৰতীক বিশ্বৰ পাঁচখন মহাদেশৰ (এছিয়া, ইউৰোপ, আফ্ৰিকা, দুই আমেৰিকা আৰু অষ্ট্ৰেলিয়া) বন্ধুত্বৰ চিন। এই পাঁচোটা বৃত্তৰ যিকোনো এটা ৰঙেই কোনো নহয় কোনো এখন দেশৰ ৰাষ্ট্ৰীয় পতাকাত আছে। এই প্ৰতীকত থকা ৰঙ কেইটা সেই সময়ত দেশসমূহৰ নিজা পতাকাত থকা ৰঙৰ ভিত্তিত চয়নৰ কৰা হৈছিল।

এই প্ৰতীক ১৯১৩ চনত আধুনিক অলিম্পিকৰ জন্মদাতা বেৰণ পিয়েৰ দা কুবাৰ্তিনে চয়ন কৰে। আধুনিক অলিম্পিক ১৯৯৬ চনত আৰম্ভ হৈছিল যদিও ১৯১৩ চনলৈ কোনো অলিম্পিকৰ পতাকা নাছিল আৰু ১৯১৩ চনত কুবাৰ্তিনৰ অনুৰোধত এখন পতাকা গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু ইয়াৰ বাবে বিভিন্ন শিল্পীৰ পৰা অহা নানান নমুনাৰ মাজত বৰ্তমান অলিম্পিক ৰিঙ নামেৰে খ্যাত নমুনাটো বাছনি কৰা হয়। অলিম্পিকৰ প্ৰতীকৰ সংযোজনত ১৯১৩ চনৰ আগষ্ট মাহৰ সেই সভাতেই কুবাৰ্তিনে কয় যে, "The
colours of the rings together with the white of the background included the colours composing every competing country's flag at the time". ১৯১৩ চনৰ আগষ্ট মাহত অলিম্পিকৰ সভাত কুবাৰ্তিনে অলিম্পিকৰ প্ৰতীকক সম্বোধন কৰি এইদৰে কয়, "... the six colours
(including the flag's white background) combined in this way reproduce the colours of every country without exception. The blue and yellow of Sweden, the blue and white of Greece, the tricolour flags of France, United Kingdom, the United States,

Germany, Belgium, Italy and Hungary, and the yellow and red of Spain are included, as are the innovative flags of Brazil and Australia, and those of ancient Japan and modern China. This, truly, is an international emblem."

কুবাৰ্তিনৰ এই মন্তব্যৰ পৰা জানিব পাৰি যে, অলিম্পিকক তেওঁ সকলোৰে বাবে গঢ়ি তুলিব খুজিছিল । দেশসমূহৰ মাজত সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক, ভৌগোলিক বিভিন্নতা থকাৰ সত্বেও অলিম্পিকৰ প্ৰতীকে সকলোকে প্ৰতিনিধিত্ব কৰিব পৰা সামৰ্থ তেওঁ অনুভৱ কৰিছিল । আৰু এয়াই আছিল অলিম্পিকৰ সাৰ্থকতাৰ মূলমন্ত্ৰ ।

### *অলিম্পিকৰ প্ৰতীক আৰু বৰ্তমান সময়ৰ লগত সামঞ্জস্য -*

অলিম্পিকৰ প্ৰতীক সেই সময়ত বিশ্বৰ প্ৰতিখন দেশৰ পতাকাৰ ৰঙৰ আৰ্হিত চয়ন কৰা হৈছিল কিন্তু নীলা, ৰঙা, সেউজীয়া, হালধীয়া ৰঙৰ বিভিন্নতাক এৰাই চলিলে এতিয়াও প্ৰতীকৰ ৰঙে পৃথিৱীৰ সকলো দেশৰে পতাকাৰ ৰঙক প্ৰতিনিধিত্ব কৰিব পৰা নাই । ভূটান, আৰ্মেনিয়া, শ্ৰীলংকাৰ পতাকাৰ কমলা ৰঙ অলিম্পিকৰ পতাকাত দেখা লোৱা নাযায় । তথাপিও আজিৰ পৰা ১০৮ বছৰৰ পূৰ্বৰ এই প্ৰতীকে আজিও পৃথিৱীত মৈত্ৰী আৰু ভাতৃত্ববোধৰ পৰিচয় বহন কৰিছে ।

### *৫. অলিম্পিকৰ পতাকা*

বগা ক্ষেত্ৰত ঐক্য আৰু শান্তিৰ পৰিচয় বহন কৰি বতাহত অলিম্পিকৰ সুগন্ধি বিলাই থাকে অলিম্পিকৰ পতাকাখনে । পতাকাই কোনো এখন ৰাষ্ট্ৰ, সংস্হা, সন্হা বা গোটৰ পৰিচয় বহন কৰে আৰু প্ৰতিনিধিত্ব কৰে । আধুনিক অলিম্পিকৰ এক বিশেষ আকৰ্ষণৰ লগতে পৰম্পৰা তথা সম্পদ হৈছে অলিম্পিকৰ পতাকাখন । আধুনিক অলিম্পিক ১৮৯৬ চনতেই আৰম্ভ হৈছিল যদিও ১৯১৩ চনলৈ অলিম্পিকৰ কোনো পতাকা নাছিল । আৰু এই পতাকা আৰু পতাকাৰ প্ৰতীকৰ চয়নৰ কথা ইতিমধ্যে খণ্ড ৪ ত বৰ্ণনা কৰা হৈছে । আধুনিক অলিম্পিকৰ জন্মদাতা বেৰন পিয়েৰ দা কুবাৰ্তিনৰ অনুৰোধত পতাকা গ্ৰহণৰ সিদ্ধান্ত আৰু প্ৰতীক চয়নৰ পাছত অলিম্পিকৰ ইতিহাস বহন কৰিবলৈ সাজু হয় অলিম্পিকৰ পতাকাখন । ৫ টি বৃত্তৰে পৃথিৱীৰ মহাদেশকেইখন আৰু বিশ্বৰ প্ৰতিখন দেশৰ পতাকাৰ ৰঙ (সেইসময়ৰ) ক প্ৰতিনিধিত্ব কৰা প্ৰতীকে বগা ৰঙৰ পতাকাত শোভা বঢ়াই ।

অলিম্পিকৰ পতাকাখন পোনপ্ৰথমবাৰৰ বাবে ১৯১৪ চনত জুন মাহত এক ৰাজহুৱা সভাত পোনপ্ৰথমবাৰৰ বাবে উৰুওৱা হয় । পেৰিচৰ এই ৰাজহুৱা সভাতে অলিম্পিকৰ পতাকাখন পোনপ্ৰথমবাৰৰ বাবে বিশ্ববাসীৰ আগত দাঙি ধৰা হয় । যদিও আনুষ্ঠানিকভাৱে অলিম্পিক ষ্টেডিয়ামত ১৯২০ চনলৈকে পতাকাখন উৰুৱাৰ সুবিধা পোৱা নাছিল । ১৯১৫ চনৰ ১৮ মাৰ্চত ছানফেন্সিকোত অনুষ্ঠিত এক মহামেলাত এই পতাকাখন উৰে আৰু অৱশেষত ২০ এপ্ৰিলৰ পৰা ১২ ছেপ্টেম্বৰলৈকে হোৱা এন্টোৱাৰ্প অলিম্পিক ১৯২০ ত অলিম্পিকৰ পতাকাখনে আনুষ্ঠানিকভাৱে অলিম্পিকৰ ষ্টেডিয়াম উৰে আৰু তাৰ পৰাই এই পৰম্পৰাৰ আৰম্ভণি হয় । বিভিন্ন ঠাইত হোৱা অলিম্পিকৰ বাবে পতাকাখন

নিওঁতে এক বিশেষ অনুষ্ঠানৰ জৰিয়তে নিয়া হয় । ১৯২০ চনত আনুষ্ঠানিকভাৱে উৰা অলিম্পিকৰ পতাকাখন শেষবাৰৰ বাবে ১৯৮৪ চনত লছ্ এঞ্জেলছ্ অলিম্পিকত শেষবাৰৰ বাবে উৰে । সময়ৰ লগতে পতাকাখন উৱলি গৈছিল যাৰ বাবে ১৯৮৮ চনত ১৭ ছেপ্টেম্বৰৰ পৰা ২ আক্টোবৰলৈকে হোৱা ছিউল অলিম্পিকত অলিম্পিকৰ দ্বিতীয়খন পতাকা দামী উৎকৃষ্ট কাপোৰেৰে চিলোৱা হয় । এই অলিম্পিকৰ পতাকাখনৰ দৈৰ্ঘ্য আৰু প্ৰস্হৰ অনুপাত হৈছে ২:৩ । প্ৰত্যেক অলিম্পিকতে অলিম্পিক পতাকাখন উত্তোলন কৰাটোও এক বিশেষ অনুষ্ঠানৰ দৰে হয় । অলিম্পিক হৈ থকা লৈকে পতাকাখন উৰে আৰু শেষৰ দিনাখন পতাকাখন নমোৱা হয় । এই পতাকাখনৰ সৈতে জড়িত অনুভৱৰ বাবে শোকাতুৰ পৰিৱেশৰ সৃষ্টি হয় বহু সময়ত । অলিম্পিকৰ শেষৰ দিনা আনুষ্ঠানিকভাৱে পতাকাখন নমোৱাৰ লগে লগে অলিম্পিকৰ সমাপ্ত হয় । নমোৱাৰ পিছত IOC অৰ্থাৎ ইন্টাৰনেচনেল অলিম্পিক কমিটিৰ অধ্যক্ষক পতাকাখন দিয়া হয় আৰু তেওঁ আগন্তুক অলিম্পিক প্ৰতিনিধিত্ব কৰা দেশৰ প্ৰতিনিধিক দিয়ে । অলিম্পিকত পৰম্পৰাগত
অলিম্পিকৰ পতাকাখনৰ লগতে প্ৰতিনিধিত্ব কৰা দেশে তেওঁলোকৰ নিজস্ব পতাকাও উত্তোলন কৰা দেখা যায় । অলিম্পিকৰ পতাকা আৰু প্ৰতীক বিশ্ববাসীৰ সম্পদস্বৰূপ আৰু এই পতাকা আৰু প্ৰতীকৰ অনৈতিক ব্যৱহাৰ বা প্ৰয়োগৰ ক্ষেত্ৰত প্ৰায় প্ৰতিখন দেশৰে নিজা আইন আছে যাতে কোনো অনৈতিক কাৰ্যই অলিম্পিকৰ গৰিমাত আঘাত সানিব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰখা হয় । কোনো বাণিজ্যিক অথবা
আন কাৰণত পতাকাৰ আৰ্হি ব্যৱহাৰ কৰিব লগা হয় তেন্তে IOC ৰ সমৰ্থনৰ লগতে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে যাব লগা হয় । ১৯৮০ চনৰ পৰা IOC য়ে অলিম্পিকৰ পতাকা আৰু প্ৰতীকৰ নিৰ্মাণ তথা ব্যৱহাৰত নিৰ্দিষ্ট ৰাশিৰ ব্যৱস্হাও কৰিছে ।


অলিম্পিকৰ পতাকাই অলিম্পিকৰ পৰিচয় । সগৌৰৱেৰে উৰি বিশ্বত মৈত্ৰীৰ বাৰ্তা প্ৰেৰণ কৰা পতাকাখনৰ প্ৰতি সকলোৰে আৱেগ আছে আৰু তাৰ আলৈ আথানি বা অনৈতিকতা কোনোৱে সহ্য কৰিব নোৱাৰে । বিশ্বশান্তিৰ এই ধাৰা সদায়ে বাহাল থাকিব আৰু এইদৰেই অলিম্পিকে গতি লাভ কৰিব ।




# কলাৰ সমাহাৰ

# ডুড়ল আৰ্ট প্ৰতিযোগীতাৰ শ্ৰেষ্ঠ ২০ খনৰ পৰা


**1st Prize**





**2nd Prize**






**3rd Prize**



# ডুড্‌ল আৰ্ট প্ৰতিযোগীতাৰ শ্ৰেষ্ঠ ২০ খনৰ পৰা












নাহৰ মাহেকীয়া ই-আলোচনী
প্ৰথম বছৰ , দ্বিতীয় সংখ্যা



# ছবি কথা

# ছবি কথা



“Spellbinding reflection of mesmerizing sunset.”

Partha Sarathi Bordoloi




Beauti Payeng
Department of Assamese
Dibrugarh University



# মাহটোৰ বিশেষ

# Current Updates

~ Karnataka becomes the 1st state to reserve jobs for transgender persons July 29, 2021.

~ WhatsApp has appointed former Amazon executive Manesh Mahatme as a director to lead the growth of its payments business in India.

~ The theme of International Day Against Drug Abuse and Illicit Trafficking 2021 is "Share Facts On Drugs, Save Lives".

~ The Delhi government appointed former Olympic medalist weightlifter Karnam Malleswari as the first Vice-Chancellor of Delhi Sports University.

~ The State Bank of India (SBI) has launched the Aarogyam healthcare business loan to provide enhanced support to the healthcare sector amid the pandemic.

~ Indian wrestler Vinesh Phogat won the gold medal in the 53 kg category at the Poland Open. It is her third title of the season. Earlier, She had won gold at the Matteo Pellicone event (March) and Asian Championship (April).

~ Indian star cricketer Virender Sehwag has launched an experiential learning portal for Cricket coaching named CRICURU.

~ Sunil Chhetri surpasses Argentina's Lionel Messi and he has become the second-highest active international goal-scorer with 74 strikes.

~ Assam Govt decided to upgrade Dehing Patkai Wildlife Sanctuary into National Park .

~ 23-year-old boxer Lovlina secures India's 2nd medal at Tokyo Olympics .

~ Assam Cabinet approves cattle protection bill .

# Indian Medal Winners at Tokyo Olympics 2021

| Game | Athlete | Medal |
|---|---|---|
| Javelin throw | Neeraj Chopra | Gold |
| Wrestling (57 KG) | Ravi Kumar Dahiya | Silver |
| Weight Lifting (49 Kg Women) | Mirabai Chanu | Silver |
| Women's Singles Badminton | PV Sindhu | Bronze |
| Women's Welterweight Boxing | Lovlina Borgohain | Bronze |
| Hockey | Indian Hockey Team | Bronze |
| Wrestling (65 Kg) | Bajarang Punia | Bronze |

# ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২০-২১ বৰ্ষৰ সদস্য-সদস্যাসকল আৰু সন্মানীয় কৰ্ট সভাৰ সদস্য-সদস্যা সকল



পৰন গগৈ
সভাপতি
কৰ্ট সভাৰ সদস্য



লক্ষীনন্দন টায়ে
উপ-সভাপতি



হিমালয় বাৰিক
সাধাৰণ সম্পাদক
কৰ্ট সভাৰ সদস্য



পাৰ্থ জ্যোতি বৰুৱা
সহঃ সাধাৰণ সম্পাদক



সপোন বড়া
আলোচনী সম্পাদক



প্ৰিন্সেন চিচেন চিংফৌ
সংগীত সম্পাদক



দেৱ প্ৰতীম বৰা
সাংস্কৃতিক সম্পাদক



কৃষ্ণা চেত্ৰী
তৰ্ক আৰু আলোচনা সম্পাদক



প্ৰীতম জ্যোতি গৌতম
সুকুমাৰ কলা আৰু
সাহিত্য সম্পাদক



নৰজ্যোতি বৰগোহাঁই
খেল সম্পাদক



চম্পক শইকীয়া
ক্ৰিকেট সম্পাদক



ধ্ৰুৱজ্যোতি চেতিয়া
ফুটবল সম্পাদক



সঞ্জয় গগৈ
ছাত্ৰ জিৰণি কোঠা সম্পাদক



জেৰলিন ৰংহাংপি
আন্তঃ ক্ৰীড়া সম্পাদিকা



নীহাৰিকা বৰুৱা
ভলীবল সম্পাদিকা



শ্যামলী ভূঞা
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা



ৰাংকুফ মুফুক
শৰীৰ চৰ্চা সম্পাদক



জিৎ দাস
সমাজসেৱা সম্পাদক


# ডিব্ৰুগড় বিশ্ববিদ্যালয় সন্মানীয় কৰ্ট সভাৰ সদস্য-সদস্যা সকল



দীপাংকৰ নৰহ
কৰ্ট সভাৰ সদস্য



চিৰাজমান কোঁৱৰ
কৰ্ট সভাৰ সদস্য



কংকন জ্যোতি মহন্ত
কৰ্ট সভাৰ সদস্য



ৰেজিনা বড়া
কৰ্ট সভাৰ সদস্যা




নাজিম আফ্ৰিড
কৰ্ট সভাৰ সদস্য

# ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ বিভাগীয় প্ৰতিনিধিসকল



অভিষেক বৰুৱা
পদাৰ্থ বিজ্ঞান বিভাগ



চৈকত দাস
ৰসায়ন বিজ্ঞান বিভাগ



ধৈৰ্য্যৰাজ দলে
নৃতত্ব বিভাগ



ফৈজল ছিদ্দিকী
গণিত বিভাগ



বিশাল শৰ্মা
সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰ



ৰাজশ্ৰী গগৈ
প্ৰায়োগিক মনোবিজ্ঞান অধ্যয়ন কেন্দ্ৰ



ঋকলাভ চাবুকধৰা
প্ৰায়োগিক ভূ-তত্ব বিভাগ



ঋষভ ডেকা
চাহ আৰু কৃষি অধ্যয়ন কেন্দ্ৰ



ভেংকটেশ গোঁহাই
ন্যায়িক অধ্যয়ন কেন্দ্ৰ



শশাংকজীত কোঁৱৰ
তৈল প্ৰযুক্তি বিভাগ



নৱজ্যোতি কলিতা
ভেষজ বিজ্ঞান বিভাগ



নৰজিত শ্যাম
ডিব্ৰুগড় বিশ্ববিদ্যালয় অভিযান্ত্ৰিক আৰু প্ৰযুক্তি প্ৰতিষ্ঠান



ধ্ৰুৱজ্যোতি ৰাইলুং
শিক্ষাতত্ব বিভাগ



ডিমন জ্যোতি বৰা
জৈৱ বিজ্ঞান বিভাগ



পাভেল হাচমী
জৈৱ প্ৰযুক্তি অধ্যয়ন কেন্দ্ৰ



ৰঞ্জন বৰা
দৰ্শন অধ্যয়ন কেন্দ্ৰ



মাধৱী উপাধ্যায়
নাৰী অধ্যয়ন কেন্দ্ৰ



চন্দন গগৈ
বুৰঞ্জী বিভাগ



ভৰত দাস
অসমীয়া বিভাগ



পংকজ নাথ
বাণিজ্য বিভাগ

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ বিভাগীয় প্ৰতিনিধিসকল



বিক্ৰম সোণোৱাল
অৰ্থনীতি বিভাগ



শ্যামন্ত শইকীয়া
ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰ



ৰাজা বৰুৱা
ড° ভূপেন হাজৰিকা পাৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰ



কুমুদ কোঁৱৰ
ইংৰাজী বিভাগ



ডেনী চেতিয়া
ৰাজনীতি বিজ্ঞান বিভাগ



পৰন গগৈ
ভূগোল অধ্যয়ন কেন্দ্ৰ



ভাৰ্গৱ লিগিৰা
সমাজতত্ত্ব বিভাগ



দেৱজিত দলে
সমাজসেৱা অধ্যয়ন কেন্দ্ৰ



সুমন কল্যাণ গগৈ
শাৰীৰিক শিক্ষা আৰু ক্ৰীড়া অধ্যয়ন কেন্দ্ৰ



ঋষভ চক্ৰৱৰ্তী
পৰিসংখ্যা বিভাগ



কুনলীক হাজৰিকা
ভাষাতত্ত্ব অধ্যয়ন কেন্দ্ৰ



মৃদুপৱন শৰ্মা
গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান অধ্যয়ন কেন্দ্ৰ



মানস ফুকন
পৰিকলন অধ্যয়ন কেন্দ্ৰ

Thank you

This magazine is designed by

CREATIVE NEXT

7086189918/8638116189